# গোৱালপাৰা মহাবিদ্যালয় আলোচনী



সম্পাদক ঃ মুবীন ৰাভা

# গোৱালপাৰা মহাবিদ্যালয় আলোচনী

গোৱালপাৰা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ
৩২ তম্ সংখ্যাঃ ২০০০-২০০১ শিক্ষাবৰ্ষ

সম্পাদক : মুবীন ৰাভা

## সম্পাদনা সমিতিঃ

ড°সুৰেন্দ্ৰ নাথ শৰ্মা, সভাপতি

ৰতন ভট্টাচাৰ্য্য, তত্ত্বাৱধায়ক

নন্দ দুলাল অধিকাৰী, সদস্য

থানেশ্বৰ শৰ্মা, সদস্য

শৈলেনজিত শৰ্মা, সদস্য

ড°আব্দুল বাতেন আহমেদ, সদস্য

মন্টু দাস, সদস্য

লনি বৰুৱা, সদস্যা

মুবীন ৰাভা, সম্পাদক

বেটুপাতৰ শিল্পী ঃ মুবীন ৰাভা

অংগ সজ্জা আৰু অলংকৰণ ঃ মুবীন ৰাভা

মুদ্ৰনঃ অভিনৱ প্ৰিন্টাৰ্চ,
বাপুজীনগৰ, দুৰভাষ নং- ৪২২৬১
গোৱালপাৰা।





## সম্পাদকীয়

শিক্ষা এক ধাৰাবাহিক প্ৰক্ৰিয়া। ওৰেটো জীৱন আমি শিকিব পাৰো। অৱশ্যে আমাৰ জীৱন গঢ় দিব পৰা শিক্ষাৰ বাবে লাগে এক অনুকূল বাতাবৰণ। সময়ৰ চাহিদা পূৰণৰ বাবে শিক্ষা ক্ষেত্ৰতো সমগ্ৰ বিশ্বতে বিৱৰ্ত্তন হৈছে। আমাৰ দেশতো প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ মাজত সমন্বয় ৰক্ষা কৰি শিক্ষাৰ মানোন্নয়নৰ বাবে বহু পৰীক্ষা-নিৰীক্ষা চলিব লাগিছে। বৈচিত্ৰ্যময় সামাজিক সাংস্কৃতিক পৰিবেশ, বিপুল জনসংখ্যা, আৰ্থিক বৈষম্য, সহস্ৰাধিক ভাষা, মৌলবাদী কাৰ্যকলাপ, পুনৰুত্থানবাদী প্ৰৱনতা আদিয়ে দেশখনৰ শিক্ষা ক্ষেত্ৰতো যথেষ্ট প্ৰভাৱ পেলাইছে। এনে পৰিস্থিতিত আমাৰ দেশৰ নীতি নিৰ্দ্ধাৰক আৰু শিক্ষাবিদ সকলে পালন কৰা ভূমিকাই সময়ে সময়ে আশা-নিৰাশা, বিতৰ্কৰ সৃষ্টি কৰি আহিছে।

চৰকাৰে এতিয়ালৈকে বহু শিক্ষা আয়োগ আৰু সংস্কাৰ কমিটি গঠন কৰিলে। পিছে সেইবোৰে আগবঢ়োৱা পৰামৰ্শাৱলী পূৰ্ণাংগ ৰূপত কাৰ্যকৰী কৰা আজিলৈকে হৈ নুঠিল। শিক্ষাক মানৱ সম্পদ গঢ়াৰ সোপান হিচাবে গণ্য কৰা আমাৰ কেন্দ্ৰীয় চৰকাৰে বাজেটত শিক্ষা খিতানত ধাৰ্য কৰা নগন্য ধনে চৰকাৰৰ আন্তৰিকতা উদঙাই দেখুৱায়। প্ৰাথমিক শিক্ষা শৈক্ষিক গাঁথনিৰ ভেটি যদিও বাস্তৱত এই ক্ষেত্ৰই সবাতোকৈ উপেক্ষিত। একালে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ বাবে অৰণ্যৰোদন, আনকালে আৰ্থিক সামৰ্থ্যৰ ক্ৰমবৰ্দ্ধমান ব্যৱধানে প্ৰাথমিক শিক্ষাৰ চিত্ৰ ধূঁৱলি-কুঁৱলী কৰি তুলিছে। শেহতীয়াকৈ নতুন শিক্ষা নীতিৰ নামত শৈক্ষিক অনুদান কৰ্ত্তন, ব্যক্তিগতকৰণ, অবৈজ্ঞানিক ধ্যান-ধাৰণাক উদগনি আদিয়ে সুস্থ শৈক্ষিক বিকাশ বিঘ্নিত কৰাৰ লগতে সামাজিক সমস্যাৰো সৃষ্টি কৰিছে। অসমত শিক্ষক নিয়োগৰ ক্ষেত্ৰত দুৰ্নীতিৰ পয়োভৰ, হত্যা-অপহৰণ-উগ্ৰবাদী কাৰ্যকলাপে জন্ম দিয়া আতংকৰ কলীয়া ডাৱৰে শিক্ষানুষ্ঠান সমূহকো আৱৰি ধৰাত অৱস্থা অধিক জটিল হৈছে। নিয়মীয়া দৰমহাৰ সৈতে শিক্ষক-কৰ্মচাৰীৰ ন্যায়সঙ্গত দাবী, পাঠ্যপুথি যোগানকে আদি কৰি ছাত্ৰ-ছাত্ৰীৰ ন্যায্য দাবীৰ প্ৰতি চৰকাৰী প্ৰতাৰণায়ো শিক্ষাজীৱন ব্যাহত কৰাত ইন্ধন যোগাইছে। আনহাতে ক্ৰমসংকুচিত নিয়োগ ক্ষেত্ৰ আৰু অনিশ্চয়তাপূৰ্ণ ভৱিষ্যতে আমাৰ ছাত্ৰ সমাজক অস্থিৰ আৰু উদ্বিগ্ন কৰি তুলিছে।

বিজ্ঞান আৰু প্ৰযুক্তিৰ ন ন আৱিষ্কাৰ আৰু বিস্ময়কৰ অগ্ৰগতিৰ ফলত শিক্ষাৰ্থী আৰু পৰিয়ালৰ চাহিদা বৃদ্ধি পাইছে। এই সত্যৰ যথাৰ্থ প্ৰতিফলন আমাৰ শিক্ষা ব্যৱস্থাত নহলে শিক্ষাৰ সৈতে শিক্ষাৰ্থীৰ, পৰিয়ালৰ, সমাজৰ ব্যৱধান ক্ৰমশঃ বৃদ্ধি পায়, শিক্ষা গ্ৰহণৰ প্ৰতি অনীহাৰ সৃষ্টি হয়। এই অৱস্থা ৰোধ কৰাত আমাৰ বুদ্ধিজীৱি সকলৰ ভূমিকা উৎসাহজনক যেন বোধ নহয়।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দুহেজাৰৰো অধিক। কিন্তু মহাবিদ্যালয় আলোচনীৰ বাবে লেখা-মেলা বিচাৰিবলৈ গৈ এই দুঃখ জনক অভিজ্ঞতা হৈছে যে গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰী বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতি সিমান আগ্ৰহী নহয়। লিখনি জমা দিয়াৰ অন্তিম তাৰিখ একাধিকবাৰ বঢ়োৱাৰ পিচতো

যথেষ্ট সংখ্যক প্ৰবন্ধ পাতি নাহিল । ব্যক্তিগতভাৱে লিখা-মেলা বিচাৰিও বহুতৰ পৰা বিমুখ হ'বলগীয়া হৈছে । ক্ষেত্ৰবিশেষে নিম্ন মানবিশিষ্ট হোৱা বাবে আৰু ক্ষেত্ৰবিশেষে পৰিসৰৰ সীমাবদ্ধতাৰ বাবে কিম্বা নিৰ্বাচিত লিখনিৰ সৈতে বিষয়বস্তু একে হোৱা বাবে কেতবোৰ লিখনি প্ৰকাশ কৰিব নোৱাৰা বাবে আমি দুঃখিত ।

আলোচনীখন সৰ্বাংগসুন্দৰ কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰা হৈছে যদিও সফলতাত আমাৰ নিজৰে সন্দেহ থাকি গ'ল। আমাৰ অক্ষমতাৰ বাবে সকলোৰে ওচৰত বিনম্ৰ ক্ষমা প্ৰাৰ্থনা কৰিছো ।

আটক ধুনীয়াকৈ আলোচনী এখন প্ৰকাশ কৰাটো বৰ্ত্তমান সময়ত অতি ব্যয়বহুল হৈ উঠিছে - যি ব্যয় আমাৰ সীমিত পুঁজিৰে বহন কৰিব নোৱাৰি । আনহাতে লিখনি পোৱাত পলম, বন্ধ, পঞ্চায়ত নিৰ্বাচনৰ বাবে মহাবিদ্যালয় অধিগ্ৰহণ, খুটি-নাটি কথা চূড়ান্ত কৰা প্ৰক্ৰিয়া আদিৰ বাবে মোৰ কাৰ্যকালৰ ভিতৰত আলোচনীখন প্ৰকাশ সম্ভৱ হৈ নুঠিল । তৎস্বত্তেও নতুনকৈ প্ৰৱৰ্ত্তন কৰা 'জনগোষ্ঠীয় কবিতা শিতান' সহ এই সংখ্যালৈ আগবঢ়োৱা অৰিহনাৰ বাবে সমূহ লিখক-লিখিকা, লিখনি সমূহ হাত ফুৰাই দিয়া শিক্ষক-শিক্ষয়িত্ৰী বৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো । তদুপৰি মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু আলোচনী সম্পাদনা সমিতিৰ সকলো সদস্যলৈ বিভিন্ন সময়ত আগবঢ়োৱা দিহা পৰামৰ্শৰ বাবে এই সুযোগতে কৃতজ্ঞতা জনালোঁ ।

ছপাশালৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দলৈও আন্তৰিক শলাগ থাকিল ।

এই সংখ্যালৈ আগবঢ়োৱা অৰিহনাৰ বাবে সমূহ লিখক-লিখিকা, লিখনিসমূহ হাত ফুৰাই দিয়া শিক্ষক-শিক্ষয়িত্ৰী বৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো । তদুপৰি মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু আলোচনী সম্পাদনা সমিতিৰ সকলো সদস্যলৈ বিভিন্ন সময়ত আগবঢ়োৱা দিহা পৰামৰ্শৰ বাবে এই সুযোগতে কৃতজ্ঞতা জনালোঁ । ছপাশালৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দলৈও আন্তৰিক শলাগ থাকিল ।



# চিন্তাৰ ঢৌ



## অনুক্ৰমণিকাঃ


- গোৱালপৰীয়া লোকগীতত হাতী, মাহুত আৰু ফান্দী
  - ভানু বেজবৰা কলিতা / ০১
- বৈজ্ঞানিক পৰ্যবেক্ষণ সম্পৰ্কত যৎকিঞ্চিৎ
  - থানেশ্বৰ শৰ্মা / ০৪
- ব্ৰেইন ড্ৰেইন - ইয়ো এক কাগজৰ বাঘ নে ?
  - ছেলিমুল ইছলাম / ০৭
- বন্যপ্ৰাণীঃ সুৰক্ষা, আইন আৰু সচেতনতাৰ প্ৰশ্ন
  - উৎপলপৰ্ণা ভৰদ্বাজ / ০৯
- মহাকাশত গামা ৰশ্মি
  - উপেন্দ্ৰ নাথ দেৱশৰ্মা / ১১
- মাৰ্কাৰী আৰু পৰিবেশ প্ৰদূষণ
  - নৰজ্যোতি শৰ্মা / ১৩
- বিজ্ঞান আৰু সৰু পৰীক্ষা ডাঙৰ মজা
  - বসন্ত বিৰাজ দাস / ১৫
- সঙ্গীতৰ ভাষা
  - জয়শ্ৰী দেৱী / ১৭

চিন্তাৰ ঢৌ

# গোৱালপৰীয়া লোকগীতত হাতী, মাহুত আৰু ফান্দী

• ভানু বেজবৰা কলিতা
প্ৰবক্তা, অসমীয়া বিভাগ

লোকগীত পুৰণি মৌখিক সাহিত্য। লিপিৰ আৱিস্কাৰৰ পূৰ্বে মানুহে গীত ৰচিছিল আৰু মুখে মুখে গাই ফুৰিছিল। পিছত ইজনৰ পৰা সিজনলৈ ইপুৰুষৰ পৰা সিপুৰুষলৈ সেইবোৰ মুখ বাগৰি জনসমাজত প্ৰচলিত হৈছিল। এইদৰে পুৰুষানুক্ৰমে চলি অহা মৌখিক গীতবোৰে সমাজত লোকগীতৰূপে পৰিচিত হ'ল আৰু সময়ত লোকসাহিত্যৰ কোলা অলংকৃত কৰিলে।

লোক সাহিত্যৰ অন্যতম প্ৰধান অংগ লোকগীত যুগজয়ী, কালজয়ী। যুগৰ বিবৰ্তনত আধুনিকতাৰ প্ৰভাৱত এইবোৰৰ ৰূপান্তৰ ঘটিলেও সৌন্দৰ্য্য কিন্তু অটুট আছে। ইয়াৰ মূল কাৰণ হয়তো এইয়ে যে জনগণৰ বিভিন্ন দিশ এইবোৰৰ মাজত উজ্জীৱিত হৈছে। জনসাধাৰণৰ আশা, আকাঙ্খা, হৰ্য-বিষাদ, বিৰহ-কাতৰ, দুখ-বেদনাকে ধৰি লোকসমাজৰ আৰ্থিক, সামাজিক, ধাৰ্মিক, আধ্যাত্মিক, লৌকিক, মনস্তাত্বিক আদি আটাইবোৰ দিশে এইবোৰৰ মাজত উন্মোচিত হৈছে। লোক জীৱনৰ জীৱন্ত প্ৰতিভু এই লোকগীতবোৰ।

ভাৰতৰ পূৱ-প্ৰান্তত অৱস্থিত অসম প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ। ভৌগোলিক অৱস্থানে অসমক ৰত্নগৰ্ভা হিচাপে চিনাকি দিয়াইছে। হাবি-বননিয়ে, পাহাৰে-পৰ্বতেৰে, নদীয়ে- নলায়ে অসমান --- এই অসম বনজ সম্পদেৰে পৰিপূৰ্ণ। অসমৰ বনজ সম্পদৰ গড়ৰ পিছতে দ্বিতীয় মূল্যবান বস্তু হ'ল --- 'হাতী'। মুক্ত আকাশৰ তলত অগাধ অটব্য অৰণ্যাদিৰ মাজত জাকপাতি বিচৰণ কৰা এই দুৰ্দান্ত জন্তুও কিন্তু ক্ষুদ্ৰাকায় মানুহৰ বশ হোৱা দেখা যায়।

মানৱ সমাজৰ ক্ৰমবিকাশৰ ফলত সামাজিক ন্যায় আৰু শান্তিপ্ৰতিষ্ঠা তথা প্ৰগতিৰ খাতিৰত সমাজত ৰাজন্যবৰ্গৰ প্ৰতিষ্ঠা হোৱাৰ লগে লগে বিভিন্ন শ্ৰেণীৰ কৰ্মজীৱী লোকৰো সৃষ্টি হ'ল। অগাধ অৰণ্যৰ মূল্যৱান শক্তিশালী আৰু উপকাৰী জন্তুক ধৰি আনি ঘৰচীয়া কৰিবলৈ তথা ভৰণ পোষণ দিবলৈ সমাজত দুটা বেলেগ শ্ৰেনীৰ কৰ্মজীৱী লোকৰ সৃষ্টি হ'ল --- 'মাহুত আৰু ফান্দী'।

ফান্দীয়ে ফান্দ পাতি হাতী ধৰে, বশ কৰে। মাহুতে ভৰণ-পোষণ কৰে আৰু প্ৰশিক্ষণ দি চিকাৰী কৰি গঢ়ি তোলে। ইয়াৰ পৰা শাসক শ্ৰেণীটোহে বেছি লাভৱান হৈছিল। মাহুত-ফান্দী বিশেষ লাভবান হোৱা নাছিল, মাথোন কৰ্ম সংস্থান এটাহে পাইছিল। কিন্তু শাসক শ্ৰেণী লাভৱান হৈছিল মোটামুটি পাঁচ প্ৰকাৰে ----- ক) মৃগয়াৰ ক্ষেত্ৰত, খ) পৰিবহনৰ ক্ষেত্ৰত, গ) ৰণ বিগ্ৰহৰ ক্ষেত্ৰত, ঘ) শিল্পৰ ক্ষেত্ৰত, ঙ) অৰ্থনৈতিক ক্ষেত্ৰত।

ৰাজন্যবৰ্গৰ এই পাঁচদফীয়া উন্নতিৰ ক্ষেত্ৰত হাতীৰ যোগান ধৰা মাহুত-ফান্দীৰ জীৱন কিন্তু স্বাধীন নহয়, পৰাধীন হে। তেওঁলোকৰ এই জীৱন সুন্দৰকৈ প্ৰতিফলিত হৈছে লোক সাহিত্যত। বিশেষকৈ গোৱালপৰীয়া লোকগীত এই ক্ষেত্ৰত বিশেষ সজীৱ। গোৱালপৰীয়া লোকসাহিত্যৰ কিছুমান গীতৰ কথা এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। এই শ্ৰেণীৰ গীত সমূহ হাতী, মাহুত আৰু ফান্দীক কেন্দ্ৰ কৰিয়েই ৰচিত হৈছে। গোৱালপৰীয়া লোকগীতৰ মৈষাল, মাউত, ফান্দীক কেন্দ্ৰ কৰি 'ভাৱাইয়া' শ্ৰেণীৰ গীতবোৰ সুৰ আৰু লয়ৰ ওপৰত নিৰ্ভৰ কৰি গোৱা সমন্বয়ধৰ্মী, ভাৱযুক্ত গীত। এই শ্ৰেণীৰ সৰহভাগেই লিৰিকধৰ্মী প্ৰেম আৰু আসক্তিৰে পৰিপূৰ্ণ কৰুণ ৰস প্ৰধান। গোৱালপৰীয়া লোকসাহিত্যৰ এই শ্ৰেণীৰ গীত সমূহলৈ মনোনিৱেশ কৰিলে দেখা যায় যে -- এইবোৰ গীতৰ এভাগত মাহুত ফান্দীক কেন্দ্ৰ কৰি নাৰী হৃদয়ৰ ভয়, শংকা, উৎকণ্ঠা, উদ্বিগ্নতা, বিৰহ-বিচ্ছেদ তথা বিলাপ বিননিয়ে জুমুৰি দি ধৰিছে আৰু আন ভাগত মাহুত ফান্দীৰ হৃদয়ৰ অনুৰূপ ভাবানুভূতিৰ

বৰ্ণনাও বৰ্ণাঢ্যভাৱে প্ৰতিফলিত হৈছে। সেইফালৰ পৰা বিচাৰ কৰি চালে বিহুগীত, বনগীতৰ দৰে ইয়ো এবিধ প্ৰেমৰ গীত, ইয়াৰ প্ৰধান ৰস শৃংগাৰ অথবা কৰুণ। এইবোৰ গীতত ঘাইকৈ মিলনৰ তীব্ৰ আকাংক্ষা অথবা বিচ্ছেদৰ বুকুফুটা হা-হুমুনিয়াহ হৃদয়স্পৰ্শী ৰূপত ধ্বনিত হৈছে। এই শ্ৰেণীৰ গীত সমূহ কেৱলমাত্ৰ প্ৰেমিক-প্ৰেমিকা নাইবা স্বামী-স্ত্ৰীৰ বিলাপ বিননিৰ বাদে আন একো নহয়।

মুক্ত আকাশৰ তলত অগাধ অটব্য অৰণ্যৰ মাজত মুকলি মনেৰে বিচৰণ কৰি ঘুৰি ফুৰা দুৰ্দান্ত বনৰীয়া 'গজৰাজ হস্তী'ক ফান্দত পেলাই ধৰি পেলোৱা আৰু তাৰ পিছত বশ্যতা স্বীকাৰ কৰোৱা মাথো ভীষণ কষ্ট সাধ্যয়েই নহয়, অত্যন্ত বিপদ সঙ্কুলো। সেয়ে মাহুত ফান্দীয়ে যেতিয়া ৰাজন্যবৰ্গৰ আদেশত হস্তী চিকাৰলৈ ওলায়, তেতিয়া মাহুত ফান্দী আৰু তেওঁলোকৰ আত্মীয়-স্বজন তথা নিজৰ অতি আপোনজনৰ ভগ্ন হৃদয়ৰ মৰ্মান্তিক অৱস্থাৰ নিখুঁত ছবি লোকগীতত চহাকবিয়ে প্ৰাণ স্পৰ্শীৰূপত অংকন কৰিছে—

"অ মোৰ দান্তাল হাতীৰ মাহুত ৰে
যেইদিন মাহুত চিকাৰে যায়,
নাৰীৰ মন মোৰ ঝৰিয়া ৰয় ৰে।"

মাহুত ফান্দীক কেন্দ্ৰ কৰি গোৱা গোৱালপৰীয়া লোকগীতৰ মাজত নাৰী মনৰ হা-হুমুনিয়াহ,বিৰহ-কাতৰতা অংকিত হৈছে। প্ৰেমাসক্তা নাৰীয়ে নৈৰ পাৰে পাৰে হাতীৰ পিঠিত উঠি ফুৰা তেজাল যুৱকক দেখি মোহিত হৈ যুৱক অৰ্থাৎ মাউতৰ প্ৰতি আকৃষ্ট হৈ পৰিছে। প্ৰেমৰ উদ্ৰেকত চঞ্চলা হৈ পৰা যুৱতীয়ে মাউতক এৰি থাকিব নোৱাৰে। কৰ্তব্যৰ তাড়নাত হাতীলৈ দূৰলৈ যাবলৈ ওলোৱা তেনে মাউতৰ সৈতে পুনৰ মিলনত সন্দেহৰ ভাৱ জাগিছে যুৱতীৰ আকুল প্ৰাণত। সেয়ে মনৰ গোপন কোণৰ পৰা নিগৰি ওলোৱা এইষাৰি গীতৰ কথাৰে প্ৰেমাকুলা যুৱতী গৰাকীয়ে মাউতক প্ৰশ্ন কৰিছে —

"তোমৰা গেইলে কি আসিৱেন
মোৰ মাহুত বন্ধুৰে ?"

হাতী চিকাৰত দীৰ্ঘদিন নানা কষ্টৰ মাজেৰে মাউত ফান্দীয়ে ঘৰৰ পৰা আঁতৰ হৈ থাকিব লগীয়া হোৱাত স্বামী বা প্ৰেমিকৰ বিৰহত নাৰীৰ হৃদয়ত মৰ্মান্তিক বিৰহৰ জ্বালা তীব্ৰতৰ হৈ উঠে তেতিয়া তিলে তিলে দগ্ধ হোৱা যন্ত্ৰণাময় নাৰী হৃদয়ক স্পষ্ট প্ৰতিফলন গীতৰ কথাত এনেদৰে মূৰ্ত হয় —

"হাতীৰ পিঠিত চৰিয়াৰে মাহুত
হাতীৰ মায়া জান।
অ' ৰে নাৰীৰ মনেৰ কথা
কিবা তোম্‌ৰা জান ৰে।"

এই শ্ৰেণীৰ লোক গীতবোৰত যে প্ৰিয় বিৰহত কাতৰ নাৰী মনৰ কৰুণ বিননিয়ে মাথো স্থান পাইছে তেনে নহয়, মৰমী প্ৰিয়াৰ সান্নিধ্যৰ পৰা আঁতৰি গৈ বিপদ সংকুল অনিশ্চিত জীৱন যাত্ৰাত আগবাঢ়ি যাবলগীয়া হোৱাত পুৰুষৰ ভগ্ন হৃদয়ৰ কৰুণ বিননিও ধ্বনিত হৈছে —

"মাৰক ছাৰিলুং বাপেক ছাৰিলুং
ছাৰিলুং বাপেৰ বাড়ি,
গোৱালপাৰাত ছাৰিয়া আহিলুং
অল্প বয়সেৰ নাৰী।"

হাতী চিকাৰলৈ যোৱাৰ প্ৰাক্কালত মাহুত ফান্দীয়ে যিবোৰ প্ৰয়োজনীয় সা-সজুলি লৈ যাবলগীয়া হয়, তাৰো চমু বৰ্ণনা দিয়া হৈছে গীত সমূহত —

"ফান্দ নিলুং ফ্যাড়াৰ নিলুং
আৰ নিলুং হাড়ী
মাহুত ফান্দী যুক্তি কৰিয়া
ওলাইল চিকাৰ বাৰী।"

কোনো লক্ষ্যত উপনীত হোৱা বা উদ্দেশ্য সফলকাম হোৱা অথবা কোনো সংগ্ৰামত জয়ী হোৱাৰ যি সীমাহীন প্ৰশান্তি, সেই আনন্দ প্ৰশান্তিৰ উল্লাস ধ্বনিও প্ৰতিধ্বনিত হৈছে। ফান্দীৰ উদ্দেশ্য সিদ্ধি হোৱাত অৰ্থাৎ চিকাৰত বন্যহাতীক ফান্দত পেলাই ধৰি পেলোৱাত ফান্দীৰ অন্তৰত যি আনন্দৰ লহৰ উঠিছে — হিয়াৰ সুৰৰ সেই ঢৌয়ে ধোঁৱাই নিছে দুখ-যাতনা, ফলত নীৰব-নিস্তব্ধ অৰণ্য হৈ পৰিছে মুখৰ —

"আগৰি পিচৰি হস্তীক
ফেলাইলুং বান্ধিয়া
হৰি নামৰ নাম নিয়া
বসিলুং ভিৰিয়া।"



কিন্তু এই বিজয়েই শেষ নহয়। হাতীক ধৰিলেও হাতীক বশ কৰিব পৰা হোৱা নাই, সেয়ে মনত গভীৰ দুখ। হাতীক বশ কৰিবলৈ ফান্দীয়ে নানা চল চাতুৰীৰ উপৰিও তোষামোদো কৰিব লগীয়া হয় —

"অ মোৰ হস্তীৰ কন্যা ৰে
খানিক দয়া নাই তোৰ
মাহুতক লাগিয়া ৰে।"

ইয়াৰ উপৰিও মাহুতৰ আবেগ উদ্বেলিত অন্তৰৰ সকলো চিন্তা ভাৱনা,ভয়-শংকা লোক গীতত ধ্বনিত হৈছে। অকল সেয়ে নহয় নিজৰ পৰিচয় সম্বন্ধেও লোকগীতত প্ৰেমিক মাহুতে প্ৰিয়তমাক, সকলো বৃত্তান্ত জনাইছে —

" হস্তী নৰাং হস্তী চৰাং
হস্তীৰ পাৱে বেড়ী,
ঐ' ৰে সত্য কৰিয়া কইলাম কণ্যা
গৌৰীপুৰে বাড়ী।"

এনেদৰে দেখা যায় যে গোৱালপৰীয়া লোকগীতত হাতী মাহুত আৰু ফান্দীৰ বৰ্ণনা অধিক ভাৱে বৰ্ণিত হৈছে। যাৰ বৰ্ণনাই লোকগীত সমূহ জনসাধাৰণৰ একেবাৰে কাষ চপাই আনিছে আৰু লগে লগে মাহুত -ফান্দীৰ জীৱনৰ চিত্ৰ পৰিস্ফুট হৈ পৰিছে। ■

সাহিত্যৰ তিনিটা স্তৰ। উপলব্ধি, অনুভূতি আৰু ভাব প্ৰকাশ। কিছুমান শব্দৰ সমষ্টিয়ে ভাষা নহয় শব্দৰ লগত এটা সচেতন চিন্তা নিহিত থাকে। ইন্দ্ৰিয়ৰ সহায়ত উপলব্ধি কৰিব পৰা অনুভূতিবিলাকৰ শব্দময় অভিব্যক্তিয়ে ভাষা। মানুহৰ সচেতন চিন্তাধাৰাক ভাষাই পৰিচালিত কৰি সাহিত্য সৃষ্টি কৰে।

— ৰঘুনাথ চৌধাৰী

" আমাৰ সমালোচকসকলৰ আগত সমস্যা, ডাঙৰ সমস্যা - তেওঁলোকে জানে ভাৰতীয় মনোভাৱৰ সম্পূৰ্ণ অৱৰক্ষণ আৰু পাশ্চাত্য সংস্কাৰ সম্পূৰ্ণ বৰ্জ্জন এই দুয়োটাই সম্ভৱ নহয়। কিয়নো ইংৰাজী প্ৰভাৱত গঢ়ি উঠা আমাৰ আধুনিক সাহিত্যৰ মাজত যি চিন্তাধাৰাৰ প্ৰবাহ আছে তাৰ লগত সঙ্গতি ৰক্ষা কৰিয়েহে গঢ়ি উঠিব নতুন যুগৰ সাহিত্য। মৌলিক দৃষ্টিভঙ্গীৰ প্ৰতিফলন হলে এনে সাহিত্য হ'ব দেশীয় বৈশিষ্ট্যৰে সমৃদ্ধ। এই বৈশিষ্ট্যৰ সন্ধানৰ কাৰণে সমালোচকেও ল'ব লাগিব এক মৌলিক দৃষ্টিভঙ্গী। এনে এটি দৃষ্টিভঙ্গীৰ মাজেদি পৃথিৱীৰ সাহিত্যৰ অধ্যয়ন আৰু আলোচনাৰ ফলত আৱিস্কৃত হব নতুন ভাব আৰু প্ৰকাশিত হব নতুন সৌন্দৰ্য্য।

— ত্ৰৈলোক্য নাথ গোস্বামী

চিন্তাৰ ঢৌ

# বৈজ্ঞানিক পৰ্যবেক্ষণ সম্পৰ্কত যৎকিঞ্চিৎ

• থানেশ্বৰ শৰ্মা
মূৰব্বী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ

১৯৫৮ চনতে ভাৰতবৰ্ষই বিজ্ঞান নীতি (Science Policy Resolution, 1958) আৰু ১৯৮২ চনত প্ৰযুক্তি বিজ্ঞান নীতি (Tecnology Policy Statement,1982) ঘোষনা কৰিছে। বৰ্ত্তমান ভাৰত বৰ্যত অন্য বহুতো উন্নত ৰাষ্ট্ৰত থকাতকৈও বেচি সংখ্যক বিজ্ঞানী আৰু প্ৰযুক্তিবিদ আছে। ভাৰতত থকা গৱেষনা প্ৰতিষ্ঠান সমূহত গৱেষণা কৰি প্ৰকাশ কৰা গৱেষণা পত্ৰৰ সংখ্যা পৃথিৱীৰ ভিতৰতে লেখত লব লগা। ভাৰতত থলুৱা ভাৱে কৃত্ৰিম উপগ্ৰহ, পাৰমানবিক ৰিএক্টৰ, ক্ষেপনাস্ত্ৰ আৰু অন্য অস্ত্ৰ শস্ত্ৰ তথা যন্ত্ৰপাতি তৈয়াৰ হৈছে। অৰ্থাৎ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত ভাৰতৰ সাফল্য নিসন্দেহে উল্লেখযোগ্য। কিন্তু ভাৰতৰ গৰিষ্ঠ সংখ্যক জনসাধাৰণৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰিলে যি ছবি প্ৰকট হৈ উঠে সি আশাপ্ৰদ নহয়। মুষ্টিমেয় সংখ্যক ভাৰতীয়ক বাদ দি যদি আমি বৃহৎ ভাৰতীয় সমাজৰ জীৱনকাল, দৰিদ্ৰতা, নিৰক্ষৰতা আৰু সংস্থানহীনতাৰ পটভূমিত বিচাৰ কৰো তেন্তে এই উন্নত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱ নিশ্চয়কৈ দেখা নাপাওঁ।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত উন্নতি লাভ কৰিও ভাৰতবৰ্ষই আজিলৈকে কিয় এক উন্নত সমাজ ব্যৱস্থা গঢ়ি তুলিব নোৱাৰিলে ? এই প্ৰশ্নৰ উত্তৰ যদিও একে আষাৰে দিব নোৱাৰি তথাপিও এটা কথা ঠিক যে এই দুখজনক অৱস্থাৰ বাবে প্ৰধানকৈ দায়ী আমাৰ বিজ্ঞান মানসিকতা আৰু অনুসন্ধিৎসাৰ অভাৱ। এইখিনিতে উল্লেখ্য যে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মূলতঃ পশ্চিমীয়া দেশ সমূহৰ উদ্ভাৱন আৰু আজি আমি বিজ্ঞান বুলিলে যি বুজি পাওঁ তাৰ আৰম্ভণী হৈছিল ১৭ শ শতিকাত ইউৰোপত। তিনিটা শতিকা ধৰি ইউৰোপত বিজ্ঞান মানসিকতা গঢ় লৈ উঠিছিল। বিভিন্ন কাৰণত ইউৰোপীয় নৱজাগৰণৰ লেখীয়া নৱজাগৰণ ভাৰতত স্বাধীনোত্তৰ কালতো নঘটিল। আধুনিক প্ৰযুক্তিবিদ্যাৰ আৰম্ভণী ভাৰতত বৃটিছ সকলে নিজৰ ঔপনিবেশিক স্বাৰ্থৰক্ষাৰ বাবেই কৰিছিল। কিন্তু ই আছিল ভাৰতীয় জনগণৰ আশা আকাংখ্যাৰ প্ৰতি তেনেই উদাসীন। ভাৰতীয় বিজ্ঞানৰ এই ঔপনিবেশিক চৰিত্ৰ কিছু পৰিমানে হলেও স্বাধীনতাৰ পাছতো প্ৰত্যক্ষ হয়।

বিজ্ঞান মানসিকতা মানেনো কি ? ইয়াৰ পোনপটীয়া উত্তৰ দিয়া কঠিন। মানুহৰ আৰু অন্যজীৱৰ মাজৰ প্ৰধান পাৰ্থক্য হ'ল মানুহৰ চিন্তাশক্তি আছে কিন্তু অন্য জীৱ-জন্তুৰ নাই। মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ইতিহাস মেলি চালে দেখা যাব যে ইয়াৰ মূলতে আছে মানুহৰ চিন্তা শক্তি। কিন্তু মানুহৰ মন এনে এক বিচিত্ৰ বস্তু যে ই নিয়ন্ত্ৰণহীন ঘোঁৰাৰ দৰে - আন্ধাৰ-পোহৰ, স্বৰ্গ-মৰ্ত্ত্য-পাতাল, সত্যৰ মন্দিৰ আৰু অসত্যৰ অটল গহ্বৰ সকলোতে অবাধ বিচৰণ কৰিব পাৰে। সভ্যতাৰ ক্ৰমবিকাশত ইয়াৰ ভিতৰৰ উপযুক্ত আৰু সুসংহত চিন্তা সমূহেহে অৰিহনা যোগায়। বিজ্ঞান মানসিকতা বা বিজ্ঞান সন্মত চিন্তাধাৰা হ'ল এনে এক প্ৰকাৰৰ বিশেষ উপযুক্ত চিন্তা যি প্ৰকৃতিত ঘটি থকা আৰু আমি চকুৰে দেখা বা অনুভৱ কৰিব পৰা পৰিঘটনা সমূহৰ কাৰণ সম্বন্ধে যুক্তিৰে সৈতে বিচাৰ কৰিবলৈ শিকায়। এই মানসিকতাৰ প্ৰধান লক্ষণ হ'ল প্ৰতিটো ঘটনাৰে একোটা নিদিৰ্ষ্ট কাৰণ থাকিবই লাগিব বুলি মানি লোৱাটো। প্ৰকৃতিত ঘটি থকা সকলোবোৰ ঘটনাৰ কাৰণ মানুহে উদ্‌ঘাটন কৰিব নোৱাৰিব পাৰে; কিন্তু উদ্‌ঘাটন কৰিবলৈ কৰা চেষ্টা এক নিৰ্দ্দিষ্ট পথেৰে গতি কৰিব লাগিব। এই নিৰ্দ্দিষ্ট পথকে আমি বিজ্ঞান সন্মত পদ্ধতি বা বৈজ্ঞানিক পদ্ধতি বুলিব পাৰো। এটা পৰিঘটনা প্ৰথমে পৰ্য্যবেক্ষণ কৰা, তাৰ পাছত ইয়াক বিশ্লেষণ কৰি তাৰ কাৰণ সম্বন্ধে এক সম্ভৱপৰ প্ৰকল্প থিয় কৰোৱা আৰু সম্ভৱপৰ পৰীক্ষা-নিৰীক্ষাৰ যোগেদি সেই প্ৰকল্পৰ যথাৰ্থতা প্ৰমান কৰি এটা তত্ত্বত উপনীত হোৱা — মূলতঃ ইয়ে হৈছে এই পথ। কোনো ঘটনাৰ কাৰণ দেখাত তেনেই সহজ আৰু পোনপটীয়া যেন লাগিলেও বা সেই ঘটনাৰ কোনো ধৰ্মীয় বা পৰম্পৰাগত ব্যাখ্যা থাকিলেও যি পৰ্য্যন্ত পৰীক্ষা নিৰীক্ষাৰ দ্বাৰা সেই ব্যাখ্যা সমৰ্থিত নহয় সেই পৰ্য্যন্ত স্থিৰ সিদ্ধান্তত উপনীত নোহোৱাটো বিজ্ঞান মানসিকতাৰ আন এটা লক্ষণ।

এটা উদাহৰণ লোৱা যাওক। কিছুদিন আগতে মৰিগাওঁ জিলাৰ বঘৰা নামৰ ঠাইত টিংকু ডেকা নামৰ এক কিশোৰে ভগৱান বিষ্ণুপ্ৰদত্ত আৰু স্বপ্নপ্ৰাপ্ত (?) সৰ্বৰোগনাশকাৰী এক ঔষধ বিতৰণ কৰি সমগ্ৰ অসমতে তোলপাৰ লগাইছিল। এই ঔষধ আছিল এক বিশেষ গছৰ ঠাল আৰু ইয়াক খাব নালাগে, লগত ৰাখিলেই বেমাৰ ভাল হয় ! কিন্তু ই ঔষধৰ কাম কৰে শ্ৰীমান টিংকুৱে ইয়াক স্পৰ্শ কৰিলেহে ! এই ঔষধ ব্যৱহাৰ কৰি বিভিন্ন দুৰাৰোগ্য ব্যাধি (যি বোৰ ইতিমধ্যে বহু ডাক্তৰী চিকিৎসা কৰিও ভাল হোৱা নাই) ভাল হোৱাৰ খবৰ ওলাল। এই ঔষধ লাভৰ বাবে উচ্চ শিক্ষিত মানুহৰ পৰা আৰম্ভ কৰি সাধাৰণ মানুহলৈকে সকলোৱে যেনেদৰে টিংকুৰ ওচৰত ভিৰ কৰিলেগৈ তাৰ পৰাই আমাৰ জনসাধাৰণৰ বিজ্ঞান মানসিকতাৰ দৈন্যতা ওলাই পৰে। যি কোনো বিজ্ঞান মানসিকতাযুক্ত লোকে এই ঘটনাৰ বিষয়ে এনেদৰে চিন্তা কৰিব লাগিছিল যিটো টিংকুৰ ওচৰলৈ যোৱা সকলে কৰা নাই।

১) টিংকুৱে কিয় ঔষধ দিব লগা হ'ল, তেওঁ কেনেদৰে ঔষধ দিছে, কি ঔষধ দিছে, কি কি ৰোগৰ বাবে দিছে আৰু সেই ঔষধ ব্যৱহাৰ কৰাৰ পিছত ব্যৱহাৰকাৰীৰ ৰোগৰ প্ৰকৃত অৱস্থা কেনে হ'ল — ইয়ে হ'ল পৰ্যবেক্ষণ।

২) যিহেতু সকলো ঘটনাৰ এক কাৰণ থাকিবই লাগিব, গতিকে যদিহে সঁচাকৈয়ে এই ঔষধে ৰোগ ভাল কৰিব পাৰিছে তেন্তে নিশ্চয় গছৰ ঠালটোত এনে কিবা ৰাসায়নিক পদাৰ্থ আছে যাৰ ঔষধি গুণ আছে আৰু ই কাৰ্য্যক্ষম হয় এক বিশেষ ব্যক্তিৰ (এই ক্ষেত্ৰত টিংকুৰ) স্পৰ্শত। ৰসায়ন বিজ্ঞানত মানুহৰ স্পৰ্শত বিশেষ ধৰ্ম লাভ কৰা দ্ৰব্যৰ বিষয়ে এতিয়ালৈকে একো জনা নাযায়। তদুপৰি ঔষধ নোখোৱাকৈ অকল লগত ৰাখিলেই ৰোগ ভাল হয়নে নহয় সেই বিষয়েও যথেষ্ট পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন। গতিকে প্ৰচলিত বিজ্ঞানৰ ধাৰণাৰে এক প্ৰকল্প থিয় কৰোৱা নিতান্তই দুৰূহ।

৩) এক বিশেষ গছত থকা এক বা একাধিক ৰাসায়নিক পদাৰ্থৰ সকলো ৰোগ নিৰাময় কৰাৰ গুণ আছেনে নাই এই বিষয়ে বিস্তৃত গৱেষণাৰ প্ৰয়োজন। বৰ্ত্তমান অৱস্থাত প্ৰতিষ্ঠিত সত্যটো হ'ল বেলেগ বেলেগ ৰোগৰ কাৰণ বেলেগ বেলেগ; গতিকেই নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা দৰবো বেলেগ বেলেগ। টিংকু পৰিঘটনাৰ আটাইতকৈ আশ্চৰ্য্যজনক অংশটো হ'ল তেওঁ চুই দিলেহে ঔষধে কাম কৰাটো। ই এক অতি প্ৰাকৃতিক পৰিঘটনা আৰু ইয়াৰ ব্যাখ্যা আধুনিক বিজ্ঞানে এতিয়ালৈকে দিব পৰা নাই। যি পৰ্য্যন্ত বিজ্ঞানৰ উন্নতি ঘটাই এই ঘটনাৰ ব্যাখ্যা দিব নোৱাৰি সেই পৰ্য্যন্ত ইয়াক বিশ্বাস কৰাত বিজ্ঞান মানসিকতাই আমাক বাধা দিয়া উচিত।

জাতীয় জীৱনত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ৰমবৰ্দ্ধমান প্ৰয়োজনলৈ লক্ষ্য ৰাখি বৰ্ত্তমান ভাৰত তথা অসমত প্ৰাথমিক পৰ্য্যায়ৰ পৰাই বিজ্ঞান শিক্ষা বাধ্যতামূলক কৰা হৈছে। কিন্তু পৰিকল্পনাৰ অভাৱত বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে যদিও তেওঁলোকৰ মাজত আশাকৰা মতে বিজ্ঞান মানসিকতা গঢ় লৈ উঠা নাই। এই ক্ষেত্ৰত পাঠ্যপুথি আৰু বিজ্ঞান শিক্ষক সকলৰ গুৰুত্ব অপৰিসীম। বিজ্ঞান শিক্ষা বাধ্যতামূলক কৰি প্ৰতিখন বিদ্যালয়তে এজনকৈ বিজ্ঞানৰ স্নাতক বা উচ্চতৰ মাধ্যমিক (বিজ্ঞান) উত্তীৰ্ণ লোক নিযুক্তি দিলেই সকলো সমস্যাৰ সমাধান হৈ নাযায়। কণ কণ ল'ৰা-ছোৱালীক যেতিয়া শিকাব লগা হয় তেতিয়া বিজ্ঞান এক জটিল বিষয়। এই জটিল বিষয় এই সকল ছাত্ৰ-ছাত্ৰীৰ মানসিকতাৰ উপযোগীকৈ শিকাব পৰা সহজাত ক্ষমতা সকলো শিক্ষক শিক্ষয়িত্ৰীৰে থাকিব এই আশা কৰা ভুল হ'ব। ইয়াৰ বাবে আৱশ্যক যথাযথ প্ৰশিক্ষণ আৰু অনুশীলনৰ। এইসকল ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞানৰ পৰীক্ষা নিৰীক্ষাবোৰ কৰি আমোদ পায় আৰু ইয়াৰ দ্বাৰা বিজ্ঞানৰ কথাবোৰ হৃদয়ঙ্গম কৰাটো সুবিধা হয়। পৰীক্ষা ভিত্তিক বিজ্ঞান শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলক বৈজ্ঞানিক পদ্ধতি শিকাত আৰু বিজ্ঞান মানসিকতা গঢ়ি উঠাত সহায় কৰে।

প্ৰকৃতিৰ ৰহস্য উদ্‌ঘাটনৰ মানৱজাতিৰ যি চিৰন্তন হাবিয়াস তাক লৈয়ে আৰম্ভ হৈছে বিজ্ঞান। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান মানসিকতা গঢ় দিবলৈ হ'লে প্ৰকৃতি পৰ্য্যবেক্ষণ অপৰিহাৰ্য্য। বিদ্যালয়লৈ যোৱাৰ বহু আগৰ পৰাই এজন শিশুৰ আচৰণ এজন বিজ্ঞানীৰ দৰেই হয়। বিজ্ঞানীৰ দৰেই তেওঁ প্ৰতিটো দেখা পোৱা কাৰ্য্যৰ কাৰণ বিচাৰে। শিশুৰ এই জন্মগত বৈজ্ঞানিক মনোবৃত্তি যতনেৰে আপডাল কৰি বিকাশ ঘটোৱাটো প্ৰতিজন শিক্ষক আৰু অভিভাৱকৰে কৰ্ত্তব্য। বিজ্ঞান শিকিবলৈ গৈ শিশুসকলৰ মনত বিস্ময়বোধ সৃষ্টি কৰিব পাৰিলেই আমাৰ কাম বহুত সহজ হৈ পৰে। কাৰণ বিস্ময়ে

সৃষ্টি কৰে কৌতুহল আৰু কৌতুহলৰে অন্য এক ৰূপ অনুসন্ধিৎসা। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে প্ৰতিটো শিশুৱেই এসময়ত একোজন বিখ্যাত বিজ্ঞানী হ'ব। কেৱল উপযুক্ত পৰিবেশত বিজ্ঞান শিক্ষা লাভৰ সুবিধা পালে আমাৰ ভৱিষ্যত প্ৰজন্মৰ মাজত বিজ্ঞান মানসিকতা গঢ় লৈ উঠিব।

বিজ্ঞানৰ শিক্ষক সকলে শ্ৰেণীকোঠাত এক মুক্ত ভয়হীন আৰু সহজ বাতাবৰণ সৃষ্টি কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলক এক বিশেষ শিক্ষা দিব লাগিব। ই হ'ল তেওঁলোকক সন্দেহ কৰিবলৈ শিকাব লাগিব। শিক্ষকে তেনেদৰে কৈছে বাবেই বা পাঠ্যপুথিত তেনেদৰে লিখা আছে বাবেই এটা কথা সত্য হ'ব এনে ধাৰণা ছাত্ৰ-ছাত্ৰী সকলৰ মনৰ পৰা আঁতৰাব লাগিব। অৱশ্যে এনে সন্দেহ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিব। এনে ধৰণৰ প্ৰতিষ্ঠিত মতবাদক অবিশ্বাস কৰি যুক্তি নিষ্ঠ বিচাৰৰ দ্বাৰা নতুন সত্য উদ্ঘাটনৰ অলেখ উদাহৰণ বিজ্ঞানৰ অগ্ৰগতিৰ ইতিহাসত পোৱা যায়।

আমাৰ বৰ্ত্তমান শিক্ষা ব্যৱস্থাত জ্ঞান লাভ কৰাতকৈ পৰীক্ষাত বেছি নম্বৰ পোৱাটো বেছি গুৰুত্বপূৰ্ণ। ইয়াৰ ফলত বিজ্ঞান শিক্ষাৰ জৰিয়তে বিজ্ঞান মানসিকতা গঢ়ি উঠিব বুলি যি আশা কৰা হৈছিল সি সফল নহয়। বিজ্ঞানৰ মৌলিক তত্ত্ব সমূহ হৃদয়ংগম নকৰাকৈয়ে বহু ছাত্ৰ-ছাত্ৰীয়ে যান্ত্ৰিক ভাবে উচ্চ নম্বৰ লৈ উত্তীৰ্ণ হৈ যায়। ফলত সমাজে লাভ কৰে এজন বিজ্ঞান শিক্ষাৰে উচ্চ শিক্ষিত কিন্তু বিজ্ঞান মানসিকতাহীন ব্যক্তি যাৰ মন অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ পৰা মুক্ত নহয়।

বিজ্ঞান আৰু প্ৰযুক্তিৰ বিভিন্ন ক্ষেত্ৰত মানুহে লাভ কৰা সাফল্যই মানৱজাতিৰ সামগ্ৰিক উন্নতি সাধন কৰিছে। কিন্তু কেৱল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ব্যাপক প্ৰয়োগেই বিজ্ঞান মানসিকতাৰ সৃষ্টি কেতিয়াও কৰিব নোৱাৰে। যেতিয়ালৈকে আমি বিজ্ঞানৰ অৰ্ন্তনিহিত যুক্তি, প্ৰণালীবদ্ধ চিন্তা, নিৰপেক্ষ বিশ্লেষণ আৰু প্ৰমাণসিদ্ধ সিদ্ধান্তৰ গুৰুত্ব উপলব্ধি কৰিব নোৱাৰো তেতিয়ালৈকে বিজ্ঞান মানসিকতা গঢ় লৈ নুঠে। এই মানসিকতা অবিহনে যি কোনো ঘটনাৰ যুক্তিবাদী বিশ্লেষণ সম্ভৱ নহয় আৰু অন্ধ বিশ্বাস আৰু কুসংস্কাৰৰ জন্ম হয়। কুৰি শতিকাৰ আৰম্ভণীৰ পৰা ভাৰতবৰ্ষতো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে মানুহৰ জীৱনধাৰণৰ মানৰ গুণগত পৰিবৰ্ত্তন সাধন কৰিছে। কিন্তু এই পৰিবৰ্ত্তনৰ লগত সংগতি ৰাখি বিজ্ঞান মানসিকতাৰ সৃষ্টি হোৱা পৰিলক্ষিত হোৱা নাই। সেয়েহে অলৌকিক ঘটনা, সাম্প্ৰদায়িকতা, নানা অন্ধবিশ্বাস, অস্পৃশ্যতা আদি সামাজিক ব্যাধিৰ পৰা আজিও ভাৰতীয় সমাজ মুক্ত হ'ব পৰা নাই। ■

> " তোমাক কোৱা বাবেই, নাইবা পৰম্পৰাৰ বাবেই নাইবা তুমি নিজেহে ইয়াক অনুমান কৰিছা বুলি বা কেৱল শিক্ষকে কোৱা বুলি তেওঁৰ সন্মানৰ কাৰণেই সকলো কথা বিশ্বাস নকৰিবা। বৰং পৰীক্ষা আৰু বিশ্লেষণৰ দ্বাৰা চালি জাৰি চাই যদিহে তুমি বুজা যে মতবাদটো ভাল, ইয়ে সকলোৰে উপকাৰ আৰু কল্যাণ কৰে, তেতিয়াহে সেই মতবাদ মানি চলিবা।"
>
> — প্ৰধান মন্ত্ৰীৰ বিজ্ঞান উপদেষ্টা প্ৰখ্যাত বিজ্ঞানী এম. জি. কে.মেননে উদ্ধৃতি কৰা গৌতম বুদ্ধৰ বাণী



চিন্তাৰ ঢৌ

# ব্ৰেইন ড্ৰেইন — ইও এক কাগজৰ বাঘ নে ?

• ছেলিমুল ইছলাম
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

ভাৰতত উচ্চ শিক্ষাৰ বিষয়ে ওলালেই সঘনে উচ্চাৰিত হয় এটা বিষয় সেয়া হ'ল 'ব্ৰেইন ড্ৰেইন'। বৰ্তমান ভাৰতৰ বাবে যিকেইটা বস্তুক প্ৰধান সমস্যা বুলি গণ্য কৰা হয়, সেইকেইটাৰ ভিতৰত ব্ৰেইন ড্ৰেইন এটা। দেশৰ চিন্তাশীল লোকসকলৰ বৃহৎ অংশই বৰ্তমান এই বিষয়লৈ আতংক প্ৰকাশ কৰিছে। পিছে ব্ৰেইন ড্ৰেইন সঁচাকৈয়ে এটা সমস্যা নে? এই বিষয়ে জনাৰ আগেয়ে ব্ৰেইন ড্ৰেইন নো কি তাক জানি লব লাগিব।

বিভিন্ন কাৰণত ভাৰতৰ পৰা বিভিন্ন বিভাগৰ লোকসকল বিদেশলৈ গৈ থাকে। ইয়াৰে কিছুমান যায় শিক্ষা লাভৰ বাবে, কিছুমান যায় গৱেষণাৰ বাবে, কিছুমান যায় প্ৰশিক্ষণৰ বাবে আৰু কিছুমান যায় অন্যান্য নানান কাৰণত। এইদৰে বিদেশলৈ যোৱা লোকসকলৰ কিছু অংশই বিদেশৰ উচ্চ হাৰৰ দৰমহা, উন্নত জীৱন ধাৰা আদিৰ প্ৰতি আকৰ্ষিত হয় আৰু তাতে নিযুক্তিলৈ থাকি যায়। ইয়াৰ উপৰিও বিদেশৰ পৰা পোণপটীয়া নিযুক্তি লৈও ভাৰতৰ পৰা বিদেশলৈ গৈ থাকে। এইদৰে ভাৰতৰ পৰা বিদেশলৈ যোৱা মানুহৰ বহিমুখী সোঁতটোকেই 'ব্ৰেইন ড্ৰেইন' বা মগজুৰ প্ৰবাহ বুলি কোৱা হয়।

পিছে ইয়াৰ কাৰণ কি ? কি যুক্তিত মগজুৰ প্ৰৱাহ ভাৰতৰ বাবে এক সমস্যা হ'ব পৰে ? ব্ৰেইন ড্ৰেইনক ভাৰতৰ বাবে সমস্যা বুলি গণ্য কৰা লোকসকলৰ নিজৰ মতৰ সপক্ষে যুক্তি হ'ল যে যিহেতু বিদেশত নিযুক্তিলৈ ভাৰত এৰি গুচি যোৱা লোকসকল যথেষ্ট মেধাবী লোক, গতিকে ভাৰতে তেওঁলোকৰ সেৱাৰ পৰা বঞ্চিত হোৱাটো দেশৰ পক্ষে এটা ডাঙৰ ক্ষতি। তেওঁলোকে যদি ভাৰত এৰি নগলহেঁতেন তেতিয়াহলে নিজৰ মেধাৰে দেশখনৰ অগ্ৰগতিত যথেষ্ট অৱদান আগবঢ়াব পাৰিলেহেঁতেন। কিন্তু ইয়াৰ বিপৰীতে বিদেশত নিজৰ মগজু খটুৱাই সেইদেশখন আগবঢ়াত সহায় কৰিছে। গতিকে এনেবোৰ কাৰণতে ব্ৰেইন - ড্ৰেইন ভাৰতৰ বাবে এক ক্ষতিকাৰক সমস্যা বুলি গণ্য কৰা হয়।

এতিয়া এই ক্ষেত্ৰত আমাৰ ক'বলগীয়া প্ৰথম কথা হ'ল — ভাৰতৰ পৰা বিদেশলৈ যোৱা লোকসকল যে সঁচাকৈয়ে তীব্ৰ মেধাসম্পন্ন তাৰ প্ৰমাণ কি? কিহৰ ওপৰত ভিত্তি কৰি তেওঁলোকক 'ব্ৰেইন' আখ্যা দিয়া হয়। এইটো সঁচা যে তেওঁলোকৰ শিক্ষাগত অতীত উজ্বল। তেওঁলোকৰ মাৰ্কচিটবোৰ গধুৰ। কিন্তু বৰ্তমান সময়ত এনে গধুৰ মাৰ্কচিট সম্পন্ন ছাত্ৰ এজনক মেধাসম্পন্ন বুলি ধৰি লব পাৰোঁ নে ? আমাৰ এতিয়াৰ শিক্ষা ব্যৱস্থাটোৱে নিজেই ৰোগাক্ৰান্ত। উদাহৰণ স্বৰূপে আমাৰ অসমৰ পিনে চালেই এইটো কথাৰ সত্যাসত্য ওলাই পৰে। আমাৰ সমাজত মেট্ৰিক বা হায়াৰছেকেণ্ডেৰী পৰীক্ষাত স্থান লাভ কৰা ছাত্ৰ ছাত্ৰী সকলক যথেষ্ট মেধা সম্পন্ন বুলি বিশ্বাস কৰা হয় আৰু সেই অনুপাতে তেওঁলোকক সমাজত স্থান দিয়া হয়। সেই হিচাপে চাবলৈ গলে আমি ধৰি ল'ব পাৰোঁ যে অসমত ইতিমধ্যেই হাজাৰ হাজাৰ 'ব্ৰেইন'ৰ জন্ম হৈছে। সেই অনুপাতে দেখোন ৰাজ্যখনত বা ৰাজ্য তথা দেশখনত বা বিদেশত অসমীয়া উচ্চমানৰ বিজ্ঞানী, লেখক, ৰাজনীতিবিদ, প্ৰশাসনিক বিষয়া আদিৰ জন্ম হোৱা নাই। আনহাতে বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় বা আন্তৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰা অসমীয়া লোকসকলৰ মাজৰেই বিভিন্ন জনৰ দৰে ছাত্ৰ অৱস্থাত পৰীক্ষাত উজ্জ্বল ৰিজাল্ট নকৰাকৈয়ো পিছলৈ প্ৰতিষ্ঠিত হৈছে। সেই কাৰণে বৰ্তমান শিক্ষা আৰু পৰীক্ষা পদ্ধতিয়েদি বিচাৰ কৰি এজন লোকক 'ব্ৰেইন' আখ্যা দিব নোৱাৰি আৰু "ব্ৰেইন - ড্ৰেইন" পদ্ধতিৰ দ্বাৰা বিদেশলৈ যোৱা লোকসকলকো আটাইতকৈ তীব্ৰ মেধাসম্পন্ন বুলি আখ্যা দিব নোৱাৰি। সেয়ে সেই লোকসকলৰ সেৱাৰ পৰা দেশখন বঞ্চিত হোৱাটো দেশখনৰ বাবে ক্ষতিকাৰক

নহবও পাৰে।

দ্বিতীয় কথাটো হ'ল – সেই লোকসকলক আমি যথেষ্ট মেধা সম্পন্ন বুলি ধৰি ল'লেও লগতে এইটো কথাও নিশ্চয় ভাবিব পাৰোঁ যে তেনে পৰ্য্যয়ৰ আটাইবোৰ লোক ভাৰত এৰি গুচি যোৱা নাই। কিন্তু ভাৰত এৰি গুচি নোযোৱা তেনে মানুহ খিনিয়ে দেশখনৰ প্ৰতি যথোপযুক্ত সেৱা আগবঢ়াব পাৰিছেনে! বা দেশৰ শাসক বৰ্গই তেওঁলোকক তেনে সুবিধা প্ৰদান কৰিছেনে ! আজি আমি দেখিবলৈ পাওঁ যে ছাত্ৰাৱস্থাত যথেষ্ট মেধাশক্তিৰ পৰিচয়েৰে উজ্বল ৰিজাল্ট কৰি অহা একোজন প্ৰশাসনিক বিষয়া পিছলৈ কৰ্মক্ষেত্ৰত দুৰ্নীতিৰ বোকাত পোত গৈ, দেশখনক গঢ়াৰ পৰিবৰ্ত্তে ধ্বংসৰ মুখলৈ ঠেলি দিয়ে । সততা, দেশপ্ৰেম, দেশগঢ়াৰ মানসিকতা নোহোৱা হৈ যোৱা এখন সমাজৰ মাজৰ পৰা ওলাই অহা ব্যক্তি একোজন তেনেকুৱা হোৱাই স্বাভাবিক । গতিকে 'ব্ৰেইন-ড্ৰেইন ' প্ৰক্ৰিয়াৰে ভাৰত এৰি গুচি যোৱা লোক সকলো ভাৰতত থাকি গ'লে তেনেকুৱা হোৱাই স্বাভাবিক । আনহাতে সাধাৰণ বুদ্ধি সম্পন্ন ছাত্ৰ এজনেও পিছলৈ নিজৰ সততা, কৰ্তব্যনিষ্ঠা আৰু পৰিশ্ৰমৰ দ্বাৰা মাতৃভূমিৰ সেৱা কৰিব বা উন্নতি সাধিব পাৰে। তাৰেই উদাহৰণ হ'ল টাইৱান। চিয়াংকাই শ্বেকে টাইৱানৰ শাসনভাৰ লোৱাৰ পাছত তেওঁৰ কঠোৰ শাসন নীতিত অতিষ্ঠ হৈ বহুতো টাইৱান বাসীয়ে মুক্ত বায়ু-পানীৰ পৰিৱেশ পাবৰ বাবে আমেৰিকালৈ গুচি গৈছিল ।তাৰ মাজত নিশ্চয় যথেষ্ট মেধাবী লোক আছিল । কিন্তু তথাপি টাইৱান বৈ নাথাকিল । অৱশিষ্ট টাইৱান বাসীয়েই দেশখন এনেভাৱে গঢ়িলে যে আজি টাইৱান এছিয়াৰ ভিতৰত এখন অন্যতম উন্নত আৰু ব্যৱসায়িক দিশত সফল দেশ। ভাৰতৰ ভিতৰতেই আমি এই ক্ষেত্ৰত কেৰেলাক উদাহৰণ হিচাপে লব পাৰোঁ । পোন-পটীয়া সামুদ্ৰিক সংযোগৰ সুবিধা লৈ বছৰি বহুতো কেৰেলা বাসীয়ে মধ্যপ্ৰাচ্যলৈ নিযুক্তিৰ জৰিয়তে গুচি যায়। কিন্তু তথাপিও কেৰেলা বৰ্তমান ভাৰতৰ ভিতৰত এখন উল্লেখযোগ্য আগবঢ়া ৰাজ্য । প্ৰায় ৯৯% শিক্ষিতৰ হাৰেৰে কেৰেলা আজি গোটেই ভাৰতৰ বাবে আদৰ্শ স্বৰূপ । এয়া সম্ভৱ হৈছে কেৰেলা বাসীৰ সততা, পৰিশ্ৰম আৰু কৰ্তব্যনিষ্ঠাৰ বাবে ।

আনহাতে ব্ৰেইন-ড্ৰেইন প্ৰক্ৰিয়াৰে ভাৰত বা আনদেশৰ পৰা যোৱা লোকসকলে পিছলৈ গৈ থিতাপি লোৱা দেশখনৰ অগ্ৰগতিত কিমানখিনি অৱদান আগবঢ়াব পাৰে সেয়াও সন্দেহৰ বিষয় । ব্ৰেইন-ড্ৰেইনৰ পৰা প্ৰধানকৈ আমেৰিকা আৰু পশ্চিম ইউৰোপেই সুফল লাভ কৰা বুলি ভবা হয় । কিয়নো ভাৰত বা অন্য পিচ পৰা দেশৰ পৰা প্ৰধানকৈ এই দুই ঠাইলৈকে লোকসকল গৈ থাকে । কিন্তু আজি আমেৰিকা বা পশ্চিম ইউৰোপৰ অৰ্থনীতি যি গতিত বিকাশ হৈ আছে তাতকৈ বহু বেছি দ্ৰুত গতিত আৰ্থিক বিকাশ হৈ আছে দক্ষিণ কোৰিয়া, জাপান আৰু ছিংগাপুৰৰ । আনহাতে চীনৰ আৰ্থিক বিকাশৰ গতি বৰ্তমান সমগ্ৰ বিশ্বৰ বাবে এক বিস্ময়। কিন্তু চীন, দঃকোৰিয়া, ছিংগাপুৰলৈ তেনে কোনো উল্লেখ যোগ্য 'মগজুৰ প্ৰবাহ' হোৱা নাই । এইবোৰ দেশৰ নেতৃবৰ্গ আৰু দেশবাসীয়ে উপযুক্ত নীতি, সততা, কৰ্তব্যনিষ্ঠা , পৰিশ্ৰম আৰু দেশ গঢ়াৰ মানসিকতাৰেই নিজ নিজ দেশক আগুৱাই লৈ গৈছে ।

দ্বিতীয় বিশ্বযুদ্ধত আমেৰিকাই জাপানৰ ওপৰত পেলোৱা আনবিক বোমাৰ ধ্বংসলীলা দেখি যেতিয়া সমগ্ৰ বিশ্বই ভয়ত পেপুৱা লাগিছিল, তেতিয়া মাও-চে-তুঙে তাক উপহাস কৰিছিল কাগজৰ বাঘ বুলি । কাৰণ তেওঁ জানিছিল, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাগত যিমানেই শক্তিশালী অস্ত্ৰ-শস্ত্ৰ নাথাকক কিয়, জনগনৰ ইচ্ছা আৰু দেশেপ্ৰেমেই হৈছে কোনো এখন দেশৰ আটাইতকৈ ডাঙৰ অস্ত্ৰ । মাওৰ এই বিশ্বাস আছিল বাবেই আমেৰিকাই ভিয়েট নামত চলোৱা অত্যাচাৰৰ প্ৰতিবাদত তেওঁ আমেৰিকাৰ মিত্ৰ টাই ৱানৰ ওপৰত দীৰ্ঘ দূৰত্বৰ কামানেৰে গুলীবৰ্ষণ কৰিবলৈ সাহস কৰিছিল । যাৰ বিপৰীতে আমেৰিকাই কোনো ধৰণৰ কাৰ্য্য ব্যৱস্থা ল'বলৈ সাহস কৰিব পৰা নাছিল । সেইদৰে ওপৰৰ আলোচনা বিলাকৰ পৰা আমিও এটা সিদ্ধান্তলৈ আহিব পাৰোঁ যে, এখন দেশত যিমানেই মগজুৰ ভাণ্ডাৰ নাথাকক কিয়, জনগনৰ সততা,কৰ্তব্যনিষ্ঠা, দেশপ্ৰেম,পৰিশ্ৰম ক্ষমতা আৰু দেশগঢ়াৰ মানসিকতাই হৈছে দেশ একোখনৰ উন্নতিৰ মূল সম্পদ আৰু এইখিনি গুণেৰে বিভূষিত জনগনৰ দেশ একোখনৰ উন্নতিত কোনো ধৰণৰ "ব্ৰেইন-ড্ৰেইনে "বাধাৰ সৃষ্টি কৰিব নোৱাৰে । সেয়ে 'ব্ৰেইন-ড্ৰেইনক' লৈ আমাৰ দেশত সৃষ্টি হোৱা আতংক দেখি ক'বৰ মন যায় - "ব্ৰেইন-ড্ৰেইনো" এক কাগজৰ বাঘহে ।■

— (সহায়লৈ )



চিন্তাৰ ঢৌ

# বন্যপ্ৰাণী ঃ
## সুৰক্ষা, আইন আৰু সচেতনতাৰ প্ৰশ্ন

• উৎপলপৰ্ণা ভৰদ্বাজ
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

আমাৰ বিনন্দীয়া পৃথিৱীখনৰ বৃহৎ অংশ দ্ৰুতগতিত কংক্ৰিটৰ জংঘলত পৰিণত হলেও জীৱশ্ৰেষ্ঠ মানুহ আজিও বননিৰ সাহচৰ্যৰ বাবে আতুৰ। বনাঞ্চল আৰু বন্যপ্ৰাণীৰ মাজত পাৰ্থিৱ দুখ-শোকত দগ্ধ লোকে বিচাৰি পায় আনন্দৰ ফল্গুধাৰা জীয়াই থকাৰ, কৰ্মোদ্যমী হোৱাৰ ন প্ৰেৰণা । সেউজ গছ-গছনি, বিচিত্ৰ ফল-ফুল, জীৱ-জন্তু, চৰাই-চিৰিকতি আদিয়ে সৌন্দৰ্যপিপাষু মানুহক আপ্লুত কৰে, দেশ এখনৰ সম্পদত পৰিণত হোৱাৰ লগতে জীৱিকাৰ উৎস হিচাবেও বৰঙনি আগবঢ়ায়। সেয়ে এনেহেন সম্পদ সংৰক্ষণ কৰাৰ আৱশ্যকতা অনস্বীকাৰ্য।

আমাৰ দেশৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত দেৱ-দেৱীৰে সৈতে বিভিন্ন প্ৰাণীক পূজা-অৰ্চনা কৰি শ্ৰদ্ধা নিবেদন কৰাৰ দৃশ্য সততে দেখা যায়। বিষ্ণুৰ সৈতে অজগৰ সাপ, সৰস্বতীৰ সৈতে হাঁহ, শিৱৰ সৈতে সাপ, ফেঁচা চৰাইৰ সৈতে লক্ষ্মী দেৱীক জড়িত কৰি পূজা কৰা হয়। মহাভাৰতত নানা বন্যপ্ৰাণী লালন-পালন কৰা, কৌটিল্যৰ অৰ্থশাস্ত্ৰত বিভিন্ন প্ৰাণীৰ ৰক্ষণাবেক্ষণ কৰাৰ কথা উল্লেখ আছে, বৌদ্ধ আৰু জৈন ধৰ্মাৱলম্বী সকলেও বন্যপ্ৰাণী সংৰক্ষণৰ পক্ষে মানুহক অনুপ্ৰাণিত কৰি আহিছে।

বন্যপ্ৰাণীৰ গুৰুত্ব আৰু বন্য জীৱৰ সংৰক্ষণ সম্পৰ্কে জনমানসত সচেতনতা সৃষ্টিৰ বাবে চৰকাৰী আৰু বেচৰকাৰী প্ৰয়াস আমাৰ দেশতো ক্ৰমশঃ বৃদ্ধি পাইছে। আনহাতে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত আহি পৰা বিভিন্ন ভাবুকিৰ পৰিপ্ৰেক্ষিতত তথা প্ৰাকৃতিক সম্পদ সুৰক্ষাৰ স্বাৰ্থত প্ৰণয়ন কৰা আইন-কানুন প্ৰয়োগৰ জৰিয়তে প্ৰাকৃতিক পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদ সমূহৰ সুৰক্ষাৰ ব্যৱস্থা লোৱা হৈছে যদিও 'ভাৰতীয় বন্যপ্ৰাণী (সুৰক্ষা) আইন ১৯৭২' মাইলৰ খুঁটিস্বৰূপ। আমাৰ দেশৰ বন্যজন্তু আৰু বন্যপক্ষীৰ সুৰক্ষা আৰু ইয়াৰ লগত জড়িত অন্যান্য বিষয়বস্তুক ৰাষ্ট্ৰীয় আইন-কানুনৰ নিয়ন্ত্ৰণৰ ভিতৰুৱা কৰিবৰ অৰ্থে এই আইন গ্ৰহণ কৰা হয়। উক্ত আইনখনৰ মতে বন্য জীৱ-জন্তুৰ 'চিকাৰ কৰা' বুলি ক'লে বন্যপ্ৰাণী বধ কৰা, ধৰা, বিহ দিয়া, ধৰাৰ বাবে ফান্দ পতা, ফাঁচ লগোৱা আৰু ইয়াৰ বাবে খেদা-কুৰা কৰা বা অন্য যি কোনো প্ৰকাৰে প্ৰবৃত্ত হোৱাকে বুজোৱা হয়। তদুপৰি বন্য জীৱ সমূহক কোনো ধৰণে আঘাত কৰা বা ধ্বংস কৰা, দেহৰ যি কোনো অংশ সংগ্ৰহ কৰা, কণী পৰা আৰু বাহ সজা প্ৰাণীৰ ক্ষেত্ৰত কণী, বাহ ইত্যাদি সংগ্ৰহ কৰা আৰু নষ্ট কৰা আদিও চিকাৰ কাৰ্যৰ অন্তৰ্ভুক্ত। বন্য জীৱ-জন্তুৰ চিকাৰ নিষিদ্ধ কৰাৰ উপৰিও বন্যপ্ৰাণীৰ ব্যৱসায় নিয়ন্ত্ৰণ কৰা, আইন উলংঘনকাৰীৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱা আদিও আইনখনে সামৰি লৈছে। পৰৱৰ্ত্তী কালছোৱাত আন কেইবাটাও পৰিৱেশ আৰু বন্যপ্ৰাণী সম্পৰ্কীয় আইন, বিধি, জাননী জাৰি কৰি সংৰক্ষণৰ দিহা কৰা হৈছে। ৰিঅ'ত অনুষ্ঠিত ধৰিত্ৰী শীৰ্ষ সন্মিলনৰ পিচত সংৰক্ষণ আন্দোলন অধিক সংহত হোৱাটো লক্ষ্যনীয়।

পৰিৱেশ সচেতনতা ক্ৰমশঃ বৃদ্ধি হলেও আবাসস্থল ধ্বংস, জনসংখ্যা বিস্ফোৰণ আদিৰ ফলত, অবৈধ চিকাৰ, বন্য জীৱজাত সামগ্ৰী আহৰণ আদিৰ বাবে সচেতন সমাজ শংকিত হৈছে।

বন্যপ্ৰাণী আৰু বন্যপ্ৰাণীজাত সামগ্ৰীৰ সমগ্ৰ বিশ্বতে প্ৰচুৰ চাহিদা আছে। ধৰ্মীয় ধ্যান-ধাৰণা আৰু অন্ধবিশ্বাসৰ বশৱৰ্ত্তী হৈ মানুহে এই পণ্যসমূহৰ প্ৰতি আগ্ৰহ দেখুৱায়। সহজ-সৰল বনৰ প্ৰাণীসমূহক নিৰ্মমভাৱে হত্যা কৰি তাৰ পৰা সামগ্ৰী কিছুমান তৈয়াৰ কৰা হয় যিবিলাক বজাৰত উচ্চ মূল্যত কিনা বেচা কৰা হয়। সমগ্ৰ বিশ্বতে বন্যজীৱৰ ব্যৱসায়ৰ পৰিমান বছৰি কমেও কুৰি বিলিয়ন আমেৰিকান ডলাৰ। ভাৰতবৰ্ষ, নেপাল, ম্যানমাৰ, ব্ৰাজিল, আৰ্জেন্টিনা আদি দেশে বন্যপ্ৰাণী আৰু প্ৰাণীজাত সামগ্ৰী ইউৰোপৰ প্ৰায়বোৰ দেশ, আমেৰিকা, মধ্যপ্ৰাচ্যৰ বিভিন্ন দেশ আদিলৈ ৰপ্তানি কৰে। আনহাতে

বিশেষকৈ চীন, হংকং, কোৰিয়া, জাপান আদিত অন্ধবিশ্বাস আৰু চিকিৎসাৰ নামত জীৱৰ অংগ কিম্বা জীৱজাত সামগ্ৰীৰ ৰমৰমা ব্যৱসায় গঢ়ি উঠিছে।

ঢেঁকীয়াপতীয়া বাঘ, এশিঙীয়া গড়, কুকুৰাছীয়া বাঘ, হলৌ বান্দৰ, লাজুকী বান্দৰ, বন মেকুৰী, নল গাহৰি, দেও হাঁহ, মইনা চৰাই, ধনেশ পক্ষী, বৰটোকোলা আদি উত্তৰ পূৰ ভাৰতৰ বন্যজীৱ সহ বৃহৎ সংখ্যক বিপন্ন আৰু বিৰল প্ৰজাতিৰ প্ৰাণীৰ আবাসস্থল ভাৰতবৰ্ষ। আমাৰ দেশৰ জৈৱ বৈচিত্ৰতা আমাৰ পৰম্পৰাগত সম্পদ আৰু আমাৰ দেশৰ স্বাৰ্থ তথা বিশ্বমানৱৰ স্বাৰ্থত এই ঐতিহ্যগত সম্পদ আমি ৰক্ষা কৰিবই লাগিব।

প্ৰাপ্ত তথ্য অনুসৰি ১৯৭৭ চনৰ পৰা ১৯৮৬ চনলৈ কেৰেলা, কৰ্ণাটক আৰু তামিলনাডুত ১৯০ যোৰা হাতীৰ দাঁতৰ চোৰাং ব্যৱসায় হয়। ১৯৮১-৮২ চনৰ এক সমীক্ষামতে সেই সময়ছোৱাত দক্ষিণ ভাৰতত মৃত্যু হোৱা হাতীৰ ৬৪.৪ শতাংশই চোৰাং চিকাৰীৰ হাতত নিধন হৈছে। ১৯৮৯-৯৫ কালছোৱাত পৃথিৱীৰ বিভিন্ন দেশৰ পৰা মুঠতে ৪১৫৯২ কিঃগ্ৰাঃ হাতী দাঁত জব্দ কৰা হয়। অসমত যোৱা তিনিটা দশকত হাতী, এশিঙীয়া গড় সহ বন্যপ্ৰাণীৰ ব্যাপক হত্যা আমাৰ বাবে অতি উদ্বেগজনক।

উক্ত ভয়াবহ চিত্ৰৰ প্ৰেক্ষাপটত বন্যপ্ৰাণীৰ সুৰক্ষাৰ আন্দোলন তৃণমূল পৰ্য্যায়লৈ সম্প্ৰসাৰিত কৰা তথা আইন-কানুনবোৰ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাটো অপৰিহাৰ্য হৈ পৰিছে। সময় থাকোতেই যদি আমি সচেতন নহওঁ, আমাৰ ঐতিহ্য, সংস্কৃতি আৰু নান্দনিক প্ৰমূল্যৰ প্ৰতি শ্ৰদ্ধাশীল নহওঁ, আমাৰ এইখন বসুন্ধৰাক ভৱিষ্যত প্ৰজন্মৰ হাতত কেনেকৈ অৰ্পণ কৰিম ? ■

*"Isoder I Rabi, the Nobel laureate in physics was once asked; "why did you become a scientiest rather than a doctor or lawyer or businessman like the other immigrant kids in your neighbourhead ?" Dr. Rabi's answer was :*

*"My mother made me a scientist without ever intending it. Every other Jewish mother in Brooklyn would ask her child after school: "so ? Did you learn some anything today ?" But not my mother She always asked me a different question. "Izzy", she would say, "did you ask a good question today ?" That difference asking good question - made me become a scientist."*

*- Donald Sheff*



চিন্তাৰ ঢৌ

# মহাকাশত গামা ৰশ্মি

• উপেন্দ্ৰ নাথ দেৱ শৰ্মা
প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ

পুৰণিকালত ৰাতি আকাশত দেখা নক্ষত্ৰবিলাক আমাৰ পৰা কিমান আঁতৰত আছে, সেই বিষয়ে সম্যক ধাৰণা নাছিল। সোতৰ শতিকাত দূৰবীক্ষণ যন্ত্ৰ আৱিস্কাৰ হোৱাৰ পিচত নক্ষত্ৰবিলাকৰ বিষয়ে বহুতো তথ্য আহৰণ কৰিব পৰা গৈছে। জ্যোতিষ্কবোৰৰ বুকুত লুকাই থকা ৰহস্যসমূহৰ সন্ধান আমি পোহৰৰ সহায়ত পাওঁ। নক্ষত্ৰৰ পোহৰ বিশ্লেষণ কৰি প্ৰয়োজনীয় তথ্য যুগুতোৱা হয়। কোটি কোটি কিলোমিটাৰ মুক্ত মহাকাশৰ মাজেৰে তৰংগৰূপত পোহৰ আহি দূৰবীণ যন্ত্ৰত ধৰা দিয়ে। দৃশ্যমান পোহৰৰ তৰংগদৈৰ্ঘ্য ৪০০০ আংষ্ট্ৰমৰ পৰা ৭০০০ পৰ্যন্ত (এক আংষ্ট্ৰম = $১০^{-৮}$ ছেঃ মিঃ) বেলেগ বেলেগ তৰংগদৈৰ্ঘ্যৰ পোহৰে বেলেগ বেলেগ ৰঙৰ অনুভূতি দিয়ে গতিকে বিভিন্ন ৰঙৰ দ্বাৰা সময় বিশেষে বুজোৱা হয়। দৃশ্যমান পোহৰ বিদ্যুৎ চুম্বকীয় তৰংগৰ এটা সামান্য অংশহে মাথোন। গামা ৰশ্মি, ৰঞ্জন ৰশ্মি, অতি বেঙুণীয়া ৰশ্মি, অৱলোহিত ৰশ্মি আৰু ৰেডিঅ' তৰংগ বিদ্যুৎচুম্বকীয় তৰংগৰ অংশ। এই সকলোবিলাক তৰংগ মহাকাশৰ মাজেৰে প্ৰতি ছেকেণ্ডত ২,৯৯,৭৩৯ কিলোমিটাৰ বেগেৰে গতি কৰে। কোনো বস্তুৱে ইয়াতকৈ বেছি বেগত গতি কৰিব নোৱাৰে। অতীজতে পৰ্যবেক্ষকৰ দৃষ্টি বিশ্বব্ৰহ্মাণ্ডৰ উত্তাল প্ৰকৃতিৰ প্ৰতি নিবিষ্ট হোৱা নাছিল। বিশ্বব্ৰহ্মাণ্ডৰ বিভিন্ন স্থানত শতসহস্ৰ সূৰ্যসম প্ৰভাযুক্ত 'নোভা', 'চুপাৰনোভা' (য'ত বৃহৎ আকাৰৰ নক্ষত্ৰসমূহ বিস্ফোৰিত হয়) নতুন নক্ষত্ৰ বা নক্ষত্ৰৰাশিৰ গঠন আদি সৃষ্টি-বিনাশৰ বিভিন্ন কাৰ্য চলি আছে। সৃষ্টি বিনাশৰ এই উত্তাল উন্মাদনা এই বিশ্বব্ৰহ্মাণ্ডত যেন অনৱৰত চলি আছে, অৱশ্যে এই পৰিঘটনাৰ স্থানসমূহ সৌৰজগতৰ পৰা বহু বহু দূৰত। বিশ্বব্ৰহ্মাণ্ডত ঘটা উগ্ৰ কাৰ্যৰ ভিতৰত বৃহৎ আকাৰৰ নক্ষত্ৰৰ শেষ অৱস্থা চুপাৰনোভাৰ ফলত X-ray আৰু যথেষ্ট পৰিমানৰ ৰেডিঅ' তৰংগ নিৰ্গত হয়। এই সকলোবিলাকক তল পেলাইছে পৃথিৱীৰ পৰা ১২ বিলিয়ন পোহৰ বছৰ দূৰত থকা (এক পোহৰ বছৰৰ মান হ'ল ৯.৪৫ x $১০^{১২}$ কিলোমিটাৰ) উৎসৰ পৰা অহা গামা ৰশ্মিৰ উদ্গীৰণে। ১৯৯৮ চনৰ ১৪ ডিচেম্বৰত বেপোচেক্স (Bepposax) নামৰ ভূকেন্দ্ৰিক উপগ্ৰহৰ দ্বাৰা শক্তিশালী গামা ৰশ্মি ধৰা পৰিছে। কিছুমান বিজ্ঞানীয়ে এই গামা ৰশ্মিৰ উদ্গীৰণ আমাৰ হাতীপতিৰ ওচৰত ঘটিলে তাৰ ফলত হ'ব পৰা প্ৰভাৱৰ বিষয়ে অধ্যয়ন চলাই আছে।

তেজস্ক্ৰিয় পদাৰ্থৰ পৰা ওলোৱা তিনি প্ৰকাৰৰ ৰশ্মিৰ ভিতৰত গামা ৰশ্মি যথেষ্ট শক্তিশালী আৰু অনিষ্টকাৰী ।গামা ৰশ্মি (ব্ৰাষ্ট) সাধাৰণতে জি আৰ বি (G R B) নামে জনা যায় আৰু ইয়াক প্ৰথমে ধৰা পেলায় আমেৰিকাৰ কৃত্ৰিম উপগ্ৰহই। যোৱা দুটা দশক জুৰি জ্যোতিৰ্বিজ্ঞানীয়ে এনেকুৱা দুশটা (২০০) ব্ৰাষ্ট আকাশত ধৰা পেলাইছে। মহাকাশত এইবোৰ ৰশ্মি যাদৃচ্ছিকভাৱে উপস্থিত হৈ কেই ছেকেণ্ডমানৰ বাবে থাকে। ১৯৯৭ চনৰ ১৪ ডিচেম্বৰত আৱিস্কাৰ হোৱা ব্ৰাষ্ট প্ৰায় চল্লিশ চেকেণ্ডৰ কাৰণে আছিল।

জি আৰ বি (G R B) বুজি পোৱাত প্ৰধান বাধা হৈছে, সিহঁতৰ সম্পূৰ্ণ অদৃশ্যমান তৰংগদৈৰ্ঘ্য। কিন্তু ১৯৯৭ চনত আৱিস্কাৰ হোৱা জি আৰ বি ৰ দৃশ্যমান পোহৰ আৰু ৰেডিও তৰংগৰ মাজত সম্বন্ধ স্থাপন কৰিব পৰা গৈছে আৰু সেয়ে জি আৰ বি বিলাক সাধাৰণতে চাৰিৰ পৰা আঠ বিলিয়ন পোহৰ বছৰ দূৰত অৱস্থিত বুলি অনুমান কৰিব পৰা হৈছে।

ইজৰাইল ইনষ্টিটিউট অব টেকনোলজীৰ নীৰ চাভিত (Nir Shavit) আৰু আৰ্ণন ডৰৰ (Arnon Dar) জি আৰ বিৰ সম্পৰ্কত জনপ্ৰিয় মডেলটো হ'ল – চুপাৰনভা উদ্গীৰণৰ পাচত থকা দুটা ঘন নিউট্ৰন নক্ষত্ৰ একেলগ হোৱাৰ ফলত। নিউট্ৰন নক্ষত্ৰৰ ব্যাস প্ৰায় ২০ কিঃ মিঃ, কিন্তু ভৰআমাৰ সূৰ্যতকৈ যথেষ্ট বেছি, সেয়ে ইয়াৰ ঘনত্ব যথেষ্ট বেছি।

জ্যোতির্বিদৰ গণনামতে, নিউট্ৰন নক্ষত্ৰবিলাক নিজ কক্ষপথত ঘূৰি থাকোতে মাধ্যাকৰ্ষনিক ঢৌৰ আকাৰত শক্তি হেৰুৱায়, এটাই আনটোৰ প্ৰতি সৰ্পিলভাৱে আগবাঢ়ে। এনেকুৱা সৰ্পিল যোৰ লগ হোৱাৰ ফলত যথেষ্ট শক্তি নিৰ্গত হয়। তাত্বিক বৈজ্ঞানিকৰ মতে, এই নক্ষত্ৰবিলাক একেলগ হোৱাৰ ফলত যি পদাৰ্থ বাহিৰিলে ওলাই আহে, তাৰ বেগ পোহৰৰ বেগৰ প্ৰায় সমান হয়। এই বেগত গতি কৰা পদাৰ্থৰ শক্তি এনেকুৱা হ'ব যে, নক্ষত্ৰৰ পৰা নিৰ্গত পোহৰৰ লগত সংঘাতৰ ফলত, পোহৰৰ কণিকাসমূহক গামা ৰশ্মিলৈ ৰূপান্তৰিত কৰিব।

ইটালিয়ান ডাটচ্ জ্যোৰ্তিবিদে তৈয়াৰ কৰা বেপোচেক্স (Bepposax) নামৰ গামা ৰশ্মি অব্জাৰভেটৰীত ১৯৯৭ চনৰ ডিচেম্বৰ মাহত গামা ৰশ্মি ধৰা পেলাইছিল। উপগ্ৰহটোৱে গামা ৰশ্মিৰ পালচ্ চল্লিশ ছেকেণ্ডৰ কাৰণে ৰেকৰ্ড কৰাৰ উপৰিও আকাশত ইয়াৰ উৎসৰ অৱস্থিতি নিৰ্দ্ধাৰণ কৰে। নাচাত থকা ক্ৰম্টন গামাৰে অৱজাৰভেটৰীয়েও এই ৰশ্মি ধৰা পেলায়। ইয়াৰ পিচত বিশ্বৰ জ্যোৰ্তিবিদসকলে এই ব্ৰাষ্টৰ পিচত কোনো দৃশ্যমান অনুপ্ৰভা (After glow) থাকিল নেকি তাৰ বাবে অনুসন্ধান কৰিব ধৰিলে। ব্ৰাষ্ট ৰেকৰ্ড কৰাৰ বাৰ ঘন্টাৰ পাচত একে স্থানৰ পৰা অনুজ্জ্বল অনুপ্ৰভা ধৰা পেলায়। এই অনুজ্জ্বল প্ৰভা দুই সপ্তাহ ধৰি দেখা গৈছিল যদিও ইয়াৰ উজ্জ্বলতা খুব কম থকা কাৰণে ইয়াক গণনা কৰিব পৰা নগ'ল। এই সময়তে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফ'ৰ্নিয়া ইনষ্টিটিউট অব টেকনোলজিৰ অধ্যাপক আৰু জ্যোৰ্তিবিদ্যা বিভাগৰ মুৰব্বী শ্ৰী কুলকাৰ্ণিৰ তত্বাৱধানত এদল বিজ্ঞানীয়ে হাওলীত থকা কেক্ II (Keck II Telescope) দূৰবীণৰ সহায়ত ব্ৰাষ্টৰ অৱস্থানত এটা অনুজ্জ্বল দীৰ্ঘকায় পদাৰ্থ দেখা পায়। ইয়াৰ পৰা পোৱা তথ্যসমূহ ছমাহ ধৰি অধ্যয়ন কৰি কুলকাৰ্ণিয়ে ঠিৰাং কৰিছিল যে, ই পৃথিৱীৰ পৰা বাৰ বিলিয়ন পোহৰ বছৰ আঁতৰত এটা ডেকা হাতীপটি। ব্ৰিটিছ ছাইঞ্চ জাৰ্নেল নেচাৰত (Nature) কুলকাৰ্ণি আৰু তেওঁৰ লগৰ সতীৰ্থ সকলে প্ৰকাশ কৰা তথ্যমতে ১৯৯৭ চনৰ ১৪ ডিচেম্বৰত (G R B 97 12 14) হোৱা ব্ৰাষ্টটো যথেষ্ট উজ্জ্বল আৰু শক্তিশালী আছিল। ইয়াক বিগ বাং II (Big Bung II) নামে অভিহিত কৰিব পাৰি। ■

**The Generous Sun-God :**

*" Mother earth receives about 3 x10$^{24}$ J of solar energy annually which is nearly 100 times larger than the proven reserves of fossil and nuclear fuels. The sun thus delivers to the earth in three and a half days, the equivalent of the total proven reserves of non renewable energy. Since the current annual globle need is of the order of 10$^{20}$ J, it follows that the total requirement can be met if only one hundredth of earth's surface were covered with solar collectors operating at 10% efficiency. However, much work remains to be done before such a dream becomes a reality "*

Source : From the proceedings of the symposium on Photochemical Conversions held at Ecole Polytechnic fidirale de Lausanne 1983



চিন্তাৰ ঢৌ

# মাৰ্কাৰী আৰু পৰিৱেশ প্ৰদূষণ

• নৱজ্যোতি শৰ্মা
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

*আৰম্ভণি* – আধুনিক পৰ্য্যবৃত্ত তালিকাৰ ৮০ পৰমাণু ক্ৰমাংক আৰু ২০০.৫৯ পাৰমাণবিক ভৰ যুক্ত মৌলটোৱেই হৈছে মাকৰী (Hg) বা পাৰা।

পৃথিৱীৰ খোলৰ গঠনত ইয়াৰ পৰিমান ওজন হিচাপে ০.০০০০৩% ত কৈও কম। ভূত্বকত পোৱা মৌল সমূহৰ প্ৰাচুৰ্য্যতাৰ তালিকাত ইয়াৰ স্থান ৭৪ তম। পাৰা এক ৰূপালী বগা ৰঙৰ ধাতু আৰু সাধাৰণ উষ্ণতাত তৰল অৱস্থাত থকা ইয়ে একমাত্ৰ ধাতু। স্পৰ্শ কৰিব খুজিলে পাৰাৰ টোপাল তৎক্ষণাৎ আঁতৰি যায়। সেয়ে ইয়াৰ অন্য এক নাম 'Quick silver'। ই অতি মূল্যৱান ধাতু । এটা মূদ্ৰাৰ দুটা পিঠি থকাৰ দৰে পাৰাৰো ভাল-বেয়া দুয়োটা গুণেই আছে । থাৰ্মমিটাৰত থকা পাৰাৰ সহায়ত ৰোগীৰ দেহৰ উষ্ণতা নিৰ্ণয় কৰি উপযুক্ত ব্যৱস্থা লোৱাত সহায় কৰে । এই মাকৰীয়েই আকৌ পৰিৱেশ দূষিত কৰি মানুহৰ মৃত্যুৰ কাৰণো হৈ উঠে। মানৱ সভ্যতাৰ উন্নতিৰ লগে লগে নিজৰ প্ৰয়োজনৰ বাবেই হওঁক বা অইন কোনো কাৰণতেই হওঁক মানুহে এনে কিছুমান কামত ব্ৰতী হৈছে যিয়ে প্ৰাকৃতিক পৰিবেশ বিনষ্ট কৰিছে আৰু এই প্ৰদূষণৰ প্ৰভাৱ মানুহ আৰু আন জীৱিত জীৱ-জন্তুৰ ওপৰতেই পৰিছে। পৰিৱেশ দূষিত কৰিব পৰা বিভিন্ন উৎসবোৰৰ ভিতৰত মাকৰী (Hg) ও এবিধ । মাকৰীয়ে মানুহৰ কু-কৰ্মৰ বাবে পৰিৱেশ প্ৰদূষিত কৰি মৃত্যুৰ কাৰণো হৈ উঠিছে।

*অতীতৰ স্মৃতি* —

ইতিহাসৰ পৃষ্ঠাত ভুমুকি মাৰি চালে দেখা যায় যে মানৱ সভ্যতাৰ কলংকময় সময়ৰ ভিতৰত 1950 ৰ পৰা 1960 চনলৈ বছৰ কেইটাও মানৱ সভ্যতাৰ বাবে অতি লজ্জাজনক সময়। এই সময়চোৱাৰ ভিতৰত জাপানৰ মিনামাতা উপসাগৰৰ মাছ আৰু জীৱ-জন্তু খোৱাৰ ফলত বহু লোক বিষক্ৰিয়াত ভুগিছিল আৰু তাৰে বহুতৰে মৃত্যুও হৈছিল । অতি দুৰ্ভাগ্যজনক কথা এয়ে যে ইয়াৰ ফলত গৰ্ভৱতী মাতৃৰ গৰ্ভস্থ সন্তানো আক্ৰান্ত হৈছিল । উক্ত ঘটনাটোৰ বাবে জগৰীয়া হ'ল " মিনামাতা কেমিকেল কোম্পানী ।" এই কোম্পানীয়ে মাকৰী ব্যৱহাৰ কৰি ভিনাইল ক্ল'ৰাইড নামৰ এবিধ ৰাসায়নিক পদাৰ্থ প্ৰস্তুত কৰিছিল আৰু মাকৰীযুক্ত আৱৰ্জনাবোৰ নভবাকৈয়ে মিনামাতা উপসাগৰত পেলাই দিছিল । বিশেষ জৈৱিক প্ৰক্ৰিয়াৰে এই মাকৰী মাছ আৰু তেনে কিছুমান জীৱৰ দেহত সোমাই পৰে আৰু এনে মাছ আৰু আন জীৱ খোৱাৰ ফলত এই ঘটনা ঘটিবলৈ পায় ।

আকৌ ১৯৭২ চনত ইৰাকত মাকৰী বিষক্ৰিয়াৰ ফলত বহু লোকৰ মৃত্যু ঘটে । সেই সময়ত গম খেতিক কীট -পতংগৰ পৰা ৰক্ষা কৰিবলৈ খেতিয়কে মাকৰী যুক্ত এবিধ দৰৱ প্ৰয়োগ কৰিছিল । এই মাকৰীয়ে মাটিৰ উৰ্বৰতা কমাই দিছিল আৰু গমত প্ৰৱেশ কৰিছিল আৰু এই গম খোৱাৰ বাবেই বহু মানুহৰ মৃত্যু ঘটিছিল ।

*পৰিৱেশত মাকৰীৰ প্ৰৱেশ* —

আজিৰ ঔদ্যোগিক পৃথিৱীত ছডিয়াম হাইড্ৰ'ক্সাইড প্ৰস্তুতিৰ পৰা আৰম্ভ কৰি বস্তু সংৰক্ষণ আদি বহুত কামতে মাকৰী বহুল ভাৱে ব্যৱহাৰ হৈছে ।আজিৰ দিনত মাকৰী বহুল ভাৱে ব্যৱহাৰ হোৱা তিনিটা প্ৰধান উদ্যোগ হ'ল –

১ ) ক্ল'ৰিণ আৰু কষ্টিক ছ'ডা উৎপাদনত ।
২ ) বৈদ্যুতিক আহিলা-পাতি প্ৰস্তুতিত আৰু
৩ ) কৃষি উদ্যোগ ।

এই উদ্যোগসমূহৰ পৰা নিৰ্গত হোৱা ঔদ্যোগিক আৱৰ্জনা সমূহে পানী প্ৰদূষিত কৰে । তদুপৰি মাকৰীৰ দ্বাৰা নিৰ্মিত বহু যৌগিক বীজ সংৰক্ষণত ব্যৱহাৰ কৰা হয় । আৰু এই সংৰক্ষিত বীজৰ পৰা উৎপাদিত শস্যত মাকৰী যুক্ত হৈ

পৰি সহজেই খাদ্য - শৃংখলত সোমাই পৰে।

জীৱাশ্ম ইন্ধনত থকা পাৰাই প্ৰধানতঃ বায়ু প্ৰদূষিত কৰে। এই পাৰা ইন্ধন সমূহৰ দহনৰ ফলত বায়ুত প্ৰৱেশ কৰে।

পৰিৱেশত প্ৰৱেশ কৰা অজৈৱ পাৰা কিছুমান অবাত (Anaerobic) বেক্টেৰিয়াৰ দ্বাৰা বেছি বিষাক্ত এলকিল মাৰ্কাৰীলৈ পৰিৱৰ্ত্তিত হয়। এই এলকিল মাৰ্কাৰীসমূহৰ ভিতৰত মিথাইল মাৰ্কাৰী আৰু ডাইমিথাইল মাৰ্কাৰীয়েই প্ৰধান। সাধাৰণতে এই পৰিৱৰ্তন জলভাগৰ তলত থকা গেদ বা বোকাত সম্পন্ন হয়। এলকিল মাৰ্কাৰী সমূহ জাৰকৰ উপস্থিতিত পুনৰ পাৰালৈ ৰূপান্তৰিত হ'ব পাৰে আৰু ই তেতিয়া হাইড্ৰজেন চালফাইড আৰু কম পৰিমানে দ্ৰৱনীয় মাৰকিউৰিক চালফাইডৰ সৈতে বিক্ৰিয়া কৰি অদ্ৰৱনীয় মাৰকিউৰিক চালফাইডলৈ ৰূপান্তৰিত হ'ব পাৰে। জৈৱিক ক্ৰিয়াৰ দ্বাৰা এই সমূহৰ পৰা অতি বিষাক্ত মাৰ্কাৰীৰ জৈৱ যৌগ সমূহ প্ৰস্তুত হয়। অপ্ৰদূষিত পানীতো সাধাৰণতে মাৰ্কাৰী থাকে। ইয়াৰ পৰিমান 0.001-0.0001 PPM (Parts Per Million)। মাৰ্কাৰী যুক্ত ঔদ্যোগিক আৱৰ্জনাতো বহু মাৰ্কাৰী যুক্ত হৈ থাকে। জনা গৈছে যে এনে আৱৰ্জনাত অপ্ৰদূষিত পানীৰ দহগুণৰো অধিক মাৰ্কাৰী যুক্ত হৈ থাকে। এই দৰে সেই উৎসৰ পানী প্ৰদূষিত হয় আৰু সেই পানীত থকা পানীক লৈ গঢ়ি উঠা পৰিবেশ তন্ত্ৰ এটা বিনষ্ট হয়। এনে পানী এবাৰ প্ৰদূষিত হোৱাৰ পিছত আৱৰ্জনা পেলোৱা কাৰ্য্য বন্ধ কৰি দিলেও প্ৰদূষণৰ সমস্যা বহু বছৰৰ বাবে থাকি যায়। এনেদৰেই মানুহে নিজৰ মৃত্যু নিজেই মাতি আনিছে।

*শৰীৰত মাৰ্কাৰীৰ ক্ৰিয়া—*

মাৰ্কাৰীৰ সাধাৰণতে দুবিধ যৌগ গঠন হয় -

ক) মাৰকিউৰাছ আৰু খ) মাৰকিউৰিক। ইয়াৰ ভিতৰত মাৰকিউৰিক যৌগবোৰ কিছু বিষাক্ত। ধাতৱ মাৰ্কাৰী বিষাক্ত নহয় কিন্তু ইয়াৰ বাষ্প অত্যন্ত বিষাক্ত অজৈৱ পাৰাৰ বাষ্পই প্ৰধানতঃ যকৃত আৰু বৃক্ক আক্ৰমণ কৰে। মাৰ্কাৰীৰ জৈৱ যৌগৰ ভিতৰত প্ৰধানকৈ মিথাইল মাৰ্কাৰী শৰীৰৰ বাবে অতি ক্ষতিকাৰক। ই কোষৰ মাজত সোমাই যাব পাৰে আৰু কোষত বিভিন্ন বিসংগতিয়ে দেখা দিয়ে। তাৰোপৰি ই শৰীৰত প্ৰৱেশ কৰি তেজৰ সোঁতৰ যোগেদি মগজু পায়গৈ আৰু কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ ক্ষতি কৰি মৃত্যুৰ কাৰণো হ'ব পাৰে। তাৰোপৰি ই শৰীৰৰ বৰ্দ্ধনত বাধাৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ আন কিছুমান কু-প্ৰভাৱ হ'ল—

| | |
|---|---|
| ক) মুখত ধাতৱ স্বাদ | খ) হাত-ভৰি অৱশ লগা |
| গ) মূৰৰ বিষ | ঘ) দৃষ্টি শক্তিৰ ব্যাঘাত |
| ঙ) বস্তু খোৱাত অসুবিধা | চ) ভাগৰ লগা। ইত্যাদি |

*মিনামাতাত প্ৰকৃততে কি ঘটিছিল —*

জাপানৰ "মিনামাতা কেমিকেল কোম্পানী"য়ে মাৰ্কাৰীযুক্ত আৱৰ্জনাবোৰ মিনামাতা উপসাগৰত পেলাই দিছিল। পানীত থকা কিছুমান বেক্টেৰীয়াই ইয়াক পিছত মিথাইল মাৰ্কাৰীলৈ ৰূপান্তৰিত কৰিছিল আৰু ইয়াৰ গাঢ়তাও বহু পৰিমানে বৃদ্ধি কৰিছিল। পিছত ই শৰীৰত প্ৰৱেশ কৰে। প্ৰায় 0.01 PPB (Parts Per Billion) পৰিমানৰ মাৰ্কাৰীক এই বেক্টেৰীয়াবোৰে 314 PPB লৈ গাঢ় কৰিছিল। আন কিছুমান মাছত আকৌ 50 PPB পৰ্যন্ত গাঢ়ীকৃত মাৰ্কাৰী পোৱা গৈছিল। পিছত এই মাছবোৰ খোৱাৰ ফলতেই মিনামাতাৰ এই দুৰ্ঘটনা ঘটিছিল।

মাৰ্কাৰীৰ দ্বাৰা পৰিৱেশ প্ৰদূষণ যিহেতু মানুহেই কৰিছিল গতিকে ইয়াক ৰোধ কৰাৰ ছাবি-কাঠি মানুহৰ হাততেই আছে। গতিকে উপযুক্ত উপায় অৱলম্বন কৰি মানুহে মৃত্যু তথা পৰিৱেশ প্ৰদূষণ ৰোধ কৰিব পাৰে।■

— (সহায়লৈ)

> বিজ্ঞানৰ প্ৰতি আমাৰ আস্থা যাতে নিজেই এক অন্ধবিশ্বাসত পৰিণত নহয় তাৰ বাবে সতৰ্ক থাকিব লাগিব। যি কোনো এটা যুগৰ বৈজ্ঞানিক ধ্যান-ধাৰণাসমূহক শেষ সত্য বুলি ধৰিব নোৱাৰি। তেনে ধাৰণা অবৈজ্ঞানিক। সেয়ে কাৰ্ল পপাৰে কৈছে যে বিজ্ঞানৰ মৰ্ম কোনো ধাৰণা প্ৰমান কৰা নহয়, অপ্ৰমাণ কৰাহে - "falsification", "verification" নহয়।
>
> - ডঃ হীৰেন গোঁহাই



চিন্তাৰ ঢৌ

# বিজ্ঞান আৰু সৰু পৰীক্ষা ডাঙৰ মজা

• বসন্ত বিৰাজ দাস
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

বিজ্ঞানৰ পৰীক্ষাৰ কথা ক'লে জটিল, কষ্টকৰ পৰীক্ষা-নিৰীক্ষাৰ কথা সাধাৰণতে আমাৰ মনলৈ আহে। কিন্তু, তলত বৰ্ণোৱা পৰীক্ষাকেইটা তেনেই সহজ আৰু প্ৰয়োজনীয় বস্তুবোৰো সহজে পোৱাবিধৰ।

**মুৰ্গীৰ কণীৰ পৰা পোৱালি জগাবৰ বাবে incubator (কণীৰ পৰা পোৱালি জগোৱা যন্ত্ৰ) এটা ঘৰতে সাজো আঁহক ঃ-**

Incubator ত কণী থলে মাকৰ সহায় নোলোৱাকৈয়ে কণীৰ পৰা পোৱালি জগে। এনে incubator এটা ঘৰতে সহজে বনাব পাৰি। প্ৰথমতে দুটা Card board ৰ বাকচ (গেলামালৰ দোকানত পাব) লোৱা হ'ল। এটা ডাঙৰ আনটো সৰু যাতে সৰুটো ডাঙৰটোৰ ভিতৰত সোমালে মাজত কিছু ফাঁক থাকে (এই ধৰক, 5-8 cm মান)। এই ফাঁকটোত কণী কেইটামান কাগজেৰে মেৰিয়াই (পুৰণি বাতৰি কাকত) সোমোৱাই লোৱা হ'ল। কাগজবোৰৰ মাজত এটা thermometer (জ্বৰ জোখা যন্ত্ৰ) সোমোৱাই থোৱা হ'ল। উম দিবৰ বাবে সৰু বাকছটোৰ ভিতৰত এটা ইলেকট্ৰিক বাল্ব জ্বলোৱা হ'ল। Incubator ৰ ভিতৰৰ আৰ্দ্ৰতা (বতাহত পানীৰ পৰিমান) বেছি ৰখাৰ বাবে সৰু বাকছটোৰ ভিতৰত এটা বাতিত অলপমান পানী ৰখা হ'ল। এতিয়া ডাঙৰ বাকছটোৰ ঢাকনি বন্ধ কৰা হ'ল। বাকছৰ ভিতৰৰ কাগজৰ পৰিমান বা ব্যৱহাৰ কৰা বাল্বৰ পাৱাৰৰ (60w, 100w ইত্যাদি) পৰিবৰ্তন কৰি বাকছৰ (বৰ্তমান Incubator হৈ গ'ল) ভিতৰৰ উষ্ণতা নিয়ন্ত্ৰণ কৰিব পাৰি। এনেদৰে বাকছৰ ভিতৰৰ উষ্ণতা 21 দিনৰ (মুৰ্গীৰ কণীৰ Incubation Period) বাবে $40^{o}$c (বা $103^{o}$ F) ৰ আশে-পাশে ৰাখিলে কণীবোৰ ফুটি মুৰ্গীৰ পোৱালী বাহিৰ হ'ব। কণীবোৰ যাতে চাৰিওদিশৰ পৰা সমানভাৱে উম পায় তাৰ বাবে মাজে সময়ে সিহঁতক লৰ-চৰ কৰাই দিব লাগে। এনেদৰে, অতি সহজে ঘৰতে Incubator সাজিব পাৰি।

**জীৱিত ভেকুলী এটাক থৰ লগাও আহঁক (Artificial Hibernation) ঃ-**

আমি সকলোৱে জানো শীতকালত ভেকুলীবোৰে (বা আন যি কোনো শীতলৰক্তী প্ৰাণীয়ে) শীতশয়ন কৰে (Hibernation)। কিন্তু, গ্ৰীষ্মকালতো কৃত্ৰিম ভাৱে ভেকুলীক শীতশয়ন কৰিবৰ বাবে বাধ্য কৰিব পাৰি। প্ৰথমতে এটা Aquarium (বা এটা কাঁচৰ ডাঙৰ বটল)ত কিছু বোকা লোৱা হ'ল। এই বোকাৰ মাজত এটা সৰু পানীপূৰ্ণ পুখুৰী সজা হ'ল। এতিয়া এই Aquarium টোৰ ভিতৰত এটা পানী বেং (বা ভেকুলী) লোৱা হ'ল। বেং টো যাতে জাপ মাৰি বাহিৰলৈ ওলাই যাব নোৱাৰে তাৰবাবে, Aquarium টোৰ ভিতৰত এখন তাঁৰৰ ঢাকনি দিয়া হ'ল। সাধাৰণ অৱস্থাত বেংটো জপিয়াই থাকিব আৰু উশাহ - নিশাহ লোৱাৰ বাবে ডিঙি অঞ্চল ঢপঢপাই থাকিব। এতিয়া Aquarium টোৰ ভিতৰত কেইটুকুৰামান বৰফ সুমুৱাই দিয়া হ'ল। এই অৱস্থাত বেংটোৰ উশাহ-নিশাহ কমি আহে; জপিওৱা বন্ধ কৰি লেহেমে হৈ পৰে আৰু শেষত জথৰ হৈ পৰে। ইয়ে শীতশয়ন। নাইবা, এই সকলোবোৰ ঝামেলা বাদ দি ভেকুলী এটাৰ গাত বৰফ এটুকুৰা কিছুসময়ৰ বাবে লগাই ৰাখিলেও এই একে প্ৰতিক্ৰিয়া হয়।

**এটা বৈদ্যুতিক বাল্ব নিজে ঘৰতে বনাও আহঁক ঃ-** প্ৰথমতে Cork লগোৱা কাঁচৰ বটল (Homeopathic bottle লব পাৰি) এটা লোৱা হ'ল। Cork ৰ মুখাটো খুলি লৈ দুডাল সুপৰিবাহী তাঁৰৰ মুক্ত মূৰ দুটা বাহিৰৰ পৰা Cork ৰ ভিতৰলৈ সুমুৱাই লোৱা হ'ল। এতিয়া, এডাল মিহি তাঁৰ (যিমান সম্ভৱ মিহি তাঁৰ লোৱা ভাল) কৰ্কটোত সুমুৱাই লোৱা তাঁৰ এডালত প্ৰথমতে কুণ্ডলী আকৃতিত পকাই, অলপ ঠাই এৰি আনডাল তাঁৰতো একে ধৰণে কুণ্ডলী সদৃশ

পকোৱা হ'ল (এইডালে বাল্বটোৰ Filamentৰ কাম কৰিব)। পিছত ফিলামেন্টডাল বটলটোৰ ভিতৰলৈ সোমোৱাই কৰ্কটোৰ দ্বাৰা বটলটোৰ মুখ বায়ুৰুদ্ধ ভাবে বন্ধ কৰা হ'ল। এতিয়া বটলটোৰ বাহিৰত থকা তাঁৰ দুডালৰ মূৰ দুটা এটা বেটাৰীৰ লগত সংযোগ কৰা হ'ল। বৰ্তনী সম্পূৰ্ণ হ'লে বাল্বটো জ্বলি উঠিব।(কিন্তু, দুৰ্ভাগ্যবশতঃ আমি সজা বাল্বটো কিছু সময়ৰ পিছতে নুমাই যাব। কাৰণ, বটলটোৰ ভিতৰত অক্সিজেন থকা বাবে Filament ডাল দাহিত হয়।বজাৰত পোৱা বাল্ববোৰৰ ভিতৰৰ পৰা অক্সিজেন আঁতৰাই নিষ্ক্ৰিয় গেছ সুমুৱাই ৰখা হয়।)

নিজে বনোৱা Photofilm ৰ দ্বাৰা Photography কৰো আঁহক ঃ-

ইয়াৰ বাবে এটা এন্ধাৰ কোঠাৰ প্ৰয়োজন (সামান্য পৰিমানে পোহৰ থাকিলে কোনো অসুবিধা নহয়) এতিয়া 5gm Potassium ferricyanide আৰু 5 gm Ferric ammonium citrate (দুয়োবিধ Chemistry Laboratory ত পোৱা যাব) 50 ml পানীত মিহলোৱা হ'ল। এতিয়া কাগজৰ টুকুৰা এটা কিছুসময়ৰ বাবে এই দ্ৰৱত ডুবাই এন্ধাৰ কোঠাত ওলোমাই কাগজ ডোখৰ শুকোৱা হ'ল। ইয়াৰ ফলত কাগজডোখৰ পোহৰৰ বাবে সংবেদনশীল হৈ পৰিব। কাগজ ডোখৰত যিকোনো এটা বস্তু থৈ দুই মিনিটৰ বাবে সূৰ্য্যৰ পোহৰত মুক্তভাবে ৰাখিলে যিবোৰ ঠাইত সূৰ্য্যৰ পোহৰ পৰিব, সেইবোৰ ঠাইত থকা ৰসায়নিক পদাৰ্থৰ পৰিৱৰ্ত্তন ঘটি নীলাবৰণ ধৰিব। আনহাতে, যিবোৰ ঠাইত সূৰ্য্যৰ পোহৰ নপৰে সেইবোৰ ঠাইৰ ৰসায়নিক পদাৰ্থৰ কোনো পৰিৱৰ্তন নঘটে আৰু আগৰ অৱস্থাতে থাকে। পিছত কাগজৰ টুকুৰাটো পানীৰে ধোৱাৰ ফলত বিক্ৰিয়া নকৰা ৰসায়নিক পদাৰ্থ পানীত দ্ৰৱীভূত হয়।আনহাতে, সৃষ্টি হোৱা নীলা ৰং অদ্ৰৱনীয় অৱস্থাত থাকে। ফলত, বস্তুটোৰ বগা প্ৰতিচ্ছবি এটা পোৱা যায়।বস্তুটোৰ সলনি Photographyৰ negative এখন ৰাখিলে positive এখন পোৱা যায়।

এটা অগ্নিনিৰ্বাপক বটল সাজো আঁহক (Fire extinguisher bottle) ঃ-

প্ৰথমতে এটা Spray bottle (মহ-মাখি মৰা পতংগনাশকৰ বটল বা Perfumeৰ Spray bottle ল'ব পাৰি)। এই বটলটোৰ আধালৈকে Vinegar ভৰোৱা হ'ল। তাৰপিছত তাত কিছু Baking Soda মিহলাই লগে লগে বটলৰ মুখটো মাৰি লোৱা হ'ল। Vinegar আৰু Baking Soda ৰ মাজত বিক্ৰিয়া ঘটি Carbon dioxide সৃষ্টি হয় আৰু ই বটলৰ ভিতৰত উচ্চচাপত সঞ্চিত হয়।এতিয়া এডোখৰ কাগজৰ জুই জ্বলাই সেই জুইৰ ওপৰত এই বটলটোৰ দ্বাৰা Carbon dioxide spray কৰিলে জুইকুৰা নুমাই যায়। এনেদৰে অতি সহজে এটা অগ্নিনিৰ্বাপক বটল সাজিব পাৰি।

এটোপাল পানীত কি কি জীৱ থাকিব পাৰে পৰীক্ষা কৰি চাওঁ আঁহক ঃ-

ইয়াৰ বাবে প্ৰথমতে এটা ডাঙৰ পাত্ৰত (প্লাষ্টিক বা কাঁচৰ জগ এটা) 2-3 cm মান পুখুৰীৰ তলিৰ বোকা লোৱা হ'ল। পাত্ৰটোৰ প্ৰায় আধামানলৈ পুখুৰীৰ পানী ভৰাই লোৱা হ'ল। পাত্ৰটোত পুখুৰীৰ পাৰত গজা ঘাঁহ কেইডালমান আৰু 10-12 টা মান সিজোৱা চাউল দিয়া হ'ল। এই চাউল কেইটাই অনুজীৱৰ পোষণ দ্ৰব্য হিচাপে কাম কৰিব। সূৰ্য্যৰ পোনপটীয়া পোহৰৰ পৰা আঁতৰত এসপ্তাহৰ বাবে পাত্ৰটো তেনেদৰে ৰখা হ'ল। পিছত সেই কৰ্ষণ দ্ৰব্যৰ (Culture) পৰা এটোপাল এখন শ্লাইডত লৈ অনুবীক্ষণৰ তলত পৰীক্ষা কৰা হ'ল। তাত বহুতো এককোষী জীৱ, পানীত থকা পোক-পতংগ, কৃমি আদিবোৰ কিল্‌কিলাই থকা দেখা যাব। এইবোৰক চিনাক্ত কৰাটো এটা বৰ মজাৰ কাম। কৰ্ষণ দ্ৰব্য নিজে প্ৰস্তুত নকৰি পুখুৰীৰ পানী পোনে-পোনে অনুবীক্ষনৰ তলত পৰীক্ষা কৰিব পাৰি।

এনেধৰণৰ সহজ-সৰল, মজা লগা পৰীক্ষা বহুতো কৰিব পৰা যায়। লিখি গৈ থাকিলে শেষ নহ'ব। ■


সহায়ক পুথি ঃ-

*Young People's Science Encyclopedia.*
*Evanston, Illinois, U.S.A.*
*Vol- 3,6,11,15,18*




চিন্তাৰ ঢৌ

# সঙ্গীতৰ ভাষা


• জয়শ্ৰী দেৱী
স্নাতক প্ৰথম বৰ্ষ (কলা)


পৃথিৱীৰ সমস্ত কলাৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ আৰু শক্তিশালী কলা হ'ল সঙ্গীত ।ইয়াক আদিম যুগৰে পৰা মানৱে অন্তৰৰ আৱেগ, অনুভূতি, হৰ্ষ- বিষাদ আদি প্ৰকাশৰ মাধ্যম ৰূপে ব্যৱহাৰ কৰিছিল । আদিম মানৱে হিংস্ৰ জন্তু বা শত্ৰুৰ মনত ত্ৰাসৰ সৃষ্টি কৰিবলৈ কোনো ফোপোলা গছৰ মূঢ়াত চপৰিয়াই বা ধেনুভিৰীয়া বাহঁত শব্দ উলিয়াবলৈ চেষ্টা কৰিছিল। যাৰ দ্বাৰাই হয়তো তেওঁলোকৰ মাজত সঙ্গীতৰ সৃষ্টি হৈছিল।

সঙ্গীত হৈছে গীত, বাদ্য আৰু নৃত্য এই তিনিও কলাৰ সমাবেশ। এই তিনিও কলাৰ ভিতৰত গীতক প্ৰধান স্থান দিয়া হৈছে । গীতক সহায় কৰাৰ বাবেহে বাদ্য যন্ত্ৰৰ আৱিস্কাৰ হৈছিল। আমি সদায় দেখি থকা তবলা, হাৰমনিয়াম, গীতাৰ,তানপুৰা আদি এনে ধৰণৰ বাদ্য যন্ত্ৰ ।বাদ্যই গীতক অনুসৰণ কৰে। সেয়ে গীতৰ পিছতে বাদ্য যন্ত্ৰক স্থান দিয়া হৈছে। নৃত্যৰ স্থান সবাতোকৈ শেষত, কাৰণ গীত,বাদ্য নহ'লে এইবিধ কলাৰ প্ৰদৰ্শন হ'ব নোৱাৰে। নৃত্যৰ ক্ষেত্ৰত শ্ৰৱণেন্দ্ৰিয়ৰ লগত দৰ্শনেন্দ্ৰিয়ও যুক্ত হয়। নৃত্যাঙ্গনা সকলে নৃত্য প্ৰদৰ্শনৰ সহায়ত নিজৰ শৰীৰৰ অঙ্গ- প্ৰত্যঙ্গ সঞ্চালনৰ দ্বাৰা মনৰ ভাব প্ৰকাশ কৰে । সেইবাবেই হয়তো পুৰণিকালত সম্ভ্ৰান্ত পৰিয়ালত নৃত্য শিক্ষাৰ প্ৰতি ধাউতি কমি গৈছিল। কিন্তু বৰ্তমান পুনৰ নৃত্য শিক্ষাৰ প্ৰতি আগ্ৰহ বাঢ়িছে। কণ্ঠ সঙ্গীতে শ্ৰৱণেন্দ্ৰিয়ৰ যোগেদি মানুহৰ মস্তিষ্কলৈ গৈ মনৰ আবেগ, অনুভূতি আৰু সৌন্দৰ্য্যবোধ জগাই তোলে। সকলো জীৱৰ ক্ষেত্ৰত সুৰ, তাল আৰু লয়ৰ প্ৰভাৱ পৰিলক্ষিত হয়। সেই কাৰণে ইয়াক সাৰ্বজনীন কথা বুলি কোৱা হয় ।

সঙ্গীতৰ এটা ভাষা আছে । কিন্তু এই ভাষাই ইংৰাজী, হিন্দী, বাংলা, অসমীয়া বা আন তেনে কোনো বেলেগ ভাষাক বুজোৱা নাই । ধ্বনি বা শব্দই হৈছে সঙ্গীতৰ ভাষা। কোনো বস্তু লৰচৰ কৰিলে কম্পনৰ সৃষ্টি হয় আৰু তাৰ পৰাই ধ্বনিৰ সৃষ্টি হয় । কথা কওঁতে বা গীত গাওঁতে কণ্ঠৰ স্বৰতন্ত্ৰী আন্দোলিত হৈ ধ্বনিৰ সৃষ্টি হয় । তবলা, খোল বা ঢোলৰ শব্দ বা ধ্বনি শুনিবলৈ পাওঁ চামৰাৰ আবৰণৰ আন্দোলনৰ ফলত । কিন্তু সকলো প্ৰকাৰৰ ধ্বনিৰ সৃষ্টি আন্দোলনৰ পৰা হলেও অনিয়মিত আৰু বিশৃঙ্খল ধ্বনিয়ে কেতিয়াও শ্ৰৱণেন্দ্ৰিয়ক আনন্দ প্ৰদান কৰিব নোৱাৰে। গতিকে শ্ৰুতিমধুৰ আৰু শৃঙ্খলাবদ্ধ ধ্বনিহে সঙ্গীতৰ বাবে উপযোগী । কোনো এটা ধ্বনি কৰ্ণগোচৰ হোৱাৰ লগে লগে সি কৰ পৰা উৎপন্ন হৈছে আমি কৈ দিব পাৰো । সেই কাৰণে আমি পেঁপাৰ মাতক বাঁহীৰ মাত বুলি কোৱাত খুউব কম ভুল কৰো । খুউব পৰিচিত ব্যক্তি এজনৰ কণ্ঠস্বৰো আন এজনৰ লগত নিমিলে । বহু সময়ত পৰিচিত ব্যক্তিজনক নেদেখাকৈয়ে তেওঁৰ ক ণ্ঠস্বৰ শুনিয়েই তেওঁৰ পৰিচয় দিব পাৰো। কেৱল অৰ্থ প্ৰকাশ কৰি ভাষাৰ দ্বাৰা গালেই সঙ্গীত হ'ব নোৱাৰে, যদিহে তাত কোনো ভঙ্গী, প্ৰাণ, আবেগ আদি নাথাকে । কোনোবাই যদি সুহুৰি মাৰি গান গায় তেতিয়াও তেওঁৰ কাৰণে হয়তো সেইটো সঙ্গীতেই হ'ব । পৃথিৱীৰ বহু জনগোষ্ঠীয়ে নৃত্য প্ৰদৰ্শন কৰোতে গীতৰ ঠাইত চিঞৰ ব্যৱহাৰ কৰে। গতিকে সঙ্গীত যিকোনো ক্ষেত্ৰতে হ'ব পাৰে । নিজৰাৰ কুলু-কুলু শব্দ , বৰষুণৰ টিপ-টিপ শব্দ, জলপ্ৰপাতৰ নাগাৰা সদৃশ শব্দ, সাগৰৰ ঢৌৰ শব্দ, ঘড়ীৰ টিক-টিক শব্দ আদি সকলোবোৰতে সঙ্গীতৰ সৃষ্টি হয় । পৃথিৱীত হয়তো এনে এডোখৰ ঠাই নোলাব য'ত সঙ্গীত নাই । পৃথিৱীত হয়তো এনে এজন মানুহ নোলাব যিয়ে সঙ্গীতক বেয়া পায় ।

আমাৰ চাৰিওফালে অধিকাৰ কৰি থকা সঙ্গীতৰ উৎসবোৰৰ পৰা নিজৰ ভালপোৱা খিনি উপভোগ কৰিব জানিলে সঙ্গীতৰ যোগেদি জীৱনৰ আমনিলগা মূহুৰ্তবোৰ আনন্দময় কৰি তুলিব পাৰি ।

সঙ্গীত শুনিবলৈ নতুবা গীত এটি গাবলৈ মানুহৰ মন সদায় শান্ত অৱস্থাত থাকিব লাগে। অশান্ত মন লৈ নতুবা খং, ক্ষোভ, হিংসা আদি ভাৱৰ বশৱৰ্তী হৈ গীত শুনিবও নোৱাৰি , গাবতো

নোৱাৰিয়েই । সঙ্গীত সদায় সুন্দৰ। সুমধুৰ ধ্বনিয়ে আমাৰ হৃদয়ত অহৰহ প্ৰতিক্ৰিয়া কৰি থাকে। আমি সুৰৰ মাধুৰীত ডুব গৈ থকা অৱস্থাত পৃথিৱীৰ সকলো ধৰণৰ দুখৰ পৰা মনটোক মুকলি কৰি ৰাখোহঁক।

Music Therapy ৰ সহায়ত দুৰাৰোগ্য ৰোগো নিৰাময় কৰাৰ কাহিনী নতুন নহয় । আনহাতে সঙ্গীতময় পৰিবেশত গছৰ পুলি এটা ডাঙৰ কৰি যিমান বিকশিত হোৱা দেখা যায় সঙ্গীত বিহীন গছৰ পুলিৰ ক্ষেত্ৰত সিমান বিকাশ পোৱা নাযায় । ইয়েই প্ৰমান কৰে গছ - গছনিৰ ক্ষেত্ৰতো সংগীতে কিমান প্ৰভাৱ পেলাব পাৰে। সঙ্গীত যে অকল মানুহৰ বাবে এনে নহয় জন্তু জানোৱাৰৰ বাবেও সঙ্গীত উপযোগী। বিষধৰ সাপকো সঙ্গীতৰ ধ্বনিৰে মোহিত কৰিব পাৰি। বৈজ্ঞানিক পৰীক্ষা - নিৰীক্ষাৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে যে বিশেষ ধৰণৰ সঙ্গীত ব্যৱহাৰ কৰিলে গাই গৰুৱে বেছি গাখীৰ দিয়ে ।

পৃথিৱীখন সঙ্গীতময়। যি সকল লোকে সঙ্গীতক ভাল পায় তেওঁলোকে সদায় এক প্ৰেমময় মনৰ অধিকাৰী আৰু এই সুন্দৰ পৃথিৱীখনক খুউব ভাল পায়। সঙ্গীতৰ নিজৰ কোনো ভাষা নাই । ধ্বনিয়ে ইয়াৰ ভাষা। এই ধ্বনি সদায় মধুৰ আৰু সুন্দৰ । সেয়ে সঙ্গীতক সদায় সুন্দৰ বোলা হয় আৰু সঙ্গীতকাৰ সকলৰ দৃষ্টিত সঙ্গীত সদায় "সত্যম শিৱম সুন্দৰম।" ■

শাস্ত্ৰীয় বা ধ্ৰুপদী নৃত্য-গীতৰ চৰ্চা প্ৰাচীন অসমত কেনেদৰে হৈছিল সেই সম্বন্ধে কোনেও গৱেষণা কৰা নাই। অথচ খ্ৰীষ্টপূৰ্ব এহাজাৰ চন মানৰ ভিতৰত যদি আৰ্য্যসকল ব্ৰহ্মপুত্ৰ উপত্যকা পাইছিলহি তেনেহ'লে তেওঁলোকে সামগানৰ অনুশীলন নকৰাকৈ থকাৰ প্ৰশ্ন উঠিব নোৱাৰে। খৃষ্টীয় দ্বিতীয় শতিকাতে ভৰতে তেওঁৰ 'নাট্য শাস্ত্ৰ'ত প্ৰাগজ্যোতিষত নাট্য-ৰীতি এটাৰ প্ৰচলন থকাটো লক্ষ্য কৰিছিল। তাৰ পিছত চতুৰ্থ শতিকাৰপৰা আহোম যুগৰ আগলৈকে যিবিলাক শাসন আৱিষ্কৃত হৈছে সেইবিলাকত, বিশেষকৈ সপ্তম শতিকাৰ পিছৰ পৰা ধ্ৰুপদী নৃত্য-গীতৰ ভালেমান উল্লেখ আছে। এইবিলাকৰ প্ৰায় সমসাময়িকভাৱে বা কিছু আগপিছাকৈ ৰচিত বুলি কোৱা চৰ্য্যাপদবিলাকতো নানান ৰাগৰ উল্লেখে সেই অসমীয়া ভাষাই স্বতন্ত্ৰ ৰূপ ল'বৰ সময়তে - শাস্ত্ৰীয় সংগীত চৰ্চা প্ৰচলন থকাৰ প্ৰমাণ দাঙি ধৰিছে, যি কথা পৰৱৰ্তী দুৰ্গাবৰী গীতসমূহেও সুপ্ৰতিষ্ঠিত কৰিছে। কিন্তু এইবিলাক বিষয় লৈ যোগ্যজনৰদ্বাৰা বিস্তৃত অধ্যয়ন হ'বলৈ এতিয়াও বাকী।

- যোগেশ দাস



# কল্প বিজ্ঞান



## অনুক্ৰমণিকাঃ


• হিউমেনকুলাচ

মূল ঃ ইলিয়া ভাৰসাভ্স্কি,

ভাষান্তৰ ঃ ৰতন চন্দ্ৰ ভট্টাচাৰ্য / ১৯

কল্প বিজ্ঞান

# হিউমেনকুলাচ

মূল ঃ ইলিয়া ভাৰসাভস্কি
ভাষান্তৰ ঃ ৰতন চন্দ্ৰ ভট্টাচাৰ্য
প্ৰবক্তা, প্ৰাণীবিদ্যা বিভাগ



টেলিফোনটো বোধকৰো বহু সময়ৰ পৰা বাজি আছিল। অনুজ্জ্বল পোহৰত চকু দুটা অনিচ্ছাস্বত্তেও মেলি ঘড়ীৰ ফালে চালো। দুটা বাজি গৈছে। ইমান ৰাতিনো কোনে ফোন কৰিছে!

ৰিচিভাৰটো তুলি কাণত লগাওঁতেই শুনা গ'ল স্মিৰনোভ্ৰ মাত "ওঃ, তোমাৰ তেনেহলে টোপনি ভাগিল ?" খুব উত্তেজিত কণ্ঠ।"

"এতিয়া ......... ইমান ৰাতি ........... ঘটনা কি ?"

" এটা দুৰ্ঘটনা ঘটিছে। হিউমেনকুলাচটো পলাইছে , তাৰ মূৰত এতিয়া সকলো তহিলং কৰাৰ বীজাণু সক্ৰিয়। এতিয়া আগত যিহকে পায় — মই — মই ভাবিব পৰা নাই চহৰখনত সি কেনেকুৱা ধ্বংস কাৰ্য সংঘটিত কৰি ফুৰিছে !"

" মই তোমাক তেতিয়াই কৈছিলো -" মোৰ কথা শেষ হ'বলৈ নাপালে, তাৰ আগতেই ফোনৰ লাইন কাটি দিলে স্মিৰনোভে। অগত্যা মই ঘড়ীৰ ৰেডিয়াম ডায়াললৈ লক্ষ্য কৰিলো। আঢ়েটা বাজিছে। নাই, আৰু পলম কৰিব নোৱাৰি।

* * *

হিউমেনকুলাচ ! নামটোময়েই দিয়া। স্মিৰনোভৰ মস্তিস্কত তেতিয়া এক অদ্ভূত খেয়ালে ক্ৰিয়া কৰিছিল- নিজৰ ইচ্ছানুসাৰে চিন্তা-ভাবনা কৰিব পাৰে এনে এটি ৰ'বট বনোৱা। মলিকিউলাৰ ফিজিক্সৰ বিশাল ক্ষেত্ৰত স্মিৰনোভে একালত যি গৱেষণা কৰিছিল, সেইবোৰৰ ওপৰত ভিত্তি কৰিয়েই মানুহৰ মস্তিস্কৰ দৰে এটা নকল মস্তিস্ক গঢ়াৰ কামত তেওঁ মনোনিৱেশ কৰিছিল।

এনেকুৱা কাম সম্পৰ্কত মই অৱশ্যে কেতিয়াও আগ্ৰহী নাছিলো। মোৰ কথা হ'ল, চাইবাৰনেটিক্সৰ চৰ্চা যিসকলে কৰে, তেওঁলোক মানুহৰ কামত সহায়ক হ'ব পাৰে এনেকুৱা যন্ত্ৰ বনোৱা কামতে ব্যস্ত থাকক, তাৰ বাহিৰলৈ নোযোৱাই ভাল।

জীৱন্ত প্ৰাণী সদৃশ বিভিন্ন যান্ত্ৰিক মডেল যে গঢ়া সম্ভৱ তাত অৱশ্যে মোৰ কোনো সন্দেহ নাছিল। কিন্তু সেই আই-চি-আৰ,ট্ৰেনজিষ্টাৰ আদিৰে মানুহ এজনৰ দৰে কিবা এটা তৈয়াৰ কৰা - এনে ধাৰণা কিম্বা কাম- কাজ মই একেবাৰেই মানি ল'ব পৰা নাছিলো। মানুহ আৰু মানুহৰ দৰে এটি যন্ত্ৰ- যি যন্ত্ৰই মানুহৰ দৰে চিন্তা কৰাৰ ক্ষমতা আছে অথচ মানুহৰ দৰে হৃদয় নাই - যিয়ে কেৱলমাত্ৰ অংকৰ নিয়ম মানি কাম কৰি যায়- এই দুটাৰ মাজত এটা বিৰাট বিৰোধ সৃষ্টি হ'ব পাৰে বুলি মই শংকিত আছিলো। মই ভয় কৰিছিলো- যন্ত্ৰটো যিমান নিখুঁত হয়, যিমান বেছি চিন্তা-ভাবনা কৰিবলৈ সক্ষম হয়- সিমানে ই অধিক অমানুষিক ব্যৱহাৰ কৰিব, ইচ্ছা শক্তিৰ পূৰ্ণ ব্যৱহাৰ কৰিব।এই আশংকা মই স্মিৰনোভৰ আগত বেʼবাবাৰো ব্যক্ত কৰিছিলো। স্মিৰনোভে অৱশ্যে মোক পাত্তা নিদিলে।

"তোমাৰ কথাবোৰ সাধুকথাৰ ধাৰ্মিক বগলীটোৰ দৰে লাগিছে" তেওঁ কলে, "মানুহৰ ভ্ৰূণক টেষ্ট-টিউবত বৃদ্ধি কৰোৱা বিষয়ত নীতিৰ প্ৰশ্ন উত্থাপন কৰি যিসকলে হৈ চৈ কৰে, তেওঁলোকৰ কথা-বতৰা শুনিলেও মোৰ একেই কথা মনলৈ আহে। চোৱা, বৈজ্ঞানিক এজনৰ পক্ষে তোমালোকৰ এই আবেগ-টাবেগবোৰক বেছি প্ৰশ্ৰয় দিয়া সম্ভৱ নহয়।"

"ভ্ৰূণক টেষ্ট-টিউবত ডাঙৰ কৰাটো বেলেগ কথা" মই শেষ চেষ্টা কৰি ক'লো "তেনে কাম মানুহৰ কল্যান-মানবিক প্ৰয়োজনত কৰা হয়। সেই ক্ষেত্ৰত নীতিৰ প্ৰশ্ন নুঠে। কিন্তু চোৱা, আজি যদি কাৰোবাৰ মূৰত এনে উদ্ভট চিন্তা সোমায় যে টেষ্ট টিউব এটাৰ ভিতৰতে পৰিপূৰ্ণ মানুহ এজন বনাব, তেনেহ'লে ? বান্দৰ আৰু মানুহক একত্ৰিত কৰি বিচিত্ৰ জন্তু এটা তৈয়াৰ কৰা আৰু এনেকুৱা এটা হিউমেনকুলাচ তৈয়াৰ কৰা - দুয়োটাই মোৰ বাবে একে যেন লাগে।"

" হিউমেনকুলাচ ? হিউমেনকুলাচ মানে কি?"

স্মিৰনোভে মোৰ বাকী কথাবোৰ মুঠেও শুনা যেন নালাগিল।

" হিউমেনকুলাচ ....... হিউমেনকুলাচ মানে হ'ল এজাতি সৰু আকাৰৰ মানুহ বা প্ৰায় মানুহ বুলি তুমি ক'ব পাৰা ।"

"হিউমেনকুলাচ ! হয়, হিউমেনকুলাচ।" মুখখন উজলাই স্মিৰনোভে মোৰ ফালে চালে, "তোমাক ধন্যবাদ ! মই ইমানদিনে ইয়াকে ভাবি উলিয়াব পৰা নাছিলো । মোৰ ৰ'বটটোৰ নাম কি ৰাখিম কোৱাচোন ? হিউমেনকুলাচ ।"

* * *

স্মিৰনোভে চিড়িৰ তলত অপেক্ষা কৰি আছিল, মই আগবাঢ়ি যাওঁতেই দুৱাৰখন মেলি ধৰি কলে, "ভিতৰৰ ফালে এবাৰ চোৱা ! "

চোৱাৰ বাবে অৱশ্যে বিশেষ একো নাছিল। এনে ধাৰণা হৈছিল, কোনোবাই যেন কৰিম বুলিয়েই ভিতৰৰ সকলো বস্তু ভাঙি-চিঙি গৈছে।

ঘৰৰ দুৱাৰমুখত স্মিৰনোভৰ টি ভি ছেটৰ সৰু টুকুৰাবোৰ অ'ত-ত'ত সিঁচৰিত হৈ আছিল। যেন সেয়া কোনোবা অতিপ্ৰাকৃত শক্তিৰ কাণ্ড।

গেছৰ অকটা গোন্ধ এটাই নাকত আঘাত হানিছিল। গোন্ধটো ক'ৰ পৰা আহিছে, জনাৰ কাৰণে ড্ৰইংৰুমটো পাৰ হৈ বাথৰুমত সোমালো। পানী গৰম কৰা গীজাৰটোৰ অস্তিত্ব মজিয়াত সিঁচৰিত হৈ থকা যন্ত্ৰাংশৰ পৰা মাথো অনুমান কৰিব পাৰি। গেছৰ পাইপটো বন্ধ কৰি স্মিৰনোভ পঢ়াৰ ঘৰলৈ আহিলো ।এই ঘৰটোৰ অৱস্থা সিমান বেয়া নহয়। মাত্ৰ কিতাপ আৰু কাগজ পত্ৰবোৰ ঘৰটোৰ অ'ত-ত'ত পৰি আছে।কাষতে পোৱা চকীখনত ধপচ্কৈ মই বহিলো ।"ওঃ, সাংঘাতিক ! কিন্তু ঘটনাটো হ'ল কেনেকৈ ?"

" কি আৰু ক'ম ", স্মিৰনোভে তেওঁৰ অত্যাৱশ্যকীয় ফাইল - কাগজবোৰ গোটাই টেবুলখনত থ'বলৈ লাগিল, "তোমাকতো কৈছিলোৱেই , যোৱা বছৰ মই হিউমেনকুলাচক লেব'ৰেটেৰীৰ পৰা ঘৰলৈ লৈ আহিছিলো। আচলতে মই ভাবিছিলো ঘৰত থাকিলে তাৰ ওপৰত অধিক মনোযোগ দিব পাৰিম। কিন্তু যোৱা দুটা সপ্তাহত সি আচৰিত ধৰণে মন মাৰি আছিল। কেনেকৈ নাজানো, মৃত্যু-অপমৃত্যু আদি কিছুমান বিষয় লৈ সি বৰকৈ মূৰ ঘমাইছিল । প্ৰায়েই মোৰ কাণৰ ওচৰত আহি মৃত্যু কি, কেনেকৈ মৃত্যু হয়, এইবোৰ লৈ ঘেঁকেটালি কৰি আছিল । তিনিদিন আগৰ কথা - হিউমেনকুলাচে মোক নেৰে, মানুহৰ সৈতে তাৰ পাৰ্থক্য ক'ত ক'ব লাগে। অগত্যা মই কলো । তাৰ পিচত মোক অবাক কৰি সি সুধিলে, মই কাহানিবা তাৰ যন্ত্ৰাংশবোৰ খুলি তাক নষ্ট কৰি পেলোৱাৰ কথা ভাবিছো নেকি। তাৰ এইবোৰ পেৰ্পেৰনি শুনি শুনি মই একেবাৰে বিৰক্ত হৈছিলো। তাৰবাবেই ইমান ডাঙৰ ভুলটো মই কৰিলো।"

"মই খং কৰি তাক ক'লো, এইবোৰ আজে-বাজে চিন্তা বাদ দি তুমি নিজৰ কামত মন দিয়া। নহলে এতিয়াই তোমাৰ



সকলো পাৰ্টছ খুলি পেলাম।" মোৰ কথাত হিউমেনকুলাচ যেন অবাক হ'ল। মোৰ ফালে ৰ লাগি চাই নিস্প্ৰভ মুখেৰে সি কলে " তেনেহলে তেতিয়া মোৰ নিস্প্ৰাণ পাৰ্টছবোৰহে অস্তিত্ব থাকিব ? মোৰ নিজৰ কোনো অস্তিত্ব নাথাকিব। মোৰ আৰু কথা বঢ়াই থকাৰ ইচ্ছা নাছিল। মাত্ৰ ' তুমি ঠিকেই ধৰিছা ' বুলি গুছি গলো। "

" তাৰপিচত ? "

" তাৰপিচত গোটেই দিন হিউমেনকুলাচে আৰু কোনো কথা নকলে।" স্মিৰনোভে মাটিত পৰি থকা কিতাপবোৰ ৰেক্ত তুলি ৰাখিলে। কলে " এই তিনিদিন ধৰি সি আপুনা-আপুনি কেৱল কিবা ভাবি আছিল। তাৰপিচত আজি নিশা ঘৰলৈ উভতি দেখো এই কাণ্ড। সমুখৰ দুৱাৰখন খোলা, আৰু ঘৰৰ ভিতৰৰ দুৰৱস্থা দেখি এনেহেন লাগিছিল যেন এজাক বনৰীয়া হাতীয়ে সকলো তহিলং কৰি গ'ল।ইফালে হিউমেনকুলাচটোৰ কোনো পাত্তা নাই।"

" কিন্তু, ক'ত যাব পাৰে সি ? "

" কোনে জানে, একোৱেই মূৰত সোমোৱা নাই। ইয়াৰ আগতে মাত্ৰ এবাৰহে সি ৰাস্তাত ওলাইছিল - যেতিয়া তাক লেব'ৰেটৰীৰ পৰা মই ঘৰলৈ লৈ আহিছিলো। হ'ব পাৰে- সেই ৰাস্তাটো তাৰ মনত আছে আৰু সি ঘৰৰ পৰা পোনে পোনে লেব'ৰেটৰীলৈ গৈছে। তাৰ বাহিৰেনো কি হ'ব পাৰে ? কোনো অনুমান ইঙ্গিত নোহোৱাকৈ তাক ৰাস্তাত বিচাৰি উলিওৱাটো সম্ভৱ নহয়। তথাপিও ব'লচোন আমি আগবাঢ়ি চাই আহোঁগৈ ।"

আমি আকৌ বাহিৰত থকা চিৰিটোৰ ওচৰলৈ আহিলো । হঠাৎ মোৰ চকু পৰিল, চিৰিৰ কাষৰ ষ্টিলৰ ৰেলিঙটো হিউমেনকুলাচে মোচৰি ভাঙি থৈ গৈছে। কেৱল সেয়াই নহয়, ৰেলিঙৰ এডাল ষ্টিলৰ ৰড় উধাও। মোৰ বুকুখন কঁপি উঠিল । দৃশ্যটো কল্পনা কৰাৰ চেষ্টা কৰিলো - এটা উন্মত্ত ৰ'বট, হাতত এডাল ষ্টিলৰ লাঠি লৈ ঘূৰি ফুৰিছে - নিজকে 'বচাই ৰখা 'ৰ তাগিদাত ।

কেঁকুৰিটো পাৰ হওঁতেই চকুত পৰিল পুলিচৰ গাড়ী এখন ৰৈ আছে ডাঙৰ ডিপাৰ্টমেন্টেল ষ্টোৰটোৰ আগত ।ইমান ৰাতিও দহ-বাৰজনমান মানুহ তাত গোট খাইছে। আটায়ে আঙুলি টোৱাই দোকানখনৰ চুৰ্চুমৈ হোৱা কাচৰ খিৰিকিবোৰ দেখুৱাইছে ।

দোকানখনৰ ফালে এবাৰ ভুমুকিয়ায়েই তাত কি ঘটিছে বুজিবলৈ বাকী নাথাকিল। স্মিৰনোভৰ ফ্লেটত যি দেখিছিলো ইয়াতো তাৰেই পুনৰাবৃত্তি ঘটিছে। টেপ-ৰেকৰ্ডাৰ আৰু ৰেডিঅ' ছেটবোৰক কোনোবাই যেন অন্ধ আক্ৰোশত আছাৰি ভাঙিলে । ভঙা টুকুৰাবোৰ ছটিয়াই পেলাইছে ৰাস্তাত । স্মিৰনোভে দোকানখনৰ বাৰান্দাত পৰি থকা পুতলা এটাৰ ফালে আঙুলি টোৱাই দেখুৱালে। পুতলাটোৰ মূৰটো ছিঙা । মই শংকাত শিহৰি উঠিলো - হিউমেনকুলাচৰ আগত আজি ৰাতি যিয়েই পৰে তাৰ নিস্তাৰ নাই ।

ইতিমধ্যে দুজন আৰক্ষীয়ে প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰটোক লৈ দোকানৰ পৰা ওলাই আহিল । কুকুৰটোৱে কোনো ফালে নগৈ ফুটপাথৰ ওপৰত বহি পৰিল । আৰক্ষী দুজনে হতাশ চকুৰে তাৰ ফালে চালে "কুকুৰটোৱে কোনো গোন্ধেই পোৱা নাই ।"

স্মিৰনোভে টেক্সি এখন ৰখালে । টেক্সিত উঠি আমি দুয়ো ৰাওনা হলো লেব'ৰেটৰীৰ ফালে ।

তাত গৈ পিছে আমি হতাশহে হ'লো । লেব'ৰ চকীদাৰে আৰামেৰে খাওঁ বুলি চাহৰ কাপত মুখ দিছিলহে । সি কলে, কোনো ৰব'ট তালৈ যোৱা নাই । তৎস্বত্তেও আমি লেব'ৰ চৌদিশে ঘূৰি-পকি চালো, কিন্তু সন্দেহজনক একো দেখা নাপালো । হিউমেনকুলাচটো যেন বতাহত মিলি গ'ল। স্মিৰনোভ্ ঘাঁহনিত বহি পৰিল ।

" তাৰ একুমুলেটৰত যিমান এনাৰ্জি আছে তাৰে আৰু দুটা দিন স্বচ্ছন্দে পাৰ হ'ব ।এই দুদিনত যে সি কি কৰি ফুৰিব —" স্মিৰনোভে কপালৰ ঘাম মচি কলে, "তাতোকৈ ডাঙৰ কথা, একুমুলেটৰৰ এনাৰ্জি শেষ হৈ গলে সেইটো আকৌ কেনেকৈ চাৰ্জ কৰিব পাৰি তাকো সি জানে ।"

আমি এতিয়া কৰলৈ যোৱা উচিত সেই সিদ্ধান্তলৈ আহিলো ।থানাৰ অফিচাৰে প্ৰথমে আমাৰ কথা বিশ্বাস কৰিব খোজা নাছিল । কিন্তু ইস্পাতৰ দৈত্য এটাই মানুহৰ ওপৰত প্ৰতিশোধ নিয়াৰ বাবে তাণ্ডৱ কৰি ফুৰিছে, তাক বিচাৰি উলিয়াব লাগে- এই বিষয়টোৱে তেওঁৰ কৌতুহল জগাই তুলিলে । অফিচাৰজনে তুৰন্তে চহৰৰ সমূহ আৰক্ষী চকীলৈ খবৰটো পঠিয়াই দিলে- আমি বহি লৈ মাথো অপেক্ষা কৰিলো ।শান্তি-শৃংখলা ৰক্ষাৰ দায়িত্ব যাৰ ওপৰত ন্যস্ত, তেওঁলোকে নিজেই যেতিয়া গাত পাতি লৈছে, আমাৰ কৰাৰে বা কি থাকে !

ক্ষন্তেকৰ পিচতে খবৰ অহা আৰম্ভ হ'ল- যদিও

কোনোটোৱেই আশাব্যঞ্জক নাছিল । ডাঙৰ চহৰ এখনত নিশা অপৰাধৰ যিবোৰ ঘটনা ঘটে তেনে খবৰহে পালো - সেইবোৰত হিউমেনকুলাচ জড়িত হোৱাৰ সন্দেহ কৰাৰ থল নাছিল ।আমি বুজিলো সুযোগৰ অপেক্ষাত হিউমেনকুলাচ ক'ৰবাত লুকাই আছে ।

কাহিলিপুৰাতে থানাৰ পৰা ওলাই আমি আকৌ স্মিৰনোভৰ ঘৰলৈ বুলি খোজ কাঢ়িবলৈ ললো । গোটেই নিশা উজাগৰে থাকি ক্লান্তিত চকু মুদ খাই আহিছিল, তদুপৰি আছিল গভীৰ উদ্বেগ । ভাবিছিলো, একাপ কড়া কফি খাই লৈ নকৈ চিন্তা - ভাবনা কৰিব লাগিব ।কিন্তু কোনে জানিছিল যে আমাৰ সেই আশা পূৰণ নহ'ব !

স্মিৰনোভৰ ফ্লেটত সোমাবলৈ গৈ অবাক হ'লো । যোৱাৰ সময়ত দুৱাৰখন ঠিকেই আছিল, কিন্তু এইবাৰ সেইখনো কোনোবাই উভালি পেলাইছে ।তদুপৰি আটাইকেইটা কোঠাতে লাইট জ্বলি আছে ।

স্মিৰনোভৰ ফালে মই চালো । তেওঁৰ মুখ বিবৰ্ণ ।

" হিউমেনকুলাচ মোৰ সৈতে বুজাপৰাৰ বাবে আহিছে ।" অস্ফুট মাতেৰে তেওঁ কলে "জীয়াই থাকিব খুজিলে মুহূৰ্ত্ততে থানালৈ ফোন কৰা, নহ'লে আশা নাই ।"

ক্ষন্তেকৰ ভিতৰতে গাড়ী এখনেৰে তিনিজন আৰক্ষী আহিল । "ক্রিমিনেলটো ইয়াতে আছে ?" সাৰ্জেন্টে গাড়ীৰ পৰা নামি পিস্তলটো উলিয়ালে, "কোঠাকেইটাৰ প্লান কোনে জানে ?"

"পিস্তলটো সুমুৱাই ৰাখক," স্মিৰনোভে কলে, "ই কোনো কামত নাহিব। ৰব'টটোৰ দেহ ক্ৰম্-মলিব্‌ডেনাম ষ্টিলেৰে তৈয়াৰী । তাৰ ওপৰত বন্দুকৰ গুলীয়ে আঁচোৰ এটাও বহুৱাব নোৱাৰে। আপোনালোকে বৰং অপেক্ষা কৰক, মই চাওঁ তিৰ্পলি এটা যোগাৰ কৰিব পাৰো নেকি। তাক আয়ত্তাধীন কৰিবলৈ সেইটোৱেই একমাত্ৰ উপায় ।"

দুই মিনিট নাযাওঁতেই দেখা পালো স্মিৰনোভ আৰু তেওঁৰ ফ্লেটৰ নোদোকা ৰখীয়াজনে মিলি এখন গধুৰ তিৰ্পাল চোঁচৰাই আনি আছে । এইবাৰ মোৰ কিছু ভৰসা হ'ল । আমি এতিয়া ছজন হ'লো । এটা ইলেকট্ৰনিক দানৱক ৰূধিবলৈ ছ'জন দৃঢ়প্রতিজ্ঞ মানুহ । তথাপিতো আটাইৰে মন এটা প্রচ্ছন্ন ভীতিয়ে শিহৰিত কৰিছিল ।

স্মিৰনোভে ঘৰৰ ভিতৰলৈ জুমি চালে । "মোৰ ধাৰণা, সি পঢ়াকোঠাতে আছে ," ফোঁচফোঁচাই তেওঁ কলে, "মই আগবাঢ়ো, তোমালোক মোৰ পিচে পিচে আহা। মই হয়তো কেই মুহূৰ্ত্তমানৰ কাৰণে তাক বিবুদ্ধিত পেলাব পাৰিম, তেতিয়াই তোমালোকে তাৰ ওপৰত তিৰ্পলিখন জাপি দিবা । কোনেও ইতস্ততঃ নকৰিবা, পাহৰি নাযাবা তাৰ হাতত এডাল ষ্টিলৰ লাঠি আছে ।"

ৰুদ্ধশ্বাসেৰে হাতত সাৱে ভৰিত সাৱে আমি কৰিডৰেৰে আগুৱাই গলো। আটাইৰে আগত ঘৰত সোমাল স্মিৰনোভ্। লগে লগে তেওঁৰ ডিঙিৰ পৰা ওলোৱা এক অদ্ভুত শব্দ শুনা গ'ল । কোনোবাই যেন তেওঁৰ ডিঙিত গধুৰ কিবা এটাৰে চেপি ধৰিছে । হুৰমুৰকৈ আমি আটায়ে কোঠাটোত সোমাই থমকি ৰলো । আমাৰ ওঠেদি শব্দ ওলোৱা নাছিল । স্মিৰনোভে বেৰত হালি লৈ হাঁহি আছিল । হাঁহিৰ অস্বাভাৱিক জোৱাৰত মুখৰ আৱাজ ভালকৈ ওলোৱা নাছিল ।

ঘৰৰ মজিয়াত, এসোপা ইলেকট্রনিক যন্ত্রাংশ আৰু ধাতুৰ টুকুৰাৰ মাজত দুই ভৰি মেলি বহি আছিল হিউমেনকুলাচ । স্মিৰনোভৰ কাগজ-পত্ৰবোৰ আগত লৈ, গুণ গুণাই গানৰ কলি এটি আওৰাই আন এটা ৰব'ট সজাত ব্যস্ত আছিল সি । আমি যেতিয়া কোঠাটোত সোমাওঁ তেতিয়া দোকানখনৰ পৰা লৈ অহা পুতুলাৰ মূৰটো ৰব'টটোৰ ডিঙিৰ ওপৰত সযত্নে স্থাপন কৰিছিল হিউমেনকুলাচে। ■

সমকালীন প্ৰথাগত গল্প, উপন্যাস বা প্ৰবন্ধ পঢ়ি আমি সেই কালৰ সম্বন্ধে যিমানখিনি জানিব পাৰো তাতোকৈ বহু বেছি আৰু স্পষ্টকৈ জানিব, বুজিব পাৰো সেই সময়ৰ কল্প বিজ্ঞান (চায়েন্স ফিক্‌চন্ ) গল্প পঢ়িলে। অন্য কোনো সাহিত্য মাধ্যমে কল্প বিজ্ঞানৰ দৰে তীক্ষ্ণভাৱে আমাৰ আশা-আকাংখ্যা, ভয়, বিস্ময়, মানসিক দ্বন্দ্ব, সংশয় বা সীমাবদ্ধতাক তুলি ধৰিব নোৱাৰে।

— আধুনিক কল্প বিজ্ঞান সম্পৰ্কত গেলেক্সি চায়েন্স ফিক্‌চন্ আলোচনীৰ সম্পাদক এইচ এল গ'ল্ড।



## কবিতা কানন

### অনুক্রমণিকাঃ


- পৰিচয় / নয়নমনি দত্ত / ২৩
- আজি পুৱা / খনীন্দ্ৰ চন্দ্ৰ নাথ / ২৪
- এনাচথেচিয়া / অতনু ভট্টাচাৰ্য / ২৫
- বহাগ সম্ভাষণ / আবুল হুছেইন / ২৬
- এটি নামহীন কবিতা / মৃনালিনী দাস / ২৭
- যন্ত্রণা / মনোজ কুমাৰ ডেকা / ২৮
- কংকালৰ সতে মিতিৰালি / মাহমুদা খাতুন / ২৯
- উপহাস / নবনীতা মেধী / ৩০
- বৃত্ত / অমিয় ৰাভা / ৩১
- নিৰ্বীৰ্ঘ ঃ / মলিন চন্দ্ৰ ৰাভা / ৩২
- এজাক বুৰ্বক মানুহ আৰু সংস্কৃতি/ লিপিকা কলিতা / ৩৩
- বিদ্ৰোহ / মুবীন ৰাভা / ৩৪
- কাঞ্চন ফুলৰ সুৱাস / হৰিদাস ৰাভা / ৩৫
- হেৰোৱা সপোনৰ স্মৃতি / নিভাৰাণী নাথ / ৩৬
- শব্দ / অলকেশ দত্ত / ৩৭
- কেনে আছা তুমি.... / পঙ্কজ বৰমুদৈ / ৩৮




কবিতা কানন

# পৰিচয়

○ নয়নমনি দত্ত
স্নাতক তৃতীয় বৰ্ষ (কলা)

ইয়াতেই মৰহে নেকি বাৰু —
পুঁৱতি নিশাৰ মোৰ সখীয়তি সপোনৰ কলি ?
য'ত- মোৰ পৰিচয়ে সহবাস কৰিবলৈ লয়—
অচিনাকী তুমি জনৰ স'তে !
কক্‌বকাই থাকে মোৰ বনৰীয়া মনটোৱে .........
মোৰ সেওঁতাত তুমি বোৱাই দিয়া তেজৰঙা নৈখনিত ।
উৰলি যায়.............
আশাৰ প্ৰতিটোপাল তেজেৰে বোলোৱা,
মোৰ হেঁপাহৰ নেম-প্লেটৰ ৰংবোৰ।
নিঃশেষ হয় পদুলিমুখৰ শেৱালী সুবাস !
মোৰ সত্বাৰ ওপৰত অধিকাৰ হেৰুৱায়....... বুকুৰ আপোনজনেও।
নোৱাৰে সুধিবলৈ কোনো খোকোজা
নলগাকৈ,
গোপন হৃদয়ৰ সেই চিনাকী কথাষাৰ —
"কেনে আছা তুমি ?"
হয়তোবা ইয়াতেই হেৰাই থাকে মনটোৰ অজানিতে
মোৰ কবিতাৰ কোমল দলিচা ............ শব্দৰ কুটীৰ
আৰু
উদিত সূৰুযৰ ৰাঙলী আভা বুকুত আঁকোৱালি ল'ব খোজা
এক ডজন আধা আঁকা ছবি !
এনেকৈয়ে হয়তো নিঃশেষ হৈ যায়—
জীৱনৰ সেউজীয়া ৰং !
য'ত মোৰ পৰিচয়ে সহবাস কৰিবলৈ লয়—
অচিনাকী "তুমি" জনৰ— "অচিনাকী" পৰিচয়ৰ স'তে !



# আজি পুৱা

○ খনীন্দ্ৰ চন্দ্ৰ নাথ
স্নাতক প্ৰথম বৰ্ষ (কলা)



নতুন প্ৰভাতৰ জন্মদাতা সিঁহত
কাৰণ, প্ৰভাতী পখীৰ গান এতিয়া
সিহঁতৰ পিঞ্জৰাত আৱদ্ধ।

ৰাতিৰ নিস্তব্ধতাক ভংগ কৰি
সৃষ্টিনাশিনী পুতলাৰ পখীক
সিহঁতে শিকায় প্ৰভাতৰ গান ।

যাৰ বিকট চিঞৰত
হেৰায় কবিৰ কবিতাৰ ছন্দ
নুমায় শতজনৰ তেলশলিতা পূৰ্ণ বন্তি।
সৃষ্টি হয় চাকনৈয়া
ডুব যায় জীৱন তৰী.......
সৃষ্টিনাশিনী এইজাক চৰাইয়ে
এনেকৈয়ে আদৰি আনে
প্ৰতিটো কালৰাত্ৰিৰ বুকুলৈ
একোটাকৈ ৰুক্ষ ৰাতি পুৱা।





# এনাচথেচিয়া

○ অতনু ভট্টাচাৰ্য
প্ৰাক্তন ছাত্ৰ

১৫ মিনিটৰ বাবে মই তোমাৰ কাষলৈ আহিছোঁ
১৫ মিনিটৰ বাবে মই তোমাৰ এটা অনুভূতি
এটা ভালপোৱা,প্ৰেম



এটা জীৱনৰ পৰা ছুটী লৈ ১৫ মিনিট তুমি টোপনি গৈছা
টোপনিতে খেপিয়াই সন্ধান কৰিছা আন এটা জীৱন

ময়ো এটা সপোনৰ আৱৰ্তত প্ৰথম তিনিটা মিনিট
সোমাই পৰিছোঁ
আৰু কিমানবাৰ যে সাৰ পাই উঠিছোঁ অজান দুৰ্ভাৱনাত

পাঁচ মিনিটলৈকে তুমি খেলি আছা ধৰা দিয়া-নিদিয়াৰ খেল
আৰু ষষ্ঠ মিনিটত তুমি হঠাৎ উত্ৰাৱল হৈ উঠিছা

খন্তেকৰ বাবে মই তোমাৰ এটা ঠিকনা হৈছোঁ
খন্তেকৰ বাবে তুমি মোৰ এটা চিনাকি ষ্টেছন

আৰু এনেকৈ খেলি খেলি ভাগৰি ভাগৰি যেতিয়া সময় হ'ল
হেৰাই যোৱাৰ
মই মন কৰিলো তুমি হেৰাই যোৱা নাই

তুমি তোমাৰ হাতঘড়ীটোলৈ চাই আছা সঘনাই
আৰু ময়ো কেৰেচিয়াকৈ তোমাৰ দৃষ্টিৰ গভীৰত চাই আছোঁ
মোৰ ভুত-ভৱিষ্যৎ

আজিটো শেষেই, - যদি অসুবিধা নহয়
খুব সাৱধানে আন এদিন, আন এটা দুপৰীয়া
১৫ মিনিট মই হ'ম তোমাৰ
১৫ মিনিট তুমি মোৰ।

# বহাগ সম্ভাষণ

○ আবুল হছেইন
প্ৰৱক্তা, অৰ্থনীতি বিভাগ

পশ্চিমীয়া বতাহে
উৰুৱাই আনিলে
চঞ্চল শিহৰণ ৰেণু,
গছে-পাতে সলালে বৰণ
চিৰাল ফাট দিয়া
খেতিডৰাত মোৰ
পুলকি উঠিল সেউজীয়া ৰহণ;
কলীয়া কুলিৰ
বিনন্দী সুৰেৰে
বতাহৰ প্ৰাণতো বোৱালে ঢৌ
ধৰিত্ৰী আকৌ ঋতুমতী হ'ল
ডেকা-ডেকেৰীৰ খোজৰ তালত
নাচি উঠিছে
ঢোলৰ চেও।



বহাগ,
তুমি মোৰ আইৰ
হাতৰ কঙ্কণ, ডিঙিৰ মালা
শিৰৰ সেন্দুৰ,কৰ্ণফুলি
তুমিয়েই পিতৃ
যৌৱন শিহৰণৰ
শ্যামল বুকুত
সেউজী ৰহণৰ
পাৰ্বতীৰ আনন্দাশ্ৰু
নৰ্তকী ঝৰ্ণাৰ।
লুইত আৰু তাৰ সতি-সন্ততিৰ
কোৱাল সোঁতত
উটুৱাই নিয়া
সহস্ৰ আঘাতত বিক্ষত
আইৰ দুখাশ্ৰু
আৰু
উজলি উঠক অসমীৰ মুখ
তোমাৰ আগমণত।
সেয়ে আজি, ৰঙালী বিহুত
আকৌ এবাৰ
সন্তানে তোমাৰ
ফুলাম গামোছাৰে স্বাগতম জনাইছোঁ,
বাপতি সাহোন, মাৰ
আপোন বহাগ।।





# এটি নামহীন কবিতা

○ মৃণালিনী দাস
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)



গোলাপৰ,
কাঁইটেৰে বিদীৰ্ণ বুকু লৈ
বাৰে বাৰে চাপিছোঁ তোমাৰ কাষলৈ ।
বাৰে বাৰে উভতি আহিছোঁ
অযোগ্যতাৰ অভিশাপ লৈ !
মোৰ প্ৰেম মোৰ সহজাত পাপ
মোৰ প্ৰেম মোৰ অন্তহীন প্ৰাৰ্থনা কিন্তু,
নিয়মেতো নুবুজে পৱিত্ৰতাৰ পৰিভাষা
সেয়ে, অপযশত অৱনত মোৰ অস্তিত্ব ।
আজি বিপৰ্য্যস্ত সৈনিকৰ দৰে
পুনৰ চাপিছোঁ তোমাৰ কাষ
তুমি বহুতো কথা ক'লা
ময়ো বহু কথা ক'লো
কোনেও কাৰো কথা নুবুজিলোঁ ..........
কলিজাৰ তেজেৰে মোৰ
শৰীৰ তিতি গ'ল, তুমি নেদেখিলা
মই উভতি আহিলোঁ
বাটে বাটে গচকিলোঁ নিৰ্মম কাঁইট
মই উভতি আহি আছোঁ
অন্ধকাৰৰ পৰা অন্ধকাৰলৈ
হয়তো অৱশেষত
শিল হৈ যাম ।
স্থিতপ্ৰজ্ঞ প্ৰস্তৰ খণ্ড !!

# যন্ত্ৰণা

৹ মনোজ কুমাৰ ডেকা
প্ৰাক্তন ছাত্ৰ



যন্ত্ৰণা এটা কঢ়িয়াই ফুৰিছো
প্ৰতিটো মুহূৰ্ত্ততে।

দুখ বুলিবলৈ যিমান যন্ত্ৰণা লাগে
যিমান যন্ত্ৰণাত মানুহে নিজৰ কথা পাহৰে
মোৰ সিমান যন্ত্ৰণা নাই।

কিন্তু যন্ত্ৰণাটোৱে মোৰ হৃদয়ৰ পৰা মগজুলৈকে
সকলো গ্ৰাস কৰি আনিছে ক্ৰমান্বয়ে।
লাহে লাহে
যন্ত্ৰণাৰ ওজন বেছি হৈ পৰিব জীৱনতকৈ,
যন্ত্ৰণাটোক শেষ কৰাৰ চিন্তাত
নিজৰ কথায়ে পাহৰিম মই অজানিতে
আৰু এদিন হয়তো
মৃত্যুৰ স'তে যন্ত্ৰণাক বিনিময় কৰাৰ কথা ভাবিম।

আচৰিত, যন্ত্ৰণা কঢ়িওৱাতোও আন এক যন্ত্ৰণা।





# কংকালৰ সতে মিতিৰালি

৹ মাহমুদা খাতুন
স্নাতক দ্বিতীয় বৰ্ষ (কলা)



মোৰ দেহত তেজৰ উত্তাল হিল্লোল
বিশ্ব মানৱতাৰ উলংঘন
মোৰ দেহৰ ৰক্ত, মাংস, কংকালৰ স'তে
দুৰ্নীতিৰ সনা-পোতোকা,
মোৰ দেহৰ প্ৰতিডাল শিৰা, উপশিৰা, মজ্জাত
দানৱৰ পাশৱিক হাতৰ কৌশল,
হত্যা, লুণ্ঠন, শোষণ, ধৰ্ষণৰ নিবিড় বন্ধুত্ব
মোৰ গান্ধীৰ ।

মই ভালপাওঁ, আত্মহাৰা হওঁ,
তেজৰ নৈত সাঁতুৰি, নাদুৰি,
মাতৃৰ নগ্ন দৃশ্য চাই।
'ডাষ্টবিন'ৰ কাষে কাষে উচ্ছিষ্ট বিচৰা জাকৰ
মৃত্যু হওক। আপত্তি নাই
কেৱল মই নমৰিলেই হ'ল

মই মৰিলে সজাব কোনে সাম্ৰাজ্য ?
পাতিব কোনে শান্তিৰ সভা ?
পাব কোনে শান্তিৰ ন'বেল ?
সেয়ে আজি মোৰ কোনো দুঃখ নাই
গুৰুম্ গুৰুম্ এটি শব্দৰ লগত মই খেলি যাওঁ
শেতেলিখন তাতেই খেপিয়াই পাওঁ।

# উপহাস

○ নবনীতা মেধী
স্নাতক প্ৰথম বৰ্ষ (কলা)

মই অসহায়!
গাত অসুখটো লাগিয়েই আছিল,
তথাপি ইয়ালৈ আহিছিলোঁ-
গভীৰ বিশ্বাস লৈ।

এতিয়া মই মোৰ দেহটোৰ প্ৰতি
অকণো যত্ন ল'ব পৰা নাই-
কৰ্ত্তব্যৰ নিচাত মই একাকাৰ।

দিনবোৰ তেনেই চুটি
তিক্ত ৰাতিবোৰ দীঘলীয়া
চাকি এটা হাতত লৈয়ে বাহিৰলৈ
গুচি আহিছিলোঁ
সংস্কৃতিৰ ঘাঁহনিত সুৰাৰ পাত্ৰবোৰ
দেখি

হাবিৰ এন্দুৰ আৰু পাহাৰৰ শিয়ালবোৰে
সদায় পেট ভৰাই খাই মাতাল হ'
খোজে
এইবোৰ সিহঁতৰ চৰিত্ৰই

মোৰ অসুখটো আৰু অলপ বাঢ়ি গৈছে
উপায়তো নাই
বিশ্বাসহীন মানুহৰ লগত থাকিলে
এইটো হ'বই







# বৃত্ত

○ অমিয় ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)



জীৱনৰ প্ৰতি মৰম
মৃত্যুৰ প্ৰতি ভয়াতুৰ
মাজত এটি বৃত্ত ......
মোৰ খোজৰ প্ৰতিটো পদে পদে
খেদি ফুৰিছে

পেটত খাদ্য ভৰাবলৈ সন্দেহ হয়
কিজানিবা ভেজালেই থাকে
এখন চিঠি আহিলেই ডাষ্টবিনৰ
কথা মনলৈ আহে ......

প্ৰতিবাদ মোৰ জ্বলি উঠে
সেই ঘাটকৰ দল সমূহক চূৰ্ণৰ বাবে
হঠাৎ বৈ যাওঁ অকলে অকলে ......
সময়ৰ খেলবোৰ চাই
আন্ধাৰৰ পৰা পোহৰলৈ .........

কবিতা কানন

# নিৰ্বীৰ্য:

○ মলিন চন্দ্ৰ ৰাভা
প্ৰাক্তন ছাত্ৰ



মোক এবাৰ স্পৰ্শ কৰি চোৱা
অ' লাস্যময়ী নাৰী
পূৰ্বৰ দৰে জাগেনে চাওঁ মোৰ যৌৱনোচ্ছল শৰীৰেৰে অপাৰ্থিৱ শিহৰণ
দিগ্‌বিদিগ্ হেৰুৱাই ঢপলিয়াই ফুৰেনে এজাক তগ্‌বগ্ মাতাল ঘোঁৰা
তাহানি প্ৰত্যুষতে কৰা অগস্ত্য যাত্ৰাৰ আদিতে বাটৰ দুয়োকাষে আছিল
নিপুণ শিল্পীৰ অলেখ বাঙ্ময় ভাস্কৰ্য অনামি বনফুলৰ সুবিমল সুবাসৰ প্ৰাচুৰ্য

কিন্তু সাগৰো শুকায়, মাণিকো লুকায়
আমোঘ নিয়তিৰ দৰে ক্ৰমশঃ সংকুচিত হয় বাট
যাৰ দুয়োকাষে মুৰদাঙি উঠিল অলেখ দাম্ভিক কাঁইট
যিবোৰৰ আঁচোৰত মোৰ আলসুৱা শৰীৰ ৰাঙলী হয়
তীব্ৰ যন্ত্ৰণা হয় মুহুৰ্মুহুঃ

অথচ এতিয়া নহয়নে
সেইযন্ত্ৰণা জৰ্জৰ শৰীৰ একাংগীৰ দৰে নিথৰ, প্ৰতিক্ৰিয়াহীন
নিথৰতাই নিভৃতৰ মজিয়া চুইচেগৈনে ?
সেয়ে এবাৰ মাত্ৰ স্পৰ্শ কৰি চোৱা
অ' লাস্যময়ী নাৰী
পূৰ্বৰ দৰে জাগেনে চাওঁ মোৰ যৌৱনোচ্ছল শৰীৰেৰে অপাৰ্থিৱ শিহৰণ
এতিয়াও পখীৰ কূজনেৰে মুখৰিত হয়নে মোৰ চৌপাশ
বৰষুণ পৰিলে নুপুৰৰ শব্দই ৰজনজনায়নে
শুনোৱাচোন মোক এফাঁকি সুধাময় গীত, অ' নাৰী
আকাশ চিৰাচিৰ কৰা নিৰৱচ্ছিন্ন বজ্ৰনিনাদত হৈছো নেকি মই
বধিৰ, মুক

দীৰ্ঘকাল ধৰি পৰি ৰৈছো নেকি শৰীৰটো শিলীভূত হৈ
কোনোবাই পৰশ পাথৰেৰে চুই দিয়ানা মোক
সোণ হওঁ



কবিতা কানন

# এজাক বুৰ্বক মানুহ আৰু সংস্কৃতি

○ লিপিকা কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)




যেতিয়াই সংস্কৃতিৰ হকে কাম কৰিবলৈ
ওলাই আহোঁ,
তেতিয়াই মোৰ এই দৰ্শনক সতীৰ্থসকলে
প্ৰত্যাখ্যানৰ অঙ্গী-ভঙ্গীৰে
হাই-উৰুমি কৰি ভাৰাক্ৰান্ত কৰে,
শিষ্টাচাৰৰ নীতি-নিয়মকণো পাহৰি যায়।

মোৰ দোষ নাই,
অথচ তেওঁলোকে কেৱল দোষেই দেখে-
মূৰৰ চৌদিশে এজাক মৌমাখিৰ দৰে
ভেন্‌ভেনাবলৈ ধৰে।

তেওঁলোকক এপিয়লা সুৰা ঢালি দিওঁ-
সুৰাই তেওঁলোকৰ সংস্কৃতি।

তেওঁলোকক আচলতে মই উপহাসহে কৰোঁ-
কাৰণ তেওঁলোকে আমাৰ বেদনা উপলব্ধি
কৰিব নোৱাৰো।

হে অভিজাতবৃন্দ !
সুৰাত হৃদয়ৰ মূল্য নাই।

জোনটো মোৰ প্ৰেমিকা
জোনটোৰ সংস্কৃতিয়েই মোৰ সংস্কৃতি
মানুহৰ উলংগতা সমাজৰ অন্তৰায়।

# বিদ্ৰোহ

○ মুবীন ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

পুৱাৰ কুঁৱলী-মেঘবোৰৰ মিশ্ৰিত দিগন্তত
শৰতৰ প্ৰশ্ন লৈ
মোৰ দৃষ্টিয়ে হাৰ মানে অনতি দূৰত ........
দুবৰি বনেৰে সৌম্য কেঁচাবাটত
নিয়ৰৰ টোপালবোৰে বিদ্ৰূপ কৰি হাঁহে
তথাপি ওৰে সময়
মোৰ কল্পনাই অক্লান্ত বিদ্ৰোহ কৰে
এপাহ সৰা শেৱালীৰ বাবে......







# কাঞ্চন ফুলৰ সুবাসে

○ হৰিদাস ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)



বতাহত ভাঁহি অহা
অদুৰ মালঞ্চৰ
কাঞ্চন ফুলৰ সুবাসে
কঢ়িয়াই আনে
প্ৰৱাল বাৰিষাৰ ঢল
মোৰ বিস্তীৰ্ণ পথাৰখনলৈ ............
জয়াল হৈ পৰে
অহৈতুক অনুৰাগৰ
নিৰবচ্ছিন্ন লহৰ,
খুঁটাত বা লাগি
কঁপি উঠে
মোৰ
জীৱন-বাটৰ সাঁকো!

# হেৰোৱা সপোনৰ স্মৃতি

○ নিভাৰাণী নাথ
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)



সোঁৰৱণীৰ জখলাবে পলৰীয়া সময়বোৰে
ধূসৰ কৰে জীৱনৰ কিছুমান মধুৰ কথা,
অমানিশাৰ দীঘল ফুটপাথেৰে আহি থাকে,
শূণ্য দেওবাৰ এটিৰ দৰে, তাইৰ ভৱিষ্যত।
বুকুত খুন্দিয়াই থৈ যায় নিৰ্বাক মূহুৰ্ত্তবোৰ ......
কোনোবা কলেজ আৰু হোষ্টেলৰ দান-বৰঙণিত
প্ৰতিদান নিবিচাৰে তাই,
মাথোঁ বিচাৰে শান্তিৰ এগছি শলিতা।
সন্ধিয়াৰ প্ৰাৰ্থনাত নিতৌ বৰগীত গায়,
ভৱিষ্যতৰ হেঙুলীয়া নিজৰা বোৱাবলৈ।
প্ৰেকটিকেল বহী খুচৰি বিচাৰি পায়
এটি সেউজীয়া সপোন
তাতে নানা ৰঙৰ পখিলাবোৰে বিলাইছে
কলেজৰ হাঁহিৰ এটুকুৰা চন্দন।
জীৱন মানেই, বিভিন্ন ৰংবোৰ সাচি ৰখা
এখনি এলবাম।
হোষ্টেলৰ সন্মুখৰ গছবোৰত বাহ লোৱা চৰাইবোৰ
সন্ধিয়া যেতিয়া ঘৰমুৱা হয়,
তেতিয়া যেন মনটিক হাত বাউলি মাতে ৰঙীন আশাবোৰে
কিন্তু নিয়তিৰ নিষ্ঠুৰ গৰাহত পৰি
উজুটি খাই আধা বাটতে পথভ্ৰান্ত হয় বাৰে বাৰে
তেজত উতলে তাইৰ শোকৰ হিয়া ভঙা গানবোৰ
আৰু শেষত অপ্ৰকাশিত হৈ ৰয়,
তাইৰ আধা লিখা কবিতাবোৰ ।।





# শব্দ

○ অলকেশ দত্ত
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)



মই এটা শব্দ।
বিভিন্ন উৎসৰ পৰা বাহিৰলৈ ওলাই আহোঁ।
বিভিন্নজনৰ দাঁতত, ওঠত, জিভাত অথবা তালুত খুন্দা খাই;
বিভিন্ন ভংগীমাৰে মই ওলাই আহোঁ।

মই অবিহনে কোনো কবিয়ে প্ৰকাশ কৰিব নোৱাৰিব,
নিজৰ মনৰ কথা।
দিব নোৱাৰিব কোনো স্ৰোতস্বিনী নিজৰাৰ বৰ্ণনা।
নতুবা,
কোনো বিহংগিনীৰ সুললিত সুৰেৰে সজা
ছন্দময় গীতৰ বৰ্ণনা।

কোনো গায়কে গাব নোৱাৰিব সুমধুৰ গীতৰ কলি।
অলিম্পিকৰ মাৰাথন ৰেচ কিম্বা হৰ্চ ৰাইডিঙত বিজয়ী হৈ
কোনো ক্ৰীড়াবিদে প্ৰকাশ কৰিব নোৱাৰিব,
নিজৰ অদম্য জয়োল্লাস।

মই অবিহনে,
মানব সভ্যতা আৰু বহুদূৰ বাট পিছুৱাই যাব।
হয়তোবা, তাহানিৰ সেই আদিম যুগলৈ ............

ধৰাৰ প্ৰতিটো বস্তুৰেই মোৰ উৎস।
মই যে এটা...................
অটল, অজৰ, অমৰ শব্দ।।

কবিতা কানন

# কেনে আছা তুমি......

○ পঙ্কজ বৰমুদৈ
প্ৰাক্তন ছাত্ৰ



অৰুন্ধতী,
কেনে আছা ......
বৰনামঘৰৰ চেচুঁকীয়া আলিটোত এৰা-এৰি হোৱাৰেপৰা
কেনে আছা তুমি
আৰু
তোমাৰ জটিলতাবোৰ ......
শৈশৱৰ নষ্টাল'জীয়া কিম্বা যৌৱনৰ ভূগোলবো
কাৰ সতে সহবাস ক
সপোনে তোমা
বুজেনে সিঁহতে
(মনৰ) সকলো ঠেহ-পে
সৰলীভূত হয়
সকলো গোপন খব
কিদৰে বাৰু আঁ
প্ৰেমৰ অঁকা, সময়ৰ ঘোঁৰা ...
কিদৰেনো হ
শব্দৰ মূল্যায়
হৃদয়ৰ ভাষা, তেজৰ লেখা ...
সিদিনা এৰা-এৰি হোৱা আলিটোৰ মূৰতে আছো
জীৱনৰ ইমানবোৰ কাতি
কিদৰে কটাও ৰা
মনটোক নিচুকাবলৈ যে নাপাওঁ বত
কেনে আছা তুমি ......



# অন্য ভাষাৰ মাণিক
## বুটলি ..........



অনুক্ৰমণিকাঃ

বড়ো কবিতা

• ফৈফিন বিষ্ণুৰাভা
অমিয় কুমাৰ বড়ো/৩৯

বাভা কবিতা

• ক্লমচি
ধনদা ৰাভা/৪০
• লাহায় লাহায় .....
বিপুল চন্দ্ৰ ৰাভা/ ৪১

বড়ো কবিতা

# ফৈফিন বিষ্ণুৰাভা

◌ অমিয় কুমাৰ বড়ো
প্ৰবক্তা, ভূগোল বিজ্ঞান বিভাগ



বিষ্ণুৰাভা নোংনি মুঙা
কার্লমার্ক্স জাদোঙমোন
আনা পাভলোভা জাদোঙমোন
পল্ ৰব্চন আৰো এখনবা
লিওনার্দ ডা-ভিঞ্চিবো জাদোঙমোন ............
সিমাঙাও নোঙা মোগ্থাঙাও
নায়গিৰদোঙ মোন
সুবুঙনি উদাঙস্ৰী
সুবুঙনি উদাঙস্ৰী !
হাজাৰ মুগানি জিঞ্জিৰি
বেখেওনো নাজাদোঙ মোন
গোসো মোদোমৈ
জাদোঙমোন ফেৰাঙ্গাদাও
গামিনি থেল্লা গেল্লা
আৰো বিলাইস্ৰীমোনখৌ লানানৈ ।
মোচাদোঙমোন লৈহৌৰ লৈহৌৰ
খাম চিফুং ছেৰজানি দেঙখৌজোং
চেঙাগ্ৰা চিখ্লা আবৈ আবৌ
আৰো আই আফাফোৰজোং ...........
‘গোনাঙ গৈয়িনি হেঙ্ঠা ফোজোবস্ৰাঙগোন !’
লাবোদোঙমোন গোদান সোৰাঙ
সুবুঙনি গোসোআও
জাঙখ্ৰিখাঙ - জাঙখ্ৰিখাঙ - জাঙখ্ৰিখাঙ !
মোজাঙ মোনাখৈমোন নাথায়
আদা বিথাঙমোনা
নোংনি ‘উদাঙস্ৰী আফাদ’
আৰো ‘বৈসাগু মেথায়’
যি হাজাৰ ৰাঙ - ফোছাওদোঙমোন
নোংনি খৰোনি থাখায়।

জোবোং গিদোঙমোন বিচাৰো
হাঞ্জা হাঞ্জা ফাৰি ফাৰি
জথুমনায়খৌ
জোবথাশালীয়াও জোবথেদোঙমোন
নোংনি সোৰাঙনি আগান
আৰো নিখাওৰী মানষিফোৰখৌ ।
গেওআখৈ দিনৈসিম
জোবথাশালীনি দর্জ্জা
জোবাখৈ দিনৈসিম
মেগন মোদৈনি মুগা ।
আবৈ আবৌনি খুগায়াও দিনৈ
বিষ্ণুৰাভানি চলো-বাথা
গোসোআ জোঙ্খ্ৰাওআ বিচাৰনি
নাংগো বিষ্ণুৰাভা
ফৈফিন বিষ্ণুৰাভা !

# ক্ৰুমচি

○ ধনদা ৰাভা
স্নাতক তৃতীয় বৰ্ষ (কলা)



খৌশ্যামনি ময়কায় ৰাম্পাৰ
আঙা তেৱে ৰা'বাতা
আং পাতে ৰেংকায়
ৰিজামকায় তাঠেং চ্যাপি
থৌক্‌গছা থৌক্‌গছা হান্দাৰকায় ..........

আঙি খীতুক্লাং দুৗগুনা চিকায় ৰাংচা
উচি আকায় ৰাংখোপনি থৌক্ বিজ
বিৰাট নুৗকদামিতা
গছা শব্দ ফামানা-নানা মানেতা
হিৰিং হাৰাং
নায়কায় হোংফ্লাং পাক্লাং ............





# লাহায় লাহায়................

○ বিপুল চন্দ্ৰ ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)



হে'ৰা সময়,
লাহায় লাহায় ................
শেষ চাঙে ঋৱাজো বসুমুতায়নি
জীৱন ৰাম,
চলায় গাড়ী
লাহায় লাহায় ..............

বেনচোক পা'জো দুখ-সুখ
আশা তংচাকায় ৰামো ছাংখুৗয় তাকে
নাচিকায়নি নালা
সন্মাননি হাচু
ব্ৰাকায়নি গ্ৰুম

পা'তে চক্‌জো গছা-আনিংখাৰে
চাৰিকুৰী বসন্ত ......................
হে'ৰা সময়
চলায় গাড়ী
লাহায় লাহায় ......................



# গল্পৰ দলিচা

## অনুক্ৰমণিকাঃ


- হৃদয়ৰ কেন্‌ভাচ
  নয়নমনি দত্ত / ৪৩
- আধা লিখা কাগজ
  মাহমুদা খাতুন / ৪৭
- প্ৰতীক্ষাৰ অন্তত ......
  উৎপলপৰ্ণা ভৰদ্বাজ / ৪৯
- শেষ নিৰ্মালি
  জিন্টু বেজবৰুৱা / ৫২
- স্বাধীনতা দিৱস
  ঋষৱ নাথ / ৫৪




গল্পৰ দলিচা

# হৃদয়ৰ কেনভাছ



• নয়নমনি দত্ত
স্নাতক তৃতীয় বৰ্ষ (কলা)

"সম্বন্ধ" বস্তুটো হয়টো এনেকুৱাই ঠুনুকা এটুকুৰা কাঁচৰ দৰে। চলাই নিব জানিলে জীয়াই থাকে চিৰকাল; পিছে হাতেৰে ধৰাৰ অলপ ইফাল-সিফাল হ'লেই যিদৰে কাচঁটুকুৰা ভাঙি যায় ঠনঠনকৈ, সম্বন্ধবোৰ ৰক্ষা কৰাৰো অলপ ইফাল-সিফাল হ'লেই সকলো শেষ হৈ যায় । পুৰণি উৰলি যোৱা পাঁচটকীয়া নোটখন চেলোটিপ লগাই চলাই নিয়াৰ দৰে, কিছুমান সম্বন্ধও বাধ্যহৈ চলাই নিব লগীয়া হয়। জুৰিৰো হয়তো এনে অৱস্থাই হৈছিল। আজি বহুদিনৰ পৰা বাতৰিকাকতত বিতৰ্কিত ব্যৱসায়ী বিজয় বৰুৱাৰ "ব্লেক মানি" (black money)ৰ উৎস সৰ্ম্পকে সমালোচনা চলিয়েই আছিল। তেন্তে সকলো জানিও জুৰিয়ে কিয় বাধা দিয়া নাছিল তেওঁক? হয়তো মাথো সমাজৰ চকুত বিজয় বৰুৱাৰ পত্নী হৈ চলি আছিল জুৰিয়ে, মনটোৰে হয়তো চিন্তা কৰিছিল মাথো ৰবিজিতৰ কথাহে! "নগাওঁ চহৰৰ বিতৰ্কিত ব্যৱসায়ী বিজয় বৰুৱা আচিনাক্ত উগ্ৰপন্থীৰ হাতত নিহত" বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাতে দিয়া বাতৰিটোৰ ওপৰত চকু থৈ কথাবোৰ ভাবি গ'ল বিদিশাই। এক অনামী দুখে তাইৰ বুকুখন হেঁচা মাৰি ধৰিলে। মনটো উৰি গ'ল অতীতলৈ ............।

তেজপুৰত থকা বিদিশাৰ পেঁহীয়েকহঁতৰ প্ৰতিবেশী, ব্যৱসায়ী মোহন বৰাৰ একমাত্ৰ ছোৱালী জুৰি-বিদিশাতকৈ বয়সত পাঁচ-ছয় বছৰমান ডাঙৰ আছিল। হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ পিছত পেহীয়েকৰ ঘৰলৈ যাওঁতে তেজপুৰ ফুৰাইছিল তাইক জুৰিয়ে। হাঁহিমুখীয়া এই মৰমলগা ছোৱালীজনীক ভীষণ ভাল লগিছিল বিদিশাৰ। সিহঁতক সংগ দিছিল জুৰিৰ অন্তৰংগ বন্ধু ৰবিজিতে। ওখ, তেজগোৰা, ৰবিজিতৰ প্ৰতি প্ৰথম দৃষ্টিতেই আকৰ্ষিত হৈছিল বিদিশাৰ। তাৰ উদাস দৃষ্টি, গহীন মাতটো,

কথা-কোৱাৰ ধৰণে আৰু সি পঢ়ি যোৱা প্ৰতিটো কবিতাৰ কলিয়ে তাইৰ হৃদয়ত সৃষ্টি কৰিছিল এক অজান অনুৰণনৰ। কল পাৰ্ক, গণেশঘাট, উষা-অনিৰুদ্ধ পাহাৰ, মহাভৈৰৱ, বাৰহলীয়া, ৰনবাৰ বাগান, মাইথানকে ধৰি তেজপুৰ চহৰৰ প্ৰতিখন ঠায়েই যে পাইছিল সিহঁতৰ স্পৰ্শ। কিন্তু লাহে লাহে তাই অনুভৱ কৰিছিল তাইৰ প্ৰতি ৰবিজিতৰ মনোভাৱ এজনী সৰু ছোৱালীৰ দৰেহে। কথাই প্ৰতি সি তাইক জোকাইছিল, মৰমেৰে মূৰত থপৰিয়াইছিল। তাইৰ প্ৰচণ্ড অভিমান হৈছিল, কিয় সি এবাৰো বুজিবলৈ চেষ্টা কৰা নাই তাইৰ মনটো ? তাইৰ নাৰীসত্বাক কিয় এবাৰো কেৰাহীকৈও নাচায় সি ?

এদিন আবেলি গণেশঘাটত বহি বিদিশাই তন্ময় হৈ চাই ৰৈছিল লুইতৰ বুকুলৈ। হঠাতে ৰবিজিতে বিদিশাৰ হাতত তুলি দিছিল এখন কিতাপ — "বাস্তৱ আৰু বিষাদ" – ভিতৰত লিখা আছিল এযাৰি বাক্য -- "মোৰ মৰমৰ অকণমাণি পৰীজনীলৈ"। "কি এইখন ?" বিদিশাই সুধিছিল। "আজি সোঁতৰ জুন। মোৰ বাৰ্থডে" "তোমাৰ বাৰ্থডে ? আকৌ ওলোটাকৈ মোক গিফট্ দিছা কিয় ?" তাই আচৰিত হৈ সুধিছিল। গহীন হৈ পৰিছিল ৰবিজিত। "মোৰ প্ৰতিটো জন্মদিনতেই মই মোৰ ভন্টিক গিফট্ দিছিলোঁ। কিন্তু ..... আজিৰপৰা তিনিবছৰ আগতে তাই গুচি গ'লগৈ।" হঠাৎ বিদিশাৰ হাতদুখনত খামোচ মাৰি ধৰি এটি সৰু ল'ৰাৰ দৰে সি উচুপি উঠিছিল ..... "দিশা, তোৰ মাজত মই মোৰ ভনী পৰীক বিচাৰি পাইছো। তই মোক ভাবিব পাৰিবি নিজৰ দাদা বুলি ? মোৰ মৰমৰ ভনী হৈ থাকিবি চিৰকাল ?"—— হতবাক হৈ গৈছিল বিদিশা। অজানিতে গালদুখন তাইৰ চকুলোৰে তিতি গৈছিল।

ঘৰলৈ উভতি আহি তাই জুৰিৰ মুখৰপৰা সকলো শুনিছিল। আজিৰ এই দিনটোতে হেনো তিনিবছৰ আগতে পৰী আঁতৰি গৈছিল পৃথিৱীৰ পৰা। বৰ্ষামুখৰ সন্ধিয়াটোত টিউচনৰ পৰা উভতি আহোতে তাইৰ সযতনে সাঁচি ৰখা সতীত্ব শেষ কৰি তাইক হত্যা কৰিছিল কোনোবা দুৰ্বৃত্তই। তাইৰ মৃতদেহটো পৰি ৰৈছিল পদুমপুখুৰীৰ পাৰত মানুহৰ বৰ্বৰতাৰ চূড়ান্ত নিদৰ্শন হৈ। এই ঘটনাৰ পিছত ৰবিজিতৰ বিধবা মাকে মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছিল। অনবৰতে স্ফুৰ্তি কৰি থকা ৰবিজিতে যেন হাঁহিবলৈ পাহৰি গৈছিল। জুৰিয়ে কৈছিল — "জান দিশা, বৰ্ত্তমান ময়েই জিতৰ একমাত্ৰ ফ্ৰেণ্ড। সি সকলো কথা কয় মোৰ আগত। তই বিশ্বাস কৰিবিনে দিশা ? তোক প্ৰথম দেখোতে হেনো তাৰ এনে লাগিছিল যেন ....... যেন তাৰ ভনীয়েক পৰী পুনৰ ঘূৰি আহিছে তাৰ কাষলৈ। তই "জিত দা" বুলি মাত লগালে সি উচপ খাই উঠে বাৰে বাৰে তাৰ ভুল হৈযায় পৰীয়ে মতা বুলি।" বাকৰুদ্ধ হৈ গৈছিল বিদিশা। এক অচিন দোমোজাত পৰি ওৰেটো নিশা তাই শুব পৰা নাছিল। নাই ........ নাই নোৱাৰি। তাইৰ ৰবিজিতৰ প্ৰতি মনোভাৱ ভীষণ খেলিমেলি লাগি গৈছিল বিদিশাৰ ।

খুব জোৰ কৰি পেহীয়েকক মান্তি কৰাই জুৰি অথবা ৰবিজিত কাকো মাত নলগোৱাকৈয়ে বিদিশা গুচি আহিছিল গোৱালপাৰালৈ। তাই পাহৰি পেলাব খুজিছিল সেই তেজপুৰীয়া অধ্যায়, পাহৰিব খুজিছিল ৰবিজিতক, পাহৰিব খুজিছিল আপোন বায়েকৰ দৰে জ্ঞান কৰা জুৰিক। কিন্তু তাই নিবিচাৰিলেও, ৰবিজিতৰ প্ৰতিটো জন্মদিনতেই সি তাইলৈ উপহাৰ পঠাইছিল। কিন্তু তাই প্ৰত্যুত্তৰ দিয়া নাছিল, তাৰ কোনো এখন চিঠিৰ উত্তৰ দিয়া নাছিল, ৰিচিভ কৰা নাছিল ৰবিজিতৰ কোনো টেলিফোন কল। কিন্তু একপক্ষীয় ভাৱেই ৰবিজিতে তাইৰ সৈতে যোগাযোগ ৰক্ষা কৰিছিল। মুম্বাইত এটা প্ৰতিষ্ঠিত কোম্পানীত এম. ডি.ৰ পোষ্টত ৰবিজিতে চাকৰি পোৱা বাতৰিটো পাই খুব সুখী হৈছিল বিদিশা, কিন্তু তাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰবিজিতলৈ শুভেচ্ছা জনোৱা নাছিল। কি সম্বন্ধ আছিল বাৰু তাইৰ ৰবিজিত আৰু জুৰিৰ স'তে ? দুয়োকে ভীষণ ভাল পালেও সিহঁতৰ স'তে বিদিশাই সম্বন্ধটো চলাই নিব পৰা নাছিল।

ক'লেজীয়া শিক্ষা শেষ কৰি বিদিশাই গুৱাহাটীলৈ আহিল। বিশ্ববিদ্যালয়ত তাই লগ পাই গ'ল অনুৰাগক। অনুৰাগ আৰু তাইৰ মাজত গঢ়ি উঠা ঘনিষ্ঠ সম্বন্ধৰ নাম কি দিব তাই নাজানে। কিন্তু তাই অনুভৱ কৰে তাই যেন দিনে দিনে খুউব বেছিকৈয়ে নিৰ্ভৰশীল হৈ পৰিছে, অনুৰাগৰ ওচৰত। এই নিৰ্ভৰশীলতাৰ নামেই যদি ভালপোৱা হয়, তেন্তেহয়, অনুৰাগৰ স'তে তাইৰ সম্বন্ধ ভালপোৱাৰ ........... প্ৰেমৰ। কিন্তু কিমান ভাল পায় তাই অনুৰাগক ? কিয় দুসপ্তাহ আগতে আৰ্মি ৰেইডত সেই ল'ৰাজনৰ মৃত্যু হোৱা বুলি শুনি ওৰেতো নিশা তাই ছটফটাই মৰিছিল, যাৰ মৰমআকলুৱা চকুহালে কলেজীয়া জীৱনৰ শেষ বছৰটোত অনবৰতে তাইক খেদি ফুৰিছিল, তাইৰ বুকুৰ মৰম বিচাৰি। নিজকতো আৰু তাই ফাঁকি দিব নোৱাৰে — আজিওচোন তাই অনুৰাগৰ দুচকুত লুকাই-চুৰকৈ সন্ধান



কৰে সেই মৰম আকলুৱা চকুযুৰিৰ। মৰমবলীয়া সেই ল'ৰাজন কিয় বন্দুকৰ বলীয়া হ'ল ? তাইৰ কি সম্বন্ধ আছিল, সেই ল'ৰাজনৰ সতে তাই নাজানে । কিছুমান সম্বন্ধ জীয়াই ৰখাৰ স্বাৰ্থত আন কিছুমান সম্বন্ধ পাহৰিবলগীয়া হয় । হয়তো তায়ো পাহৰিবলৈ চেষ্টা কৰিছিল, সেই অচিনাকী (?) ল'ৰাজনক; অন্তত, অনুৰাগৰ বাবে !

অনুৰাগেই তাইক শিকালে পৃথিৱীখন নতুনকৈ চাবলৈ, আনৰ অনুভূতিক সন্মান জনাবলৈ। অনুৰাগক লৈ তাই আজি ভীষণ সুখী। অনুৰাগৰ দৃষ্টিৰেই সকলো চাবলৈ শিকাৰ বাবেই হয়তো এমাহমান আগতে ৰবিজিতৰ পৰা অহা চিঠিখনে তাইক বিতত কৰিব পৰা নাছিল। ৰবিজিতৰ চিঠিখনে তাইলৈ কঢ়িয়াই আনিছিল দুটা খবৰ – ৰবিজিতৰ মাকৰ মৃত্যু আৰু বিজয় বৰুৱাৰ স'তে জুৰিৰ বিয়াৰ খবৰ। চিঠিখনৰ প্ৰতিটো শব্দতেই যেন থূপ খাই আছিল বহুত হতাশা আৰু দুখ। সেইদিনা সন্ধিয়া জুৰিয়ে তাইলৈ ফোন কৰিছিল — "মোৰ মৰমৰ বন্ধুজনক এৰি যাবলৈ মোৰ কিমান কষ্ট হ'ব তই নুবুজিবি দিশা। মোৰ ভীষণ আপত্তি স্বত্বেও দেউতাই তেখেতৰ বাল্যবন্ধুৰ চৰিত্ৰহীন পুতেকৰ স'তে মোৰ বিয়া পাতিছে। দেউতাই তেখেতৰ বন্ধুক বন্ধুত্বৰ প্ৰতিদান দিলে, কিন্তু মই যে ৰবিজিতক একেৱেই দিব নোৱাৰিলো।" উচুপি উচুপি জুৰিয়ে কৈ গৈছিল— "মোৰ মাত্ৰ এটা অনুৰোধ তই ৰাখিবি ? তই ৰবিজিতক জীয়াই ৰাখিবি, please !" জুৰিৰ অনুৰোধ ৰক্ষা কৰিবলৈ বিদিশাই সিদ্ধান্ত লৈছিল। তাইৰ বিবেকে তাইক কৈছিল-"ৰবিজিত অবিহনেওতো মই বিচৰা সকলোখিনিয়েই মই পাইছো– অনুৰাগৰপৰা – হয়তো বিচৰাতকৈও বহু বেছি। কিন্তু ৰবিজিত ? মোৰ অবিহনে সি যে চিৰদিনৰ বাবে বঞ্চিত হৈ ৰ'ব ভনীয়েকৰ মৰমৰ পৰা।" নাই - নাই ইমান স্বাৰ্থপৰ হ'ব নোৱাৰে তাই। অনুৰাগৰ দৰে বহল মনৰ ল'ৰাজনক লগ পোৱাৰ পৰা তাইৰ সৰুমনটোও বহু সলনি হোৱা বুলি তাই অনুভৱ কৰিছিল। অনুৰাগৰ সান্নিধ্যই ৰবিজিতৰ প্ৰতি তাইৰ পূৰ্বৰ আকৰ্ষণ স্তিমিত কৰিছিল। মনটোওঁ যেন তাইৰ আঁতৰি আহিছিল ৰবিজিতৰপৰা। মনটোতো আৰু এচটা শিল নহয়, যে য'তেই থৈ দিয়া যায়, তাতেই ৰৈ থাকিব চিৰকাল। সদায়েতো ই বিচাৰে নতুনৰ স্পৰ্শ। বিশেষকৈ ৰবিজিতৰ মাকৰ মৃত্যুৰ বাতৰিটোৱে কিয়জানো তাইৰ মনটো এই অসহায় ল'ৰাজনৰ প্ৰতি সহানুভুতিৰে ভৰাই তুলিছিল। তাইৰ ভগ্নীস্নেহে যদি কাৰোবাক শান্তিৰে জীয়াই থাকিবলৈ প্ৰেৰণা দিব পাৰে, তেন্তে তাই তাকেই কৰিব। তাই ৰবিজিতৰ অনুভূতিক সন্মান জনাইছিল। তাৰ সৈতে গঢ়ি তুলিছিল এক সুন্দৰ সম্বন্ধ। কিন্তু আজি এই বিজয় বৰুৱাৰ মৃত্যুৰ বাতৰিয়ে পুনৰ আঘাট কৰিলে বিদিশাক। জুৰিৰ বৈধব্য জীৱনৰ কথা ভাৱি শিয়ৰি উঠিল বিদিশা। পিছমূহুৰ্ত্ততে তাইৰ মনত পৰিল ৰবিজিতৰ কথা। সি জানো সহ্য কৰিব পাৰিব জুৰিৰ এই দুখ ? হঠাৎ বিদিশাই ঠিক কৰিলে তাই তেজপুৰলৈ যাব। সেইদিনাই দুপৰীয়া দুইবজাৰ বাছত তাই উঠিল তেজপুৰলৈ বুলি। পেহীয়েকহঁতৰ ঘৰ পালেগৈ। "দিশা তই ? ক'ৰ পৰা ?" "উত্তৰ পিছত দিম। বেগতে গাড়ী ওলোৱা। নগাওঁলৈ যাওঁ ব'লা।" বিদিশাই ক'লে। "নগাওঁলৈ কিয় ?" ৰবিজিত যেন আচৰিত হ'ল। "কিয় ? জুৰিবাৰ খবৰ লবলৈ নোযোৱা ?" "কিন্তু....... কিন্তু, তাইৰ সেই উকা সাজ, উকা কঁপাল...... নাই.... নাই, মই সহ্য কৰিব নোৱাৰিম। মই নাযাওঁ দিশা।" "তুমি যাবই লাগিব। তোমাৰ ভন্টিজনীৰ এই সৰু কথাটোও তুমি ৰাখিব নোৱাৰানে ?" একান্ত বাধ্য ছাত্ৰৰ দৰে ৰবিজিতে গাড়ী ষ্টাৰ্ট দিলে নগাওঁলৈ।

কাৰো মুখত কথা নাছিল। কলীয়া ভোমোঁৰা দলঙত উঠাৰ লগে লগে বিদিশাই মাত লগালে– "লুইতখন ইমান বিশাল, ইমান উদাৰ। মানুহৰ মনবোৰো ইমান বিশাল হোৱা হ'লে!" ৰবিজিতে মাথো হাঁহিলে – এক ম্লান হাঁহি । "জিত দা, আজি সোঁতৰ জুন। তোমাৰ বাৰ্থডে।" "তোৰ গিফট্ মই চাৰিদিন আগতেই গুৱাহাটীলৈ পাৰ্চেল কৰিলো।" ৰবিজিতে হাঁহি পেলাই ক'লে। "কিন্তু, মই যদি আকৌ খোজো। কোৱা দিবা ? প্ৰমিজ।" বিদিশাৰ কথা শুনি ৰবিজিতে উত্তৰ দিলে – — "ঠিক আছে। কচোন কি ?" "জিত দা, তুমি জুৰিবাক বিয়া কৰাই পেলোৱানা।" "কি ?" একপ্ৰকাৰ চিৎকাৰ কৰি উঠিল সি। চকুদুটা বহলকৈ মেলি ভূত দেখা মানুহৰ দৰে, সি বিদিশালৈ চালে। "এতিয়া নহয়। জুৰিবাৰ হাজবেণ্ডৰ সকলোবোৰ সকাম-নিকাম হৈ যোৱাৰ পিছত।" বিদিশাৰ নিৰ্লিপ্ত কণ্ঠ।

"তই পাগল হোৱা নাইতো ?" জুৰিৰ স'তে মোৰ সম্বন্ধ মাথোঁ বন্ধুত্বৰ। আমি কেতিয়াওঁ ইয়াক প্ৰেম বুলি ভবা নাই। আৰু .......... আৰু সমাজে কি ক'ব ?" চিঞৰি উঠিল ৰবিজিতে।

"হৃদয়ক কিয় ফাঁকি দিছা জিৎদা ? এবাৰ মাথো নিজৰ মনটোক সুধি চোৱা – নিবিচাৰেনে ই এতিয়াও জুৰিবাৰ সান্নিধ্য ?" সামান্য হাঁহি বিদিশাই ক'লে -- "বন্ধুত্ব আৰু প্ৰেমৰ

সীমাৰেখাডাল বহু অস্পষ্ট – আঁচ টানি ভাগ কৰিব নোৱাৰাকৈ। কাৰণ বন্ধুত্ব আৰু প্ৰেম, দুয়োটাৰে মূলতে থাকে আকৰ্ষণ আৰু বিশ্বাস। আচলতে প্ৰতিটো বন্ধুত্বৰ স'তেই সাঙোৰ খাই থাকে কিছু ভালপোৱা। আৰু .......আৰু সমাজৰ কথা তুমি কিয় কৈছা ? পৰীৰ সেই জঘন্য মৃত্যুৰ সময়ত, তোমাৰ মানসিক বিকাৰগ্ৰস্থ মাৰ মৃত্যুত আহিছিলনে কোনোবাই তোমাৰ দুখৰ ভাগবতৰা কৰিবলৈ ? তেন্তে কি অধিকাৰত তেওঁলোকে তোমাৰ কামত মাত মাতিব ? সমাজ মানুহেহে গঢ়ে জিতদা, নিজে সৃষ্টি নহয়। আৰু এখন সুন্দৰ সমাজ গঢ়িবলৈ কিছুমান সুন্দৰ পদক্ষেপ আমি ল'বই লাগিব। হৃদয়ৰ তাগিদাত হ'লেও, বিধবা জুৰিবাক বিয়া কৰোৱাটো এনে এটা পদক্ষেপেই হ'ব। তুমি পাৰিব লাগিব জিতদা। অন্ততঃ তোমাৰ ভন্টিৰ একান্ত দাবী হিচাপেই তুমি জুৰিবাক বিয়া কৰাব লাগিব।"

"মই নজনকৈয়ে তই বহু ডাঙৰ হৈ গলি দিশা।" তাইৰ মূৰত মৰমেৰে থপৰিয়াই সি কৈ উঠিল — "মোৰ জন্মদিনত মোৰ ভনীয়ে বিচৰা কোনো বস্তু দিয়াত মই কৃপনালি নকৰো। তইতো বহু ডাঙৰ বস্তু বিচাৰিছ দিশা । তথাপি মই নিজকে প্ৰস্তুত কৰিম মাথো তোৰ বাবেই !"

"এয়াহে ভাল ল'ৰাৰ কথা।" কথাৰ সুৰটো সলনি কৰি বিদিশাই কৈ উঠিল – জিতদা; অকনমান জোৰে চলোৱানা, নগাওঁ পায়েই গুৱাহাটীলৈ ফোন কৰিব লাগিব। মই তেজপুৰলৈ অহা অনুৰাগে গমেই নাপায়। খুউব চিন্তা কৰিব সি।"

"এই অনুৰাগ কোন অ' ? প্ৰেমত পৰিবলৈ কেতিয়াৰ পৰা শিকিলি ?" বিদিশাক জোকাই ৰবিজিতে শুধিলে। তেতিয়াহে তাইৰ মনত পৰিল তাইচোন কোৱাই নাই জিতক অনুৰাগৰ কথা ! লাজত তাইৰ মুখখন ৰঙা পৰি গ'ল।

হঠাৎ তাইৰ মনত পৰি গ'ল ৰবিজিতৰ প্ৰতি তাইৰ পূৰ্বৰ আকৰ্ষণৰ কথা, যি স্বয়ং ৰবিজিতেওঁ নাজানে। থাকক! তাই কাকো নকয় এই কথা, আনকি অনুৰাগকো। একান্ত ব্যক্তিগত সম্পত্তিৰ দৰেই সাঁচি ৰাখিব তাইৰ সেই বলিয়া অনুভৱ। সকলো মানুহেই হয়তো নিজে নজনাকৈয়ে কিছু কিছু পৰিমানে বলিয়া। এসময়ত ৰবিজিতৰ প্ৰতি থকা তাইৰ আকৰ্ষণো হয়তো এই বলিয়ালিৰে নামান্তৰ। এতিয়াও তাই ৰবিজিতক ভাল পায়........খুউব ভাল পায় — এজন মৰমীয়াল ককায়েক হিচাপে। চিৰদিন তাই জীয়াই ৰাখিব খোজে এই সম্বন্ধ।

ভৰি পৰা মন এটিৰে ৰবিজিতৰ কান্ধত মূৰটো পেলাই দি চকুহাল মুদি দিলে বিদিশাই ............ আলফুলে। ■

আপোনাৰ কথা সঁচা হ'লে হিন্দুৰ মহাকাব্য সেই মহাভাৰত খন পুৰি পেলোৱাহে যুগুত হ'ব ডাঙৰীয়া । বিবাহৰ পূৰ্বে ভালপোৱা যদিহে ব্যভিচাৰ হয়, প্ৰকৃত দত্ত প্ৰণয় যদি অবৈধ হয়, তেন্তে শাস্ত্ৰৰ ৰথী-মহাৰথী, সতী-মহাসতী প্ৰায়বিলাকৰ গা-ই অবৈধ প্ৰণয়, ব্যভিচাৰৰ চেকাৰে লেটি পেটি হৈ আছে ডাঙৰীয়া । যি পঞ্চ কন্যাক নিতৌ স্মৰণ কৰিলে সকলো পাপ খণ্ডন হয়, আপোনালোকৰ সমাজৰ আইনত তেওঁলোক কোন শ্ৰেণীত পৰে। সমাজ হ'ল এচকুৰা ঢোৰা কাউৰীৰ নিচিনা- এফালে মনে, আনফালে নমনে। সীতাৰ দৰে নিস্পাপ, ফুলৰ দৰে পবিত্ৰ এজনী ছোৱালী যি সমাজৰ চকুত অবৈধ সন্তান হয়, অবিবাহিতা সাবিত্ৰীৰ স্বামীৰ প্ৰতি স্বৰ্গীয় প্ৰেম, ভক্তি, ভালপোৱা যি সামজৰ চকুত ব্যভিচাৰ হয়, ভালকৈ মন কৰি চালে দেখিবা যে সেই উৱলি যোৱা সমাজৰ বুকুত এখন নতুন সমাজে ঠন ধৰি উঠিছে ।

— নটসূৰ্য ফনী শৰ্মা






# আধা লিখা কাগজ

• মাহমুদা খাতুন
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

এটি পুৰণি মডেলৰ ঘৰ, চৌখিন নহয় যদিও, মধ্যবিত্তৰ ভাৱ স্পষ্ট। খিৰিকিবোৰত লিপিট খাই থকা ধুলি, নেমেলাৰ চাপ বিদ্যামান। কোঠালীবোৰত উই পৰুৱাৰ বিচিত্ৰ অট্টালিকাৰ দম। লুম লুমাই থকা মকৰাৰ জালবোৰ .......... । এজনী ছোৱালী, সজল নয়ন, মৃদুভাষী, কুন্দত কটা, তাইৰ নাম ফজিলা।

আনদিনৰ দৰে সিদিনাও ফজিলা উলটি আহিল শুদা হাতে শুদা মনে। ৰূপোৱালী মনটোক যেন কয়লা কলা আউসীয়ে ঢাকি ধৰিছে। অৱশ্যে তাই সিদিনা নিৰ্ধাৰিত সময়তকৈ অলপ আগতে অহা যেন মাকে অনুভৱ কৰিলে। মাকৰ মুখেৰে অজানিতে উচ্চাৰিত হ'ল "হায় আল্লাহ মোৰ বেটিৰ নিশ্চয় তুমি গট লগাই দিলা" সেইদিনাও ফজিলাই কাপোৰ সলালে স্বাভাবিক ধৰণে, মাথোন খোৱাপাটীত তাইক কিছু বিব্ৰত দেখা গ'ল। প্ৰথম গৰাহ ভাতেই তাইৰ ডিঙিত সোপা মাৰি ধৰিলে। মাকে বহুত বাৰ 'কি হ'ল' বুলি সুধিলে যদিও, তাই নিমাত ভাবেই খাবলৈ এৰি শুৱনী কোঁঠালীলৈ ৰাওনা হ'ল। বিচনাখনকে সেই বেমাৰৰ দৰব হিচাপে লৈ তাই শুই পৰিল অৰ্ধনগ্ন হৈ থকা গাৰু দুটাৰ ওপৰত । টোপনিয়ে কিছুসময় নিচুকুৱাৰ পিচত তাই হঠাৎ সাৰপাই উঠিল,তাই দেখিলে টেবুলত জ্বলাই থোৱা মমডাল নিৰ্বিঘ্নে পুৰি গৈছে। অস্ফুট পোহৰত হৃদয়ৰ মনিকোঁঠাত থকা ভঙা গঢ়াৰ সপোনবোৰ তাই জুকিয়াই চাব ধৰিলে।

নিশা গভীৰ। বাহিৰত কিছুমান আপদিয়া কুকুৰে মহাৰাজ সকলৰ পেলনীয়া উচ্চিষ্ট বিচাৰি নাপাই সজোৰে ভৌ-ভৌৱাইছে! ৰিণিকি ৰিণিকি 'Piano' ৰ ঝংকাৰ কৰবাৰ পৰা ভাহি আহিছে, ওচৰৰ জিতেন উকিলৰ ঘৰৰ পৰাই হ'ব। ফজিলা নিস্তব্দ, বাহিৰৰ সম্ভ্ৰান্ত জগত খনৰ প্ৰতি তাই অনিহা জাগিছে।

যিজনী ছোৱালীয়ে দিনটোত ঘটা সকলো তিতা কেহা ঘটনাৰ কথা, ৰাস্তাত 'বয়ফ্ৰেণ্ডে' জোকোৱাৰ কথা বিনা দ্বিধাই মাকৰ আগত কৈ যায়, সেইজনী ছোৱালীৰ কি হব পাৰে ? বিচনাত বাতবিষত কেকাই থকা মাকৰ জিজ্ঞাসু মনে ফজিলাৰ এই পৰিবৰ্তনৰ উমান পাইছিল আৰু সেয়েহে মাকে লাহেকৈ সুধিলে— " আই ফজিলা তোৰ আজি কি হ'ল অ' এনেকে কান্দি থাকিলে আল্লাই আমাক ভাল নাপাব ন'হয় ............." বহুত বুজোৱাৰ অন্তত ফজিলাই কৈ গ'ল দিনটোত ঘটা চাকৰি অন্বেষণী অভিজ্ঞতাৰ কথাবোৰ।

চহৰৰ নিৰেণ M.L.A. ফজিলাৰ দেউতাকৰ বন্ধুৰ ল'ৰা। ভোটৰ আশাত নিৰেণ ফজিলাহঁতৰ ঘৰত ঘন ঘনকৈ বাতি কাঢ়িব ধৰিলে। প্ৰতিশ্ৰুতিও দিলে যে মজনু আৰু ফজিলাক ডাঙৰ হ'লে চাকৰি দিব, গতিকে ভোটটো আনক নিদি তেওঁকেই দিব লাগে।

ফজিলাৰ দেউতাক দুৰ্নীতিৰ গোন্ধ নোপোৱা সহজ সৰল গাওঁলীয়া মানুহ, যি নেকি 'Side profit' থকা 'কানগু' চাকৰি কৰিও ধনবান হ'ব পৰা নাছিল।

দিন আহিল আকৌ গুছি গ'ল, ফজিলা আৰু মজনু চাকৰিৰ উপযুক্ত হ'ল। কিন্তু সিহঁতৰ চাকৰি......... ?? বেচেৰা মজনু 'first class' সহ B A পাচ কৰিও অৰ্থৰ অভাৱত তামোল পাণৰ দোকানকে দিব লগা হ'ল আনকি অমায়িকতা আৰু সৰলতাৰ সুযোগ লৈ দেউতাককো 'Government' য়ে বিনা কাৰণতে 'চাচপেন' কৰি থলে।

ফজিলা সিদিনা নিৰেণ M.L.A. ৰ ওচৰলৈ গৈছিল আৰু প্ৰাৰ্থনা কৰিছিল এটা চাকৰিৰ বাবে। নিৰেণ M.L.A. সিংহৰ দৰে গৰজি উঠিল .......... 'চাকৰি কিবা বাপেৰৰ ঘৰৰ বস্তু নেকি যে খুজিলেই পাই যাবি ..........?' মোৰ ইয়াত 'Qualification' ৰ কোনো মূল্য নাই, চাকৰি দিম যদিহে তোৰ এই নিপোটল দেহটো ..........।' শেষৰ বাক্যটো ফজিলাৰ বুকুত শেলে বিন্ধাৰ দৰে বিন্ধি ধৰিলে, তাই শিল পৰা কপৌৰ দৰে যথৰ হোৱা যেন অনুভৱ কৰিলে। লগে লগে গাখীৰৰ দৰে বগা ছোৱালীজনী গৰম কৰি ৰঙা কৰা লোৰ দৰে হৈ পৰিল। তাই সম্বিৎ ঘুৰাই পালে " নিৰেণ দা ভাল অভিনয় কৰিলা, চাকৰি মোক আৰু ................" — এটা কৃত্ৰিম ভেঙুচালীৰ হাঁহিমাৰি তাই ধুমুহাৰ দৰে ঘৰলৈ আহিল। তাই পোন প্ৰথমবাৰৰ বাবে অনুভৱ কৰিলে যে মানুহে টকাৰ কাৰণে কিমান তললৈ নামিব পাৰে। এনে নগ্ন বাস্তৱ কথাবোৰ শুনি অলপতে চুৰ্কিয়া জনোৱা মাকজনী আল্লহৰ আগত অজানিতে ভেম কৰি উঠিল– "আল্লাই আমাৰ নিচিনা নিঃ কিনৰ কপালত ক'ত চাকৰি লিখিব ......."।

মজনু দোকান কৰি ভালেই গট লাগিছে। বিচনাখনে আকোৱালী লোৱা সময়ত তাৰ মনটোক বহু চিন্তাই ভাৰাক্ৰান্ত কৰি পেলায় ........" ভনীজনীক যদি অলপ ডাঙৰ ............ আৰু যে ক'ত কি"। অৱশেষত তাক টোপনিয়ে আৱৰি থয়।

সিদিনা এটা ঘটনা ঘটিল, ফজিলা অসুস্থ চিত্তেৰে শুই আছে খাতিয়াখনৰ ওপৰত। মহৰমৰ দোকান দিয়া কামত মজনু চকু ঘুৰাবলৈকে সময় পোৱা নাই। অনুমতি গ্ৰহণৰ বাবে সি ৰাতি ঘৰলৈ আহিল। পুহ-মাহ বাহিৰত ফিৰ ফিৰিয়া বতাহ বাহিৰত ওলাবলৈ সত নাযায়। সি মাকক এখন উৰা কাপোৰ খুজিলে কাৰণ দোকান পহৰা দিওতে ঠাণ্ডা লগিব। ঘৰত মাঁথোন এখনেই উৰা কাপোৰ আছে আৰু সেইখনকে যদি মজনুক দিব লাগে মাক আৰু ফজিলা ঠাণ্ডাতে থাকিব লাগিব। সেয়ে তাই খঙৰ ভমকত কৈ উঠিল – " যা গৈ যা, মই মোৰ কাপোৰ দিব নোৱাৰো, ঠাণ্ডাতে মৰগৈ ..........."।

মজনু গুচি গ'ল মহৰমৰ দোকান কৰা ঠাই খনলৈ। কিন্তু ফজিলা, তাই কত যাব। তাইতো আৰু ব্যস্ত জনতাৰ মাজত গৈ দুখ পাতলাব নোৱাৰে। মজনুক তাই প্ৰাণভৰি ভাল পায়, অথচ তাইৰ সাধাৰণ কথাতে সি খং কৰি গুচি গ'ল, সেয়ে তাই বহুসময় নিৰবে চকুলোঁ টুকিলে। তাই ক্ষমাৰ কোনো বাট বিচাৰি নাপালে। অৱশেষত মাক শুৱাৰ ছেগ লৈ তাই মাজনিশা গুচি গ'ল কোনোবা এখন দুখবিহিন জগতৰ সন্ধানত, য'ত তাইক সকলোৱে বুজি পাব।

ৰাতিপুৱা হুৱা-দুৱা লাগিল। পুলিচ আহিল 'investigation' হ'ল কিন্তু কোনো যুক্তি যুক্ত তথ্য পোৱা নগ'ল। ওচৰৰ মাইকীবিলাকে বু-বা কৰিব ধৰিলে। অৱশেষত এটুকুৰা আধালিখা কাগজ তাইৰ গাদুৰ তলত পোৱা গ'ল, য'ত লিখা আছিল — "ভাইজান মোক ক্ষমা কৰিবি জীৱনৰ চৰম গ্লানিবোৰে মোৰ বাক শক্তি ৰুদ্ধ কৰি পেলাইছে । তই মোৰ যিমান উন্নতি কামনা কৰ, মই তাতকৈ বহুত বেছি গুণে তোৰ উন্নতি কামনা কৰো। তই মোক ভুল নুবুজিবি ......."

হঠাৎ মানুহৰ ঝুম এটা আগবাঢ়ি আহিল। কোনোবা এজনে চিঞৰিলে –"পানী ঢাল, পানী ঢাল, বাচিব, বাচিব ......"।



গল্পৰ দলিচা

# প্ৰতীক্ষাৰ অন্তত......



" এখন দেশত এজনী অকনমাণি ছোৱালী আছিল। তাইৰ নাম আছিল জোন, তাইৰ এটি ধুনীয়া পুতলা আছিল।" নাম কি কোৱাছোন ? — তাই প্ৰশ্ন কৰিলে ?

নিয়ৰ আকৌ – নিয়ৰে উত্তৰ দিলে।

মা তুমি কিয় সদায় একেটা সাধুকে কৈ থাকা ? নিয়ৰৰ প্ৰশ্নত যেন তাইৰ তন্ময়তা ভাঙিল। তাই কৈ উঠিল – "হৈছে হৈছে আৰু সাধু শুনিব নালাগে সোনকালে শুই পৰা। কালি আমি গোৱালপাৰালৈ যাব লাগিব।

বৰষা শৰ্মা। গুৱাহাটীৰ এটি ডাঙৰ কোম্পানীৰ অভিযন্তা। বৰষাৰ ল'ৰা নিয়ৰ। বৰষাৰ বচে তাইক প্ৰস্তাৱ দিছে শ্ৰীসূৰ্য্য পাহাৰখন ছোৱাৰ বাবে, গতিকে যাবই লাগিব। ৰাতিপুৱা যথাসময়ত তেওঁলোকে যাত্ৰা আৰম্ভ কৰিলে।

বাটত নিয়ৰে কৰা ইটো কি ? সিটো কি ? এইটো কিয় এনেকুৱা ? আদি প্ৰশ্নই বৰষাক ব্যতিব্যস্ত কৰি গ'ল।

বৰষাৰ বচ হিৰণ্য কাকতি, আদহীয়া মানুহ, তাইক বৰ মৰম কৰে। মানুহজনৰ ঘৈণীয়েক ঢুকাইছে, এটাই ল'ৰা; দিল্লীত থাকে। মানুহজনৰ ভগৱানৰ প্ৰতি অগাধ ভক্তি। সেইকাৰণে মন্দিৰ দৰ্শন কৰি ফুৰে।

মন্দিৰ গৈ পায়েই তেওঁ ভৰি হাত ধুই পূজা কৰাত লাগিল। বৰষায়ো লগত নিয়া ধূপ চাকি জ্বলাই দি সেৱা কৰিলে আৰু শিল এটিত বহি খেলি থকা নিয়ৰক ছোৱাত লাগিল।

হঠাতে তাইৰ চকুত পৰিল কোনোবা এজন তাইৰ ফালে আহি আছে। তাইৰ চিনাকী চিনাকী লাগিল। অলপ ওচৰ চপাত, তাই চিনি পালে — এয়াচোন অনুভৱ!

তাই হঠাতে কৈ পেলালে – অনুভৱ তুমি ইমান Change হ'লা ?

সি অপ্ৰস্তুত হ'ল যদিও ক'লে – যুগৰ সৈতে অলপ পৰিৱৰ্তন আনিছো।

• উৎপলপৰ্ণা ভৰদ্বাজ
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

অনুভৱে সুধিলে — কাৰ লগত আহিছা?

তাই উত্তৰ দিলে — সৌৱা তেওঁ, মই আৰু মোৰ ল'ৰা নিয়ৰ, চোৱাচোন মই তোমাক মোৰ ল'ৰাটোৰ সৈতে চিনাকী কৰিয়েই দিয়া নাই।

"নিয়ৰ এইয়া তোমাৰ Uncle" — নিয়ৰক খেলৰ পৰা লৈ আহি তাই ক'লে।

অনুভৱে এনেয়ে নিয়ৰৰ মুৰত হাত বুলালে ।

বৰষাই পুনৰ সুধিলে — কাৰ লগত আহিছা?

সি উত্তৰ দিলে মোৰ অফিচ ষ্টাফৰ লগত আহিছো কাইলৈ গুৱাহাটীত বিয়া এখন আছে, পৰহি যোৰহাটলৈ উভতি যাম।

তুমি তাৰমানে যোৰহাটতে আছা? — বৰষাই শুধিলে।

সি 'উ' বুলি উত্তৰ সামৰিলে আৰু ক'লে — তুমিতো ভাল সংসাৰ কৰিলা? মোক বিয়ালৈও নামতিলা নহয়। বৰষাই কিবা ক'ম বুলি ভাবি শুধিলে অনুভৱ তুমি বিয়া পাতিলা নে নাই ? সি ক'লে — কৰিলো দিয়া, বিয়াহে কি ডাঙৰ কথা। পত্নী ছাগে খুব ধুনীয়া নহয়? সি ক'লে — অ সাইলাখ অপেস্বৰী। হঠাতে হিৰণ্য কাকতি নামি অহা দেখি অনুভৱে ক'লে যাও দিয়া দেৰী হ'ল। পিছত দেখা হ'ব।

অনুভৱ গুছি গ'ল।

গাড়ীৰে আহি থাকোতে বৰষাৰ ল'ৰালিৰ পৰা যৌৱনলৈ বহুকথাই মনত পৰিল। ইপিনে নিয়ৰ হিৰণ্য কাকতিৰ সৈতে ইটোৰ পিছত সিটো কথা পাতি পাতি লেবেজান হৈ শুই পৰিছে।

গুৱাহাটী আহি পোৱাৰ পিছত হিৰণ্য কাকতিয়ে সিহঁতক নমাই থৈ গুচি গ'ল। ৰাতি তেতিয়া ৮.৩০ বাজিছে। ইপিনে বৰষাৰ ভাড়াঘৰৰ মালিকৰ জীয়েকৰ বিয়া অহাকালি। বিয়াঘৰ মানুহৰ উখল মাখলেৰে মূৰ্তমান হৈ উঠিছে। বৰষাই বিয়াঘৰত এবাৰ মাত লগাই আহি নিয়ৰক অলপ গাখীৰ খুৱাই শুৱাই থৈ নিজেও কিবা অলপ খাই শুবলৈ গ'ল। বৰষাৰ বহুসময়লৈ টোপনি নাহিল। তাইৰ মনলৈ আহিল অনুভৱৰ সৈতে পাৰ কৰা সেই স্কুলৰ দিনৰ মুহূৰ্তবোৰ। তাইৰ হাঁহি উঠি গ'ল। অনুভৱ যে কিমান মৰম আকলুৱা আছিল। আৰু তাই যেন তাৰ বান্ধৱী নহয় ব্যক্তিগত সম্পত্তিহে আছিল। আৰু এদিনৰ কথা মনত পৰিলে তাই এতিয়াও ৰঙা পৰি উঠে, "অনুভৱে তাইক সকলোৰে অৰ্থাৎ বন্ধু-বান্ধৱীৰ সন্মুখতে বিয়া কৰাম বুলি কৈছিল"। এই কথা বাৰু আনুভৱৰ মনত আছেনে ?

তাই ভাবিলে। বিভিন্ন কথা ভাবি এটা সময়ত তাই শুই পৰিল

ৰাতিপুৱা কইনাৰ ভনীয়েক ৰীতুৰ চিঞৰত তাই সা
পালে।

"বৰষা বা মায়ে তোমাক মাতিছে সোণকালে উঠা আৰ
ব'লা"। তাই গা-ধুই গৈ আছো বুলি কোৱাত তাই গ'ল।

বৰষাই প্ৰথমতে নিয়ৰক গাধুৱাই গাখীৰ খুৱালে আৰ
নিজেও মুখ ধুই অকণমান চাহ খাই গাধুবলৈ গ'ল। গা-ধু
আহি চুলি মচি থাকোতে ৰীতু পুনৰ আহি ওলাল।

"বা, তুমি ইমান দেৰী কৰিছা"! সোনকালে ব'লানা

তাই যিমান পাৰে সোনকালে ওলাই নিয়ৰক লগ
লৈ বিয়া ঘৰলৈ গ'ল। বিয়াঘৰত তাই কইনাৰ বায়েক হিচা
বহুত কাম কৰিবলগীয়া হ'ল। ঘৰৰ ভিতৰখন চম্ভালি থাৰি
তাই বাহিৰলৈ যাবতো পৰা নাছিলেই আনহে নালাগে কইনা
ওচৰলৈও যাব পৰা নাছিল। হঠাতে কইনাৰ মাকে আহি ক'
"যোৱাচোন, বৰষা নীতু মাজনীক এবাৰ চাই আহাগৈ। তা
তোমাৰ লগত কথা পাতিব পাৰিলে ভাল পাব।" বৰষাই কা
থকা কামখিনি অতাই নীতুৰ ওচৰ পালেগৈ। "নীতুক যে কইনা
সাজত ইমান মৰম লাগিছে" তাই মনতে ভাবিলে আৰু তা
কইনা হ'লে ............. তাইক লগ পাই নীতুৰ যে ক'ত কথ
সকলোবোৰ এফালৰ পৰা কোৱাত লাগিল। নীতুৱে ক'লে
"জানা বৰষাবা, আমাৰ এজন জেঠাইৰ ল'ৰা যোৰাহাটৰ প
আহিছে, ইমান ভাল জানা ? আৰু ইমান handsome তোমা
লগত বৰ মিলিব। মই তোমাৰ কথা কওতে অলপ আচৰি
হোৱাৰ দৰে হৈ ওলাই গ'ল।" মই হ'লে কথাতো বুজি নাপালো

বৰষাই নীতুৰ কথা শুনি হঠাতে সুধি পেলালে কি না
তোমাৰ দাদাৰ ?

"অনুভৱ কাশ্যপ"। নীতুৱে ক'লে —

বৰষাৰ নামটো শুনি কি কৰিব কি নকৰিব লাগিল। তাই যে
নিজৰ কাণকে বিশ্বাস কৰিব পৰা নাই। এইয়া কি শুনিছে তাই
অনুভৱে জানো বিয়া কৰোৱা নাই! নে সি তাইক মিছা কথ
কৈছিল ............................ তাই থৰ লাগি ভাবি থাকি
কিছু সময়। অলপ পিছত নীতুৰ মাততহে তাই সম্বিত ঘুৰা
পালে। সেই সময়তে নীতুৰ মাকে অনুভৱক লৈ কইনা
কোঠালৈ সোমাই আহিল বৰষাৰ সতে চিনাকী কৰি দিবলৈ
অনুভৱৰ মাহীয়েকে ক'লে — "অনুভৱ, এয়া বৰষা, বৰষা শৰ্মা
বৰষাই কিবা এটা কব নৌপাওতেই তেওঁ পুনৰ ক'লে —

"জানা অনু, আমাৰ বৰষা যে সাদৰী ছোৱালী, সকলো কামতে আগৰণুৱা, তুমি শুনিলে আচৰিত হ'বা, বৰষাই এটি পিতৃ মাতৃহীন শিশুক নিজৰ ল'ৰাৰ দৰে মৰম কৰি ৰাখিছে। বহুতে ভুল কৰে ল'ৰাটোক বৰষাৰ নিজৰ সন্তান বুলি।" কথাখিনি শুনি বৰষাই অলপ ইতস্ততঃ বোধ কৰিলে। ইপিনে অনুভৱ, তাৰ কবলগীয়া সকলো কথা যেন শেষ হৈ গৈছে। সি অকণমান সময় সকলোকে চাই কোঠাৰ পৰা ওলাই গ'ল।

ইয়াৰ পিছত বৰষা আৰু অনুভৱে দিনটো আৰু সন্ধিয়াটো কামৰ ব্যস্ততাত ইজনে সিজনক লগেই নাপালে। ৰাতি দৰা আহাৰ আগে আগে তাই ঘৰৰ পৰা এবাৰ আহো বুলি কোৱাত কইনাৰ মাকে তাইক ক'লে "বৰষা অনুকো লৈ যোৱাচোন, তোমাৰ লগত, সি মোক কেতিয়াবাই কৈছিল কড়া চাহ একাপৰ কথা, মই ব্যস্ততাত দিব পৰা নাই, তুমিয়েই বনাই দিয়াগৈ।"

তাই হ'ব বুলি কোৱাত, অনুভৱো তাইৰ লগে লগে গ'ল। ঘৰত মুখ ধুই আহি তাই নিয়ৰক শুৱাই থ'লে। নিয়ৰক শুৱাই থৈ আহি তাই অনুভৱক চাব আহি দেখে সি এলবাম চাই আছে। তাই কি ক'ব ভাবি নাপাই চাহ বনাবলৈ গ'ল।

চাহ বনাই থাকোতে তাই অনুভৱৰ সৈতে কেনেকৈ কথা পাতিব ভাবিলে কিন্তু স্পষ্টকৈ তাই একো এটা ভাবিব নোৱাৰিলে। তাই চাহকাপ লৈ গৈ অনুভৱক দি ক'লে— চাহ খোৱা। আৰু তাই তাৰ ওচৰতে বহি পৰিল ।অনুভৱে হঠাতে এলবামটো নমাই তাইৰ মুখলৈ চাই ৰ'ল । তাই দেখিলে "এয়াচোন তাইৰ আগৰ অনুভৱ !" তাৰ চকুৱে মুখে সেই একেই আকুলতা ।

সি সুধিলে, বৰষা তুমি মোক আগতে নক'লা কিয়? তাই ক'লে কি কোৱা নাই ? কিয় তোমাৰ যে বিয়া হোৱা নাই । ও, সেইটো, তুমিচোন কবলৈ সুযোগেই দিয়া নাই, তাই ক'লে । বৰষাই আকৌ ক'লে — তুমিওতো কম মিছলীয়া নহয় । মোক কি কৈছিলা, " বিয়া কৰালো:", পত্নী, "সাইলাখ অপেস্বৰী" ।

ও, সেইয়াটো মই তোমাৰ ওপৰত খং উঠি কৈছিলো, তুমি যদি এটা বুঢ়াক বিয়া কৰাব পাৰা মই নোৱাৰোনে বিয়া কৰাব । সেয়ে কৈ দিলো, কৰালো বুলি । তাই সশব্দে হাঁহি দিলে । "এই অনুভৱ, তুমিচোন অকণো Change হোৱা নাই, সেই একেই খং, সেই একেই মোক জ্বলাই ভাল পোৱা স্বভাৱ "।

Change হ'লে ভাল পালাহেতেন নেকি? এতিয়াই হও দিয়া তেন্তে .......... সিও হাঁহিলে —

বৰষাই সুধিলে ,অনুভৱ বিয়া কেতিয়া কৰাবা ?

সি ক'লে —"যেতিয়াই তুমি হ'বা ।কাৰণ মইতো তোমাকেই বিয়া কৰাব লাগিব, যিহে বচন দি থৈছো ,ৰক্ষা নকৰিলে খেদি নাযাবা জানো ?"

" বৰষা হঠাতে ৰঙা পৰি উঠিল "( যেনেকৈ হবলগীয়া স্বামীক দেখি গাভৰু ছোৱালী ৰঙা পৰে )

তাই ক'লে, "জানা অনুভৱ, মইতো তোমাৰ বাবেই ৰৈ আছিলো ? কালি তুমি বিয়া কৰালা বুলি কোৱাত, মই যেন ............

" ৰৈ গ'লা যে, কোৱা কি কব খুজিছা ।" অনুভৱে ক'লে —

"বৰষাই অনুভৱৰ বুকুৰ মাজত সোমাই হুকহুকাই কান্দি দিলে।" তেতিয়া বাহিৰত উৰুলি আৰু প্ৰচণ্ড ফটকাৰ শব্দ হ'ব ধৰিছিল । (নিতুৰ দৰা আহিল !) ■

সৌ সিদিনাখনো দেশৰক্ষাৰ ডাক আহিছিল । আজি ধনী শ্ৰেণীৰ ল'ৰা-ছোৱালী ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ে, দিনে নিশাই নিজকে কেনেকৈ ডাঙৰ কৰিব তাৰ চিন্তা কৰে, ইউৰোপ-আমেৰিকাত ঘৰ সাজি বসবাস কৰাৰ সপোন দেখে । সামজৰ নেতৃত্ব এনে শ্ৰেণীৰ হাতত। দুখীয়া ৰাইজৰ মংগলৰ কথা, উন্নতিৰ কথা আৰু তেওঁলোকে ভাবিব নোৱাৰে । তেওঁলোকৰ সুৰতে সুৰ মিলাই এচাম শিল্পী-সাহিত্যিকে ক'বলৈ আৰম্ভ কৰিছে যে, শিল্প-সাহিত্য সূক্ষ্ম বস্তু, বান্দৰে নাৰিকলৰ মোল নুবুজাৰ দৰে জনসাধাৰণে শিল্প-সাহিত্যৰ মোল নুবুজে ।

– ড° হীৰেন গোহাঁই

গল্পৰ দলিচা

# শেষ নিৰ্মালি



• জিন্টু বেজবৰুৱা
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান

প্ৰাৰ্থনা সভাত মৃতকৰ আত্মাৰ শান্তিৰ বাবে প্ৰিন্সিপালে দুই মিনিট সকলোকে চুপ হবলৈ কোৱাত যি গুনগুননিৰ সৃষ্টি হৈছিল, সভা ভঙাৰ লগে লগে সেয়া চিঞৰ-বাখৰত পৰিণত হ'ল। কিছুমানে আজিৰ দিনটোত ছুটী পাই গহীন হৈ ক্ৰিকেট মেচখন ক'ত পাতিব তাৰ আলোচনাত ব্যস্ত, কিছুমানে ১১ টাৰ 'শ্ব' চাবলৈ লৰা-ঢাপৰা কৰিব ধৰিছে, ফাইভ, চিক্সৰ পিলিঙাবোৰে আকৌ কোন মৰিছে গমকে নাপাই আকতাক সুধি ফুৰিছে। এটা কোনত বৈ থকা ভাস্কৰৰ কিন্তু কেনেবা লাগি গ'ল। সি বিশ্বাস কৰিবলৈ টান পালে যে আগদিনা স্কুলত বেল বজাই ইটো ৰুমৰ পৰা সিটোলৈ চাহ অনা নিয়া কৰি ফুৰা মানুহটো আজি নিস্তব্দ।

ৰিয়াজ্! স্কুলত সকলোৱে তেওঁক ৰিয়াজ চাচা বুলিয়ে মাতিছিল। প্ৰায় একেটি অথচ পৰিস্কাৰ চোলা আৰু পায়জামা পিন্ধি অহা মানুহজনৰ মুখৰ ডাঢ়িখিনিৰ লগত আছিল এটা খোলা হাঁহি আৰু অন্তৰত আছিল এখন বহল হৃদয়। স্কুলখনৰ প্ৰতিটো গুৰুত্বপূৰ্ণ কামত তেওঁৰ গুৰুত্ব আছিল সীমাহীন। প্ৰতিজন ছাত্ৰৰ প্ৰতি তেওঁ আছিল অতিকৈ সচেতন। ভাস্কৰ ক্লাচ্ ফাইভত থাকোতে এবাৰ পেন্টতে পায়খানা কৰি লাজতে কানমুখ ৰঙা কৰি স্কুলৰ পাছফালে বহি আছিল। কিবা ক্ষনত চাচাই দেখা পাই একেটানে দমকলৰ পাৰলৈ নি নিজহাতে ধুই দি 'লগৰ মখাই দেখিলে জোকাব এতিয়া ঘৰলৈ যা। মই চাৰক কিবা কৈ দিম বুলি" পঠিয়াই দিছিল। সি নিশ্চিত অপমানৰ পৰা হাত সাৰি ঘৰলৈ বুলি আধাবাট পাওতেই ৰিয়াজ চাচাই চাইকেলেৰে তাৰ বেগটো দি গৈছিলহি। তেতিয়াৰ পৰ মানুহজনৰ প্ৰতি তাৰ মনত সোমাইছিল গভীৰ শ্ৰদ্ধা আৰু ভক্তি

এইদৰে বছৰৰ পিছত বছৰ সিহঁতে লাভ কৰিছিল তেওঁৰ অগাধ মৰমৰ ভাগ। ক্লাচ্ টেনত থাকোতে আবেলি এদিন ভনীয়েকক লৈ ফুৰিবলৈ ওলাই আহোতে ৰিয়াজ চাচাক ঘৰ এটাৰ বাৰান্দাত বহি থকা দেখা পাই আচৰিত হৈ গৈছিল সি কাৰণ চাচা কেৱল স্কুলতহে থাকে তেনে এটা ভাবে মনত খোপনি পুতিছিল।

চাচা তোমাৰ ঘৰ ইয়াতে নেকি? সি চিঞৰিছিল চাচাই ছাগে মনিব পৰা নাছিল সেইবাবে নঙলা মুখলৈ ওলাই আহি কৈছিল ভাস্কৰ বাবা দেখোন হয় আমাৰ ঘৰ এইটোৱেই কথা পাতি থাকোতে এজন ওখ ২৫-২৬ বছৰীয়া যুৱক দপ্‌দপাই ওলাই গৈছিল তাৰ চাৎকৈ মনত পৰিছিল কোনোবা দিনা চাচাই কৈছিল তেওঁৰ পুতেকটো বৰ ওখ বুলি।

সিদিনা তেওঁ সিহঁতক ঘৰলৈ মাতিছিল কিন্তু অলপ আগতে ভিতৰত এখন দন্দ হৈ যোৱা যেন পাৰ্ই আৰু আন্ধাৰ নামি অহাৰ বাবে মাত লগাই সি গুচি আহিছিল। চাচাৰ মুখত লম্বা ডাঢ়ি নাই কিয়। সি ভনীয়েকৰ ফালে চাই লাহেকৈ কোচত তুলি ঘৰমূৱা হৈছিল। মেট্ৰিক পৰীক্ষা ওচৰ চপাৰ বাবে সি সেইকেইদিন চাচাৰ লগত ভালদৰে কথা পাতিব পৰা নাছিল। কিন্তু যেতিয়াই তেওঁক দেখা পাইছিল তেতিয়াই তেওঁক খুব বিসন্ন যেন অনুভৱ হৈছিল। এদিন আবেলি এনেয়ে অলপমান ফুৰি আহো বুলি কব নোৱাৰাকৈ সি চাচাৰ ঘৰৰ দুৱাৰমুখ পাইছিল। মনৰ দ্বিধা আতঁৰাই সোমাই গৈছিল সি ভিতৰলৈ। তেওঁ তেতিয়া এগৰাকী আদহীয়া তিৰোতাৰ মূৰ মালিচ কৰি দি আছিল। মানুহ গৰাকী ঘনে ঘনে অথচ তীব্ৰভাবে কাহি আছিল। তাক দেখাপাই ততালিকে সিটো ৰুমলৈ লৈ গৈ বহিবলৈ দি সংলগ্ন দৰ্জাখন বন্ধ কৰি দিছিল। সি আচৰিত হোৱাৰ আগতেই তেওঁ খুব পাতলকৈ অথচ হৃদয়ৰ কোনৰ পৰা ঘৈনিয়েকৰ মাৰাত্মক বেমাৰটোৰ কথা কৈছিল। সি তেওঁক পুতেকৰ কথা সুধোতে হাঁহি হাঁহি কৈছিল যে "সি এতিয়া বিয়া-বাৰু কৰাই আমাৰ লগত থাকিবলৈ বেয়া পায, সেই কাৰণে বেলেগকৈ থাকে। চাচাৰ ঘৰৰ পৰা আহোতে তাৰ মনত অকল খেলি গ'ল চাচিৰ গাত উৰি থকা কম্বল খনৰ ফুটাবোৰ আৰু তেওঁৰ অসহায় চকুহাল য'ত চাচিৰ কষ্ট আৰু তেওঁক ভাল কৰিব নোৱাৰাৰ দ্বিগুন দুখ দ্বীপ্তমান। সেই দিনায়ে সি মাহিয়েকে চুৱেটাৰ কিনিবলৈ দিয়া টকাৰে এখন কম্বল কিনি পিছ দিনা চাচাৰ হাতত জোৰকৈ তুলি দিছিল। "খোদাতাল্লাই তোৰ মংগল কৰক বুলি তাৰ মূৰত হাত থৈ চাচাই কৈছিল। তেওঁৰ চকুৰ কোনত জমা হোৱা চকুপানী খিনিয়েও যেন একে কথাই কৈছিল।

মেট্ৰিক পাছ কৰিও কোনে জানে চাচাৰ বাবেই কিজানি সি স্কুলখন এৰিব পৰা নাছিল আৰু ঘৰৰ অনিচ্ছা স্বত্তেও একেখন স্কুলতে উচ্চতৰ মাধ্যমিক বানিজ্য শাখাত নাম লগাইছিল। ইমান বিপদৰ মাজতো তেওঁ কোনোদিনা স্কুললৈ নহাকৈ থকা নাছিল আৰু তেওঁৰ কামবোৰ যথাসম্ভৱ নিয়াৰিকৈ কৰিছিল। কিন্তু তেওঁৰ এই অৱদানৰ প্ৰতি স্কুলখনৰ সঁহাৰি যেন একেবাৰে শূণ্য। আজিলৈকে সি কোনো শিক্ষককে চাচাৰ ঘৰলৈ যোৱা দেখা বা শুনা নাই যদিও পিছলৈ প্ৰায় সকলোৱে চাচাৰ ঘৈনিয়েকৰ বেমাৰৰ কথা গম পাইছিল। চাচা কিন্তু তেওঁলোকৰ ঘৰলৈ প্ৰায়েই গৈছিল তাকো তেওঁলোকৰ নিজস্ব কামত। তাৰ লগৰো কিমান ধনী ঘৰৰ ল'ৰাই চাচাক অকনমান সহায় কৰাৰ কথা মুখলৈকো নানে যদিও সিহঁতে চাচাৰ বাবে বাচি গৈছে বহু অপকৰ্ম্ম কৰি।

সেই চাচাক এতিয়াৰ পৰা, স্কুলত কি? কতোৱে দেখা পোৱা নাযাব কথাটো ভাবিবলৈ মন নগল ভাস্কৰৰ দুদিনমান আগতে কিবা ভাবত ডুব গৈ থকা চাচাক চাচীৰ বেমাৰ বেছি হৈছে নেকি বুলি সোধাত হুমুনিয়াহ এৰি কৈছিল "লৰাটোক মাতিছিলো মাকক এবাৰ চাই যাবলৈ ' কিন্তু তাৰ খবৰ নাই আজিলৈ"। চাচি কালি ৰাতি ঢুকাইছে আৰু সেইবাবেই কিজানি অকলসৰীয়া হোৱাৰ ভয়ত, পৰাজয়ৰ গ্লানিতে তেওঁও আত্মহত্যা কৰিলে।

সি লাহে লাহে চাইকেলখন কবৰ আস্থানলৈ যাওঁতে ভাবি গ'ল কালিৰ পৰা সকলোবোৰ একেই থাকিব, মাথোঁন চাচাৰ বাহিৰে। তেওঁৰ অনুপস্থিতি উপলব্ধি কৰিবলৈ মানুহবোৰৰ সময়ে নাই আনকি নিজৰ পুতেকৰো ছাগে। চাচা সৰু মানুহ আছিল সেইবাবেই নে এইবোৰ, নে সৰু মানুহবোৰ মানুহ নহয়, ভাবোতেই আক্ৰোশত তাৰ ডিঙিত খুন্দা মৰা শোঁক চকুৰে বৈ গ'ল। কিলাকুটিৰে চকুপানী মচিবলৈ লওঁতেই চকুগ'ল কাষৰ এঘৰৰ বাগিচালৈ কিবা ভাবি চাইকেলখন ৰখাই সি ফুল চিঙিবলৈ ধৰিলে। কাৰোবাৰ হুঁটা মাতত সি সম্বিত ঘূৰাই পাই লৰা লৰিকৈ ফুল খিনি বুকুত সাৱতি চাইকেল মাৰিলে চাচালৈ বুলি শেষ নিৰ্মালি লৈ।■

গল্পৰ দলিচা

# স্বাধীনতা দিৱস



• ঋষৰ নাথ
স্নাতক প্ৰথম বৰ্ষ

আধাকাপ গাখীৰত এঢোকমান মাত্ৰ চাহ ঢালি মাকে কাপটো ৰাহুলৰ পিনে ঠেলি দিলে। কাপটো থোৱা ঠাইত এটোপালমান পানী আছিল, ঠেলি দিয়া কাৰণে সেইটো চোঁচৰণিৰ দাগে দাগে টোপালটো ভাগি সৰু সৰু কণিকা হৈ থাকিল। ভেন্টিলেটৰেদি সৰকি অহা ৰ'দচেৰেঙা তাতে আছাৰ খাই পৰি সিঁচৰিত হৈ গৈছে। ডোন এটাহে যেন — এনেকৈ' ফুলাই মুখখন ৰাহুলে সেইপিনে চালে। কণিকায়ো আজি শুনা নাই মাকৰ কথা; অথনিৰে পৰা চিঞৰি আছে তেওঁ, 'ৰাহুল, - কণি খালিনে তহঁতি চাহ; সোনকালে সোনকালে —সোনকাল কৰ। আজৰি কৰি দে, ভেম কৰিবলৈ তহঁতৰ লগত মোৰ আহৰি নাই – কাম আছে। অনেক কাম আছে, বাচন বৰ্ত্তনবোৰ পখালিব পাৰিলেও এখুদমান ৰাহি হয়। নহ'লে দহটা বাজিব এতিয়া দহখনেই বাকী থাকিব কাম – কমখন কামনে হতশ্ৰী এইখন ঘৰত' — নাই ইহঁত দুটাৰ কোনো উমঘামে নাই খোৱাৰ। কণিকাই চুই-চাই আছে কাপ প্লেটযোৰ, ই ৰাহুলে চোৱাও নাই সেইবোৰলে। কালি আবেলি মাটি সিজাই জেলী বনাইছিল মাকে, তেতিয়াই যি জিদ কৰি খালে — ৰাতি তাৰ টোপনিয়েই বোলে নাহে, – 'ৰাতি ব্ৰেডৰ লগত খাবলৈ বৰ ভাল লাগিব, নহয়নে কণিবাই কৈ শুইছে ; অথচ ৰাতিপুৱা সেইপাটলৈ কেৰাহীওচো নাই ঃ

'যাম দিয়ানা মা, সকলোৱে আহিব'
'নোৱাৰা ; নালাগে যাব'

বায়েকক দিলেনে নাই দাবিটো ৰাহুল কেংকেঙাই উঠি 'নাখাও যোৱা মই এইসোপা' ঠেলেঙনি এটা দিওঁতে প্লে আৰু তাত থকা ব্ৰেডকেইচকল উবুৰি খাই পৰিল। ধৈৰ্যচ্যুতি ঘটিল, কাঠৰ ৰুল মাৰিপাট লৈ দুচাট লগাই দিলে তাক। কাণ্ড দেখি কণিকাই ততাতৈয়াকৈ চাহকাপ খাই সুৰসুৰকৈ ৰুমত সোমাই থাকিল, আৰু ইপিনে ৰাহুলে আটাহত গগণ ফাঁলিলে। দাড়ি খুৰাই আছিল দেউতাকে, আধাকৈ খুৰায়েই বাথৰুমৰ পৰা ওলাই আহিল –

'কি হ'ল ?'

'বাঢ়ি গৈছে ইয়াৰ অতপালি।

খাবলৈ এৰি দলিয়ায়, টেবুলখন মোচি মোচি বিৰবিৰালে তেওঁ, খং উঠিছে খুউব, যি আঁকোৰগোজকৈ জিদ ধৰিছে বায়েক ভায়েকহালে– পোন্ধৰ আগষ্ট স্বাধীনতা দিবস, ফাৰুকে বোলে সোনকালে স্কুলত যাবলৈ কৈছে। পতাকা উৰুৱাব খেল ধেমালি হ'ব সকলো ল'ৰা যাব, গতিকে তাঁহাতো যাব। যাব যি যাবই, ইমানকে বুজালে মাকে নালাগে যিহে বাতাবৰণ — গিজিপ গিজিপকৈ গোমা, গুৰুপ গুৰুপ পুলিচ মিলিটাৰিৰ সশস্ত্ৰ দল; – বিষ্ফোৰণমুখী পৰিবেশ, তাতে আকৌ উগ্ৰবাদী সংগঠন কিছুমানে দিনটো জোৰা বন্ধৰ আহ্বান দিছে। বোমাৰে উৰুৱাই দিয়াৰ ভাবুকিৰে বাতৰি কাকতখন ভৰি আছে – ৰাতি হৈ যোৱা কূটাঘাতমূলক কাৰ্যবোৰৰ নিঠুৰ পৰিণতি তেজৰ ডোঙা আৰু হাড়ৰ স্তূপবোৰ বাতৰি কাকতবোৰত টোপাল বান্ধি বান্ধিহে যেন বিলাইছে ঘৰে ঘৰে। নোমকূপবোৰ দবৰা দবৰি দি উঠে মাকৰ, বুকুখন কঁপি উঠে। ঘৰখনৰ ভিতৰত থাকিও কেনেবা কেনেবা লাগে, সঘনে ভাব আহে এই যেন বাঢ়ি অহা উত্তাপত চালৰ টিন পৰ্যন্ত গলি গলি টোপ টোপকৈ পৰিব; গুৰ গুৰকৈ ভূমিকম্পই মুহূৰ্ততে গোটেইখন জোকাৰি ঢাহি মুহি ভাঙি নিব - আৰু, আৰু ইহঁতহালে স্কুলত যাব খোজে - পতাকা উৰাব অমুক তমুক, দৰকাৰ নাই। আজিৰ এইহেন দিনত ঘৰৰ বাহিৰ ওলোৱাটো কাম নোহোৱাৰ কাম, তাতোকৈ ঘৰতে বহি থাকক; নানান তৰহৰ প্ৰগ্ৰেম; সৰু সৰু ল'ৰা-ছোৱালীৰ পেৰেড, গান বাজনা, খেলা-ধুলা - কত কি। অ', ক'ত মানিব ইহঁতে খালে মূৰটো ৰাতিপুৱাৰে পৰা, স্কুল যাম -স্কুল যাম; হু। 'কি হে তুমিও নোহোৱা কথাটো কৈ নোহোৱা কামটো কৰি লেঠা বঢ়োৱা। এই কণমানি হালৰ লগত লেচ কেচ কৈলৈ,- যাব দিয়া যাব খুজিছে যেতিয়া। গোটেইখন দেশৰে সৰু সৰু ল'ৰাবোৰে আনন্দ কৰিব আজি - পতাকা উৰুৱাব, খেল-ধেমালি কৰিব, পেৰেড কৰিব। স্বাধীনতাৰ দিন আজি - আজিৰ দিনটোত ভাৰত স্বাধীন হৈছিল অৰ্থাৎ ভাৰতৰ সকলোবোৰ মানুহ স্বাধীন হৈছিল; - তুমি তাহাঁতহালক অধীন কৰি ৰাখিছা কেলৈ' 'উঃ', মুখ ভেঙুচাই দিলে মাকে - 'আজিৰ দিনটোত ভাৰত স্বাধীন হৈছিল; কমটো শুভ কাম হৈছিল- শুনা, ইহঁত হালতো বাদেই তুমিও আজি কলৈকো ওলাব নোৱাৰা অন্যথা হ'ব লাগিলে চাবা কিন্তু, দেউতাক বেবুৰা লগা দেখি ৰাহুল সেইপিনেই তাপ মাৰিলে। তাই-কণিকায়ো ভিতৰৰপৰা খুক্‌খুককৈ হাঁহিলে। ৰাহুলৰ মূৰটো গৰম হৈ আহিল। দাঁতে দাঁতে কামুৰি গৈ বায়েকক ভালকৈ দুভুকু দি কন্দুৱাই থ'লে; ৰেডিঅ'ত 'বন্দে মাতৰম' দিছিল টপককৈ বন্ধ কৰি বিচনাৰ ওপৰত দলিয়াই দিলে।

- দেখি দেউতাকৰ মুখখন বিৰক্তিত কোচঁখাই গ'ল। ডিঙিৰ সেপঢোকো নেমুৰ ৰসটোপালৰ দৰে টেঙা হৈ পৰিল। একো এটা নকৈ তেওঁ পুনৰ বাথৰুমলৈ গ'ল- চাবোন লগোৱা গালখনত টানকৈ কৰাল মাৰি ধৰিছে ফেনে। চেভিং ব্ৰাচটোৰে ঘঁহি ঘঁহি গালখন তেওঁ এই স্বাধীনতা আৰু অধীনতা সম্পৰ্কীয় তিক্ত বিৰক্ত কথাবোৰেই পুনৰ পাগুলিবলৈ ধৰিলে। আগৰ দিনাখন আবেলি আড্ডাত তেওঁৰ সহকৰ্মী এজনে এটা আপত্তিজনক মন্তব্য কৰিছিল, ইংৰাজ শাসনত থকা হ'লেএ বোলে ভাল আছিল দেশখনঃ তেওঁ প্ৰতিবাদ কৰোঁতে বন্ধুজনে ওলোটাই জেৰা কৰাৰ সুৰত সুধিছিল, কিবা অৰ্থ আছেনে আমাৰ সেই তথাকথিত স্বাধীনতাৰ; তফাৎ দেখেনে কিবা আমাৰ এই দিনবোৰৰ বৃটিছ চৰকাৰৰ সময়ৰে স'তে .............তাকে চিন্তা কৰিছে তেওঁ। তাৰেপৰা শুনা পালে ৰাহুলৰ কাণফলা চিঞৰ - দেদাউৰিয়াইছে সি, সম্ভবতঃ মাকে ভালকৈয়ে দুথাপৰ লগাইছে। এনেয়ে এবাৰ পাছপিনে ঘূৰি চাই তেওঁ খুৰখন তুলি ল'লৈ; কেম্পৰপৰা ঐকতানত ইকবালৰ গানটো ভাহি আহিছে ......
'চাৰে জাহাছে আচ্ছা, হিন্দুস্তান হামাৰা ........'

দেউতাক মুখ ধুই আহে মানে চাৰেসাত বাজি গ'ল, ফাৰুকে সাত বজাৰ আগেয়ে যাব কৈছিলঃ বিষন্ন মনেৰে ৰাহুল বাৰান্দাত থিয় হৈ বাটলৈ চাই থাকিল। সকলোৱে গৈ আছে স্কুললৈ- মনটো তাৰ কিবা এক অজান বেদনাত ছটফটাই উঠিল; বিষাদৰ খুণ্ডাত আমঠুটো ফাটিহে যেন সৰ সৰকৈ চকুপানী ওলাই আহিল – ওলাই তাৰ দুগাল তিয়াই পেলালে। কোৱাৰিৰ চুকেৰে লুণীয়া আস্বাদ এটা নিগৰি জিভাত পৰিল। সঁচাই তাৰ খং উঠিছে, মাকৰ ওপৰত খং উঠিছে - দেউতাকৰ ওপৰতো উঠিছে; বায়েকৰ ওপৰতো আনকি নিজৰ ওপৰতো খং উঠিছে তাৰ পলাই যাব, কথাটো ভাবি মুহূৰ্তলৈ তাৰ মনত আনন্দৰ

লহৰ এটা থৌকি বাথৌ লগাই গুচি গ'ল; ৰাতিৰ সপোনটো খোলা চকুৰেই আৰু দেখিলে এবাৰ - বহু দিনৰ মূৰত আজি স্কুলত দেও পাৰি ফুৰিবলৈ পাব; ৰমেশ- ৰাকেশহঁতৰ লগত আইচক্ৰিম খাই খাই চুৰ পুলিচ খেলিব পাৰিব। তেলদিয়া বাঁহত বগোৱা খেলা দিব, যোৱাবছৰ দৰে এইবাৰো পুৰস্কাৰ পাব সি। ক্ষণিকলৈহে কিন্তু, এপলক পাছতেই চকুপানীৰে ধূসৰ হৈ গ'ল তাৰ সপোনৰ দৃশ্যপট। মাকক নোকোৱাকৈ কেনেকৈ যাব সি আৰু কৈও যাব নোৱাৰে- নিদিয়ে যাব; লেপেট কাঢ়ি বহি সি আকাশ পাতাল ভাবিবলৈ ধৰিলে। যোৱাবছৰৰ ঘটনাটোও ভুমুকীয়াই গ'ল মনত, — তেলদিয়া বাঁহ বগাই দ্বিতীয় পুৰস্কাৰ পাওঁতেও মাকে তাক গালি পাৰিছিল- মৰিয়াইছিল; - 'পালিনে নাই পাঁচ দহটকাৰ বস্তু এটা বগা গেঞ্জীটো একেবাৰে শেষ কৰিলি মিঠাতেল লগাই, কিহে পাইছিল তোক তেনে ফাল্টু খেলত যোগ দিবলৈ ? এতিয়া আৰু কিবা কৰিব পাৰিবিনে এই গেঞ্জীটোৰে, বাদে সেই ফটা কানি বনোৱাৰ নাইবা জোতা মোচিবলৈ ব্যৱহাৰ কৰাৰ, - ছেঃ অলগদ্ধ হৈ তই মোক জ্বলাই মাৰিবি' ঠৰহকৈ বিন্ধা যেন পালে ৰাহুলে (কথাষাৰি) তাৰ কাণৰ পৰ্দাত। এইদৰে ভাবি থাকোঁতে থাকোঁতে হঠাৎ কি মনত খেলাল দৌৰি গৈ মাকক ক'লে - 'অ' মা তই ভাবিছ' মই তেলদিয়া বাঁহত উঠা প্ৰতিযোগিতাত ভাগ লম নহয়নে সেইকাৰণে যাব দিয়া নাই; একদম সঁচা - সঁচাকৈয়ে এইবাৰ নিদিও দিয়া; এতিয়া দিবা যাবলৈ'

- খন্তেকলৈ মাক মৌন হৈ ৰ'ল, - এতিয়া কেনেকৈ বুজায় তেওঁ ৰাহুলকঃ বৰ আশাৰে চাইছে সি তেওঁৰ মুখলৈ - তেওঁৰ উত্তৰলৈ। লাহেকৈ হাউলি মাকে তাৰ মূৰত হাত বুলাই গালত এটা চুমা খালে, 'নালাগে বাবা; আজি যাব নলাগে। দেখিছাইচোন ৰাষ্টাই ঘাটে পুলিচ মিলিটাৰি দপদপাই আছে, সৰু ল'ৰা পালে পিটিব নহয়'

'ইস, নিপিটে দিয়া, সকলোৰে গৈছে'

'নালাগে কৈছোঁ নহয়; যোৱা, কণিবায়ে টিভি চাইছে - তুমিও চোৱাগৈ। নহ'লে, ৰ'বা মই ভিদিঅ' গেমটো উলিয়াই দিছোঁ।

'নালাগে মোক ভিদিঅ'গেম, তুমি একেবাৰে ভাল নহয়' পানীয়ে চামনী বন্ধা চকুদুটা মোহাৰি সি তাৰপৰা আঁতৰিল।

দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি কামত ধৰিছিলেই মাক- অকস্মাত কাৰোবাৰ মাত শুনি উচপ খাই উঠিল; উচপ খাবলগা মাত নহয়, কিন্তু ................. আছিল সেইকাৰণে চাগে।

'কণি যাচোন কোনোৰে মাতিছে তোক'

'মাতিছে, -কোনে ? ক'ত'

'অথনিৰেপৰা কণিকা কণিকা বুলি মাতি আছে শুনা নাপাৰ' যা সোনকালে যা বৰান্দালৈ; তোৰ বান্ধবী হ'বপাৰ' কণিকা যোৱাৰ পাছত মাকে গেছৰ ষ্টোভটো কমাই দি টাৱেলখন ল'লে তাৰে ভিজা হাতখন মোহাৰি পাকঘৰৰপৰা ওলাই আহিল ঃ

'কোন অ' কণি'

'অ'; মা মীনা আহিছে'

'তাতে থিয়দি গফ কৰি থাকিবি নেকি, বহিবলৈ দে'

'নবহে বোলে মা, স্কুললৈ দেৰি হ'ব'

'অ', - স্কুল যাব নেকি'

'ওঁ,' - কণিকাই তলমূৰা হৈ মূৰ দুপিয়ালে।

'তই নাযাব' ? - মীনা নে কি কণিকাৰ বান্ধৱীজনয়ে খুব এটা আগ্ৰহ আৰু সংশয়ৰ সুৰত শুধিলে।

'না - ই, নাযাও''

'নোযোৱা; কিন্তু কিয়'

কণিকাই মাকলৈ চালে মাজতে - 'এনে-য়ে'

'তেনে ময়ো নাযাওঁ'

'তুমি আৰু কিয় নোযোৱা ?' - মাকে তৎক্ষণাত সুধিলে।

'- অকলে ভাল নালাগে খুৰী, লগৰবোৰ আগতে গ'ল নহয়' দুয়োজনীয়ে চালে তেওঁৰ পিনে।

এনেয়ে এবাৰ বাটলৈ চাই তেওঁ পিছ দি ঘূৰিল ঃ

'আচ্ছা, কণি ভাইটিকো লৈ যা এপাক; সোনকালে - সোনকালে কিন্তু ঘূৰিবি'

- মাকৰ কথা শুনি ছেকেণ্ডৰ কাঁটাটো এবাৰ জঁপিয়ালে নে নাই দুবাৰ জপিয়াই ৰাহুল তৈয়াৰ হ'ল। মূৰ আঁচুৰি দিয়া মাত্ৰেই সি গেট পালে; মাকে হুমিয়ালে - 'ঐ ৰাহুল শুনিছনে বাইদেউহঁতৰ লগত একেলগে যা; গৈ তাত অতপালি কৰা বুলি শুনিলে কিন্তু পিটিম'

কেঁকুৰিটোৰে নুঘূৰালৈকে দেউতাকে মাকে চাই থাকিল নিৰ্নিমেষে, পাছত চকু ঘূৰাই কেইফালে চালে - নাই, কেৰো নাই বাটত। খালী ৰিক্সা মাত্ৰ এখন দুখন ঘূৰট-ঘাৰাতকৈ আহি আছে।

- বাটৰপৰা আহি তেওঁ মাত্ৰ বাৰান্দাত ভৰি দিছেহে, কিবা এটা



মনত পৰাত দৌৰি পাকঘৰ পালে। গাখীৰ উঠাই দিছিল, আৰু অলপ দেৰি হোৱা হ'লে অথন্তৰেই হ'ল হয়। গেছৰ ষ্টোভটো নুমাই তেওঁ টিভি থকা কোঠালৈ গ'ল। টিভিটো অথনিৰে পৰা ভো-ভো কৈ চলিয়েই আছে। এনেয়ে অলপপৰ চাই বন্ধ কৰি থ'লে, কাষৰ ড্ৰয়িং ৰুমটো এবাৰ চালে ভুমুকিয়াই কিবা ঠিকঠাক কৰিবলগা আছে নেকি - নাই; ঠিকঠাক কৰিবলগা নাই, কাপোৰকিডুখৰি ঠিকেই জপা-মেলা কৰি থৈছে কণিকাই। মজিয়াখনো সৰা-পুচা, মোচা কোচা- ফিট ফাট্‌ ঃ আৰামী চকীখনত আউজি বহিল তেওঁ। - হুমুনিয়াহ এটা কাঢ়িলে; সময়বোৰ কিমান ক্ষিপ্ৰতাৰে আগুৱাই গৈছে ভাবি আচৰিত লাগে। বহুদিন ধৰি তেওঁ দাপোনত নিজকে ভালকৈ নিৰীক্ষণ কৰিবলৈ সময় পোৱা নাই - বয়সে হয়তো মৃদুভাৱে বাঁকুহিছে মুখমণ্ডলত। চকুৰ গুৰিৰ ক'লা ক'লা দাগবোৰ নাকৰ কাষেৰে চাগে বাঢ়ি গোটেইখনতে পৰোঁ নপৰেকৈ বিয়পি পৰিছে; - আঃ কেনে মজাৰ আছিল সেই দিনবোৰ! অতীতৰ স্মৃতিয়ে মনত দোলা দি গ'ল ক্ষণিকলৈ; কলেজীয়া ছাত্ৰ আছিল তেতিয়া দুয়ো - তেওঁ আৰু অনুপ। অপৰিপক্ক প্ৰেমৰ অনুভূতিয়ে দাহেচীয়া ঘা একো একো টুকুৰাৰ দৰে দুয়োৰে অন্তৰত দকৈ শিপাইছিল - আনন্দ আৰু বেদনাৰ অবিমিশ্ৰ অনুভূতিয়ে পচাৰৰ পাছে পাছে অস্থিৰ কৰি তুলিছিল; তথাপি যেন নিতান্তই প্ৰত্যাশিত তদাস্থিৰতা। আকাশৰ বুকুত গুৱাইছিল অস্তমিত সূৰ্যই তেতিক্ষণত - আয়তীৰ কপালত সেন্দুৰীয়া ফোঁটহে সূৰ্য নহয়; দুয়ো চাইছিল টৌৰে খলখলাই থকা নৈৰ বুকুখনলৈ। কোনোবাখিনিৰ আকাশী ঔদাম্য স্ৰোতে উটুৱাই আনি অ'ত ত'ত সিঁচৰিত কৰি দিবৰ চেষ্টা কৰিছিল, আৰু বৈধব্যিক কাৰুণ্যৰ গাঢ় বৰ্ণহীনতাৰ কোঁচত মুমূৰ্ষু .............ৰশ্মি কেইচেৰেঙা আছাৰ খাই পৰিছিল ঃ দোলা দি দি যোৱা ৰঙৰ ছটিয়নি কেইচিকুট ঠিক যেন বৰ্ষীয়ান স্বৰ্গীয় আশীবাদ মৰ্ত্যলৈ - ঠিক মনত আছে, আচম্বিতে আবেগবিহ্বল হৈ পৰিছিল অনুপ আৰু সজোৰে তাইক বুকুত চপাই লৈছিল আৰু তেনেকৈয়ে বুকুৰ ধৰকণিবোৰৰ মাজেদি পাৰ হৈ গৈছিল নিশ্চুপ বাঙ্ময় মুহূৰ্তকিটা - ধিক্‌ ধিক্‌ ধৰ, এক, দুই, তিনি - মাধ্যমীয়া মৌনতা আকস্মাত ভংগ কৰি অনুপে চিৎকাৰ কৰি উঠিছিল ঃ 'যিমান দিন মোৰ বুকুৰ মাজত থাকিবা (উপমা) বাচি থাকিম, যিদিনা গুচি যাবা মই মৰি যাম' - অনুৰণিত হৈছিল শব্দকিটা শিলে শিলে খুণ্ডা খাই আৰু তেওঁৰ - উপমাৰ কৰ্ণকুহৰত আজিও অনুৰণিত হৈ আছে। মনত আছে, বহুসময় মূক হৈ একাৰস্থানে সোমাই আছিল অনুপৰ বুকুত তেওঁ - কোনো প্ৰত্যুত্তৰ দিয়া নাছিল; আৱশ্যকো নাই ........ আৰু কম্পিত ওঁঠ দুযোৰ দুয়োৰে যেতিয়া একাকাৰ হৈ গৈছিল নিসন্ধিগ্ধ তেওঁ আকাশী আশীৰ্বাদ বৰ্ষিত হৈছিল দুয়োৰে মূৰত

বহুদিনৰ কথা সেইবোৰ। মনত পৰিলে লাজতে কাণমূৰ ৰঙা পৰে, সেইহেতু মনত পেলাব নোখোজে - কিন্তু নোখোজিলেও মনত পৰেই মাজে মাজে; ঘাইকৈ অকলে থাকিলে - অকলে থাকিব নোখোজে তেওঁ সেইকাৰণে। যিমানেই চেষ্টা নকৰক কিয় সাৰণৰ গত্যন্তৰ নাই কিন্তু খুণ্ডিয়াবই স্মৃতিয়ে। স্মৃতিয়ে কাৰো বাধা নামানে -কাৰো অধীন নহয়, স্মৃতি স্বাধীনঃ কিন্তু স্বাধীন হ'লেইতো নহ'ব, কাল অকালৰ কথা আছে - বয়সৰো কথা আছে; ভাবে তেওঁ এই বুঢ়া বয়সত তদজাতীয় ৰোমান্টিক সোঁৱৰণীয়ে শোভা নাপায়; আৰু কেইটা দিন কণিকাই যৌৱনাৱস্থা পায়েই আৰু ............. নাঃ কিবোৰ ভাবিছে তেওঁ। বাজে কথা — কেইদিনমান আগতে ৰাহুলৰ আইতাক আহিছিল ফুৰিবলৈ মাক তাৰমানে তেওঁৰ; কথা প্ৰসঙ্গত এষাৰ শুনাইছিল, 'আই তই এতিয়া অলপ নামে গুনে ফুৰিব লাগে, ধৰ্মচৰ্চা কৰিব লাগে সংসাৰৰ প্ৰতি যেনেদৰে দায়িত্ব আছে মানুহৰ ভগবানৰ প্ৰতিওতো আছে দুয়োপিনে ভাৰসাম্য বজাই চলিব লাগে'

- চকু মুদি অলসভাবে পৰি ৰ'ল খন্তেক তেওঁ তাৰ পাছত উঠি দাপোনৰ সমুখলৈ গ'ল। নিজকে কিবা অচিনাকি অচিনাকি লাগিল - আগফালৰ চুলিতো পক ধৰিছে। ভ্ৰুৰ কাষত বিন্দু বিন্দু ঘামৰ টোপাল বিৰিঙি উঠিছে - তৰ্জনী আঙুলিত আঁচলৰ কোণ এটা মেৰিয়াই মোচিলে।

সোনকালে আহাৰ কথা আছিলচোন, ইহঁত যে অহা নাই এতিয়াও। বাৰান্দাত থিয় দি এবাৰ বাটলৈ ডাং মেলি চালে - নাই, ল'ৰা ছোৱালীবোৰ উভতিছে চেগা চোৰোকাকৈ, কণি-ৰাহুল গালৰচোন পাত্তাই নাই। কাঁথিত থিয়হৈ থাকোঁতেই তেওঁ এখন ভৰ্তি চি আৰ পি ৰ গাড়ী বিস্মাশৰদে পাৰ হৈ গ'ল মুহূৰ্ত্ততে বাতাবৰণটো ধূঁৱলী হৈ গ'ল - এখন দুখন তিনিখন বুকুখন তেওঁৰ ধকধক ধকধক কৰিব ধৰিলে; ক'ৰবাত কিবা হোৱানাইতো ? - এবাৰ ভিতৰ সোমাই আৰু অস্থিৰভাৱে ওলাই আহিল, এইদৰে কে'বাবাৰো তাঁত বাতি কাঢ়ি ভাগৰি পৰিল তেওঁ, হে ভগবান, এৰো নাই ঘৰত' - ৰাহুলহঁতে যোৱাৰ পাছে পাছেই অনুপো ওলাই গৈছে, কিবা বোলে কাম আছে -

উসঃ কিযে হ'ব।

অৱশেষত কণিকা আহিল; কিন্তু ৰাহুল - ৰাহুল ?

অ' মা বাটে ঘাটে কে'বা পল্টনো চি আৰ পি। পকা দড়ীয়া মস্ত হটং হটং চেহেৰাৰ এটাই নহয় মোৰ পিনে চাইছিল; কেনেকুৱা যে টেলেকা টেলেক ৰঙা চকু, মীনাও ভয় খাইছিল ......'

'ৰাহুল ক'ত'

'নাজানো'

'কি নাজান'; তোক কৈছিলোঁ নহয় লৈ আহিবলৈ ?'

'বিচাৰিছিলো, - মীনাও বিচাৰিছিল; ইমানবোৰ ল'ৰা ছোৱালী নহয় দেখাই নাপালোঁ'

'উসঃ, তহঁতহালে জ্বলাই খাবি মোক'

'আহিব সি ! খেলি আছে চাগে'

'এইকাৰণে যাব নিদিও মই তহঁতক - ছেঃ, এতিয়া কি হ'ব'

'ঘাম নেকি বিচাৰি'

'ক'ত যাবি আৰু তই, দেউতাৰ আহক; আহিলে পঠিয়াইদিম'

কণিকাই সাজ সলাই টিভিটো লগাই দিলে। হঠাৎ মাকৰ আটাহত তাই উধাতু খাই বাৰান্দা পালে;

'ক'ৰবাত গুলীয়াগুলি নেকি কণি, শুনচোন গুৰুম গুৰুম শব্দ হৈছে দেখোন'

'ক'ত মা - সেয়া কেম্পত'

'কেম্পত ??'

'অ' আক' কেম্পত গুলি ফুটায়েই বোলে পোন্ধৰ আগষ্টত'

'পোন্ধৰ আগষ্টত'

'অ' আক'- পোন্ধৰ আগষ্ট স্বাধীনতা দিৱস নহয় জানো' মাকে বুকুত হাতখনেৰে মৃদুভাবে হেঁচি স্বস্তি এৰিলে, উত্তেজনাত তেওঁৰ মুৰৰপৰা ঘাম ওলাই গৈছে।

স্বগতোক্তিৰ সুৰত তেওঁ দোহাৰিলে,

'এৰা, স্বাধীনতা দিৱস' আৰু এখন - দুখন গাড়ী পাৰ হৈ গ'ল – ধুলিৰে গোটেই পৰিবেশটো পুতি গ'ল।

'দেউতাৰো এতিয়াও অহা নাই; কিয়বা'

কণিকাই দেখিলে মাকৰ কপালৰ ভাঁজবোৰ আপচুকৈ থুপ খাইছে। কপালৰ ঘাম চেলাউৰিৰ কাষেৰে বৈ গৈছে। ■

...... মনত পৰিছে যে প্ৰশ্নটো নতুন নহয়। এবাৰ সাহিত্য সভাৰ এখন প্ৰশ্নমালাই ঠিক এইটো প্ৰশ্নই সুধিছিল, মই কিয় লিখোঁ। একো ভাবি নাপাই এটা শব্দৰে তাৰ উত্তৰ দিবলগীয়া হৈছিল, যিটোত নিঃসন্দেহে ভুল নাই। মানুহৰ অন্য কামবোৰৰ দৰে লিখাৰ কাৰণবোৰো নিশ্চয় মূল উৎস কিছুমানলৈ বিচাৰি যাব পাৰিঃ অৰ্থ, খ্যাতি, সন্মান, সামাজিক দায়বোধ, কোনোবা কিতাপৰ কিবা এশাৰী কথা, কোনো শিক্ষা-গুৰুৰ প্ৰেৰণা, কোনো পিতৃ-মাতৃৰ উদ্গনি, কোনো প্ৰণয়িনীৰ উৎসাহ, বাস্তৱক মূৰ্ত কৰি চিৰদিনলৈ ধৰি ৰখাৰ অভীপ্সা, সমাজ-সংস্কাৰৰ অভিলাস, প্ৰপাগণ্ডা, চে'ক্স, সুকুমাৰ ক'লাৰ অনুভূতি, সৃষ্টিৰ তাড়না, সম্পাদকৰ তাগিদা ....... সকলো সম্ভৱ, কিন্তু সকলো ক্ষেত্ৰতে সকলোবোৰ প্ৰযোজ্য নহয়, – যদি টকা নালাগে তো খ্যাতি লাগে, যদি সৃষ্টিৰ তাড়না নাই তো প্ৰপাগণ্ডাৰ ইচ্ছা আছে, ইত্যাদি ইত্যাদি, কিন্তু এটা কথা সকলোৱে বিচাৰে, যে বস্তুটো ছপা হওক, প্ৰকাশ হওক, মানুহে পঢ়ক, শুনক, মন্তব্য কৰক। নীৰৱ-কবি বুলি যেনেকৈ কোনো কথা নাই, নীৰৱ গল্প-লেখক বুলিও কোনো প্ৰাণী নাই, নিজক বাকচত বন্ধ কৰি থ'বলৈ গল্প লেখা কোনো লেখক আমাৰ আজিলৈকে চকুত পৰা নাই। গতিকে, এই ক্ষেত্ৰতো নিশ্চয় আমি সাহিত্যসভাক দিয়া এক-শব্দৰ উত্তৰটোকে পুনৰ দিব পাৰোঁ -'ছপাবলৈ'। *(অনাতাঁৰ কথিকা)*

- সৌৰভ কুমাৰ চলিহা
(লিখো কিয় ?)



# বিবিধা

অনুক্ৰমণিকাঃ

• গোৱালপাৰা মহাবিদ্যালয়ৰ শৈক্ষিক প্ৰতিফলন / ৫৯
• প্ৰতিবেদন / ৬১
• আলোচনী সম্পাদকৰ তালিকা / ৭৩



# গোৱালপাৰা মহাবিদ্যালয়ৰ শৈক্ষিক প্ৰতিফলন ঃ

২০০১ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ তালিকাঃ

| শাখা | মুঠ পৰীক্ষাৰ্থী | বিভাগ | | | মুঠ উত্তীৰ্ণ | উত্তীৰ্ণৰ হাৰ |
|---|---|---|---|---|---|---|
| | | প্ৰথম | দ্বিতীয় | তৃতীয় | | |
| বিজ্ঞান | ১৮৮ | ৯ | ৪৭ | ২৪ | ৮০ | ৪২% |
| কলা | ৩৩০ | ১২ | ৬২ | ১২৯ | ২০৩ | ৬১% |

বিজ্ঞান শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল (প্ৰাপ্ত নম্বৰৰ শতাংশ সহ) ঃ

ছেমিমা আহমেদ (৭৫)
বিষ্ণু দাস (৬৯)
লেইলা জেছমিন (৬৪)
লুত্ফুৰ ৰহমান আবেদিন (৬৩)
সুকণ্যা চৌধুৰী (৬৩)
মুস্তাক মাহমুদ (৬২)
ভূমিতা দাস (৬১)
লিপতু ঘোষ (৬১)
এম এ মুক্তাদিৰ মোল্লাহ (৬১)

কলা শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল (প্ৰাপ্ত নম্বৰৰ শতাংশ সহ) ঃ

পাৰ্থপ্ৰতীম মহন্ত (৭৩)
ঋষৱ নাথ (৭১)
দীপাংকৰ নাথ (৬৯)
হাছিনা পাৰবিন (৬৭)
ধৃতিমান চক্ৰৱৰ্ত্তী (৬৬)
জয়শ্ৰী দেৱী (৬৬)
ফিৰদৌছি ৰহমান (৬৪)
জানমনি দাস (৬৪)
আয়েষা ছিদ্দিক চৌধুৰী (৬৩)
দীপিকা হালৈ (৬২)
মৌচুমী বৰুৱা (৬১)
চন্দনা দাস (৬০)

# গোৱালপাৰা মহাবিদ্যালয়ৰ শৈক্ষিক প্ৰতিফলন ঃ

২০০১ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ তালিকাঃ

| শাখা | মুঠ পৰীক্ষাৰ্থী | মুঠ উত্তীৰ্ণ | উত্তীৰ্ণৰ হাৰ |
|---|---|---|---|
| বিজ্ঞান | ১৪২ | ৭৫ | ৫২% |
| কলা | ২৪৪ | ১২৪ | ৪২% |

স্নাতক চূড়ান্ত পৰীক্ষাত বিজ্ঞান শাখাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকল (গুৰু বিষয় আৰু প্ৰাপ্ত নম্বৰ সহ)ঃ

| | | | |
|---|---|---|---|
| আৰিফ আহমেদ — | প্ৰাণীবিদ্যা | — | ৫৭৬ |
| আব্দুল জলিল — | উদ্ভিদবিদ্যা | — | ৫৭০ |
| ভাস্কৰ জ্যোতি সাউদ — | প্ৰাণীবিদ্যা | — | ৫৬৭ |
| সঞ্জয় ৰাভা — | অংক | — | ৫৫৭ |
| অৰূপ জ্যোতি মেধী — | উদ্ভিদবিদ্যা | — | ৫৪৭ |

স্নাতক চূড়ান্ত পৰীক্ষাত কলা শাখাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকল (গুৰু বিষয় আৰু প্ৰাপ্ত নম্বৰ সহ)ঃ

| | | | |
|---|---|---|---|
| জানমনি হাজৰীকা — | অসমীয়া | — | ৫৬৯ |
| আছৰাফ্ আলী — | ভূগোল বিজ্ঞান | — | ৫৪৯ |
| কৰবী কলিতা — | অসমীয়া | — | ৫৪৭ |





# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে আজি যিখন গোৱালপাৰা চহৰৰ মাজ মজিয়াতে জ্ঞানৰ মন্দিৰ 'গোৱালপাৰা মহাবিদ্যালয়' গঢ়ি উঠিছে এই প্ৰতিষ্ঠান গঢ়ি উঠাত যি সকল মহান ব্যক্তি আৰু সমাজ সেৱকৰ ত্যাগ আৰু কষ্টৰ প্ৰতিফলন হৈছিল সেই মহান ব্যক্তিসকলক মই পৰম শ্ৰদ্ধাৰে সুঁৱৰিছোঁ—

২০০০-২০০১ চনৰ গোৱালপাৰা মহাবিদ্যালয়ৰ নিৰ্বাচনত সাধাৰণ সম্পাদক হিচাবে মনোনীত কৰা বাবে মহাবিদ্যালয় 'আছু গোট'ৰ সভাপতি, সম্পাদক প্ৰমুখ্যে সদস্যবৃন্দ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে মোক নিৰ্বাচনত সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচন কৰি মহাবিদ্যালয় খনিৰ সেৱা কৰিবলৈ যি সুযোগ দিলে তাৰ বাবে জেষ্ঠ সকললৈ শ্ৰদ্ধা, কনিষ্ঠ সকললৈ মৰম আৰু বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

একোখন সমাজ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত প্ৰতিজন ছাত্ৰ বা ছাত্ৰীৰেই বিশেষ ভূমিকা আছে। ছাত্ৰ বা ছাত্ৰীৰ সু-চৰিত্ৰ বিকাশৰ গুৰুত্বটোও এই কথাটোৰ সৈতে সাঙোৰ খাই আছে। ব্যক্তিত্ব বিহীন, চৰিত্ৰহীন আৰু নৈতিকতাবিহীন ছাত্ৰই কেতিয়াওঁ ভৱিষ্যতে এখন সমাজ সুষ্ঠ ভাবে নেতৃত্ব দি আগবঢ়াই নিব নোৱাৰে। সেয়েহে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিজকে সমাজত এজন সু-চৰিত্ৰৰ নাগৰিক ৰূপে গঢ় দিবলৈ চেষ্টা কৰিব লাগে ।

ছাত্ৰ জীৱনত ৰাজনীতিৰ লগত জড়িত হ'ব লাগে নে নালাগে ? বৰ্তমান প্ৰচলিত ৰাজনীতিত কেৱল ক্ষমতা লাভৰ এক অস্ত্ৰই নহয়, ই বিভাজনৰো মাৰণাস্ত্ৰ, এনে নিকৃষ্টমানৰ ৰাজনীতিক মহাবিদ্যালয়ত প্ৰৱেশ কৰোৱাৰ বিষয়টোক মই সদায় ঘৃণা কৰি আহিছোঁ। কিন্তু ৰাজনীতি শব্দটো নিশ্চয় অস্পৃশ্য নহয়। যি ৰাজনীতিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত বিৰোধভাৱ আনে আৰু ক্ষমতা লাভৰ কাৰণেহে ক্ষমতালোভীজনে ব্যৱহাৰ কৰে, তেনে ৰাজনীতি ঘৃণনীয় আৰু বৰ্জনীয়। সেয়েহে মহাবিদ্যালয় এখনৰ মজিয়া তেনে কু-ৰাজনীতিৰ পৰা মুক্ত হৈ থকাটো নিশ্চয় সকলোৰে কাম্য।

কাৰ্যকালৰ চমু খতিয়ান —

অসমৰ আন আন মহাবিদ্যালয়তকৈ গোৱালপাৰা মহাবিদ্যালয়ৰ সমস্যা আৰু পৰিস্থিতি কিছু বেলেগ বুলি মই ক'ব খোজো। বিভিন্ন দৃষ্টিকোণৰ পৰা বিবেচনা কৰি আমি ক'ব পাৰো যে, আমাৰ মহাবিদ্যালয়খনে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা যিমান পৰিমাণৰ আৰ্থিক সহায় সহযোগ পাব লাগিছিল আজিলৈকে কিন্তু বিভিন্ন কাৰণত আমি সেই অনুদানখিনি পোৱা নাই । যাৰ বাবে মহাবিদ্যালয়খনিত অন্তহীন সমস্যাই ক্ৰমবিকাশত যেন বাধাৰ প্ৰাচীৰ হৈ প্ৰায়ে থিয় দিয়ে।

গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দৈনন্দিন ভোগ কৰি অহা সমস্যা সমূহ নিৰাময় কৰিবৰ বাবে আমি আপ্ৰাণ চেষ্টা কৰিছিলোঁ । কিন্তু পৰিতাপৰ বিষয় যে, মহাবিদ্যালয়ৰ জৰ্জৰিত নানানটা সমস্যা আৰু অৰ্থনৈতিক দুৰৱস্থাৰ কাৰণে ইচ্ছা থাকিলেও আঁচনি সমূহ বাস্তৱত গঢ় দিব পৰা নগ'ল। অৱশ্যে এই সময়ছোৱাৰ ভিতৰত মহাবিদ্যালয়খনিৰ বিজ্ঞান আৰু কলা শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন অসুবিধা সমূহ দূৰ কৰাৰ বাবে সততে কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি থকা হৈছিল। গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাই প্ৰাধান্য দিয়া বিষয় সমূহৰ ভিতৰত উল্লেখযোগ্য

হ'ল –

১) মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ উন্নত কৰা।

২) ছাত্ৰ জিৰণি কোঠা আৰু ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় বস্তুবোৰ যোগান ধৰা।

৩) মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বৃক্ষৰোপণ কাৰ্যসূচীত বিজ্ঞান পৰীক্ষাগাৰলৈ যোৱা পথছোৱাৰ কাষে কাষে গছপুলি ৰোৱা ।

৪) মহাবিদ্যালয়ত বিশুদ্ধ খোৱাপানীৰ অভাৱ দূৰ কৰা।

৫) মহাবিদ্যালয় চৌহদৰ ভিতৰত বাহিৰা যান-বাহনৰ প্ৰৱেশ নিষেধ কৰা।

৬) মহাবিদ্যালয় ছাত্ৰসন্থাৰ কাৰ্যালয়ৰ মেৰামতি আৰু প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰা ।

ইয়াৰোপৰি আমাৰ মহাবিদ্যালয়খনি বহুত সমস্যাৰ সন্মুখীন হৈ আছে। কিন্তু আমাৰ কাৰ্য্যকাল সীমিত হোৱ বাবে সকলো সমস্যা সমাধান সম্ভৱ হৈ নুঠিল।

মই মহাবিদ্যালয় ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ত মহাবিদ্যাল সপ্তাহ, শ্ৰী শ্ৰী সৰস্বতী পূজা, শ্ৰী শঙ্কৰ দেৱৰ তিথি আৰু পবিত্ৰ বিশ্বনৱী দিৱস উলাহ মালহেৰে পালন কৰা হৈছিল ইয়াৰ পিছতেই মহাবিদ্যালয়ত যোৱা ইং ১/৯/২০০১ তাৰিখে নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আনুষ্ঠানিক ভাৱে আদৰ জনোৱাৰ বাবে "নৱাগত আদৰণী সভা" খন অনুষ্ঠিত কৰা হৈছিল। এই কাৰ্য্যসূচী সমূহত মহাবিদ্যালয়ৰ শিক্ষ শিক্ষয়িত্ৰীৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলে মোক পূৰ্ণ সহায় সহযোগিতা আগবঢ়ায়।

সামৰণি-

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সু-পৰামৰ্শৰে অনুপ্ৰাণিত কৰা মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ কৰ্ম্মচাৰী বৃন্দক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।

এইখিনিতে মই মোৰ সময়ছোৱাত আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বিক্ৰমজীৎ নাথক অচিনাক্ত দুৰ্বৃ মহাবিদ্যালয়ৰ চৌহদত অতি নিৰ্মম ভাৱে গুলিয়াই হত্যা কৰা ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দিছো আৰু তেওঁ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰৰ্থনা জনালোঁ।

আকৌ, মোৰ কাৰ্য্যকালত মোক বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰা শ্ৰীযুত ৰত্নাকৰ দাস, দিলীপ দাস, সঞ্জী দাস, বিপুল ৰাভা, ৰূপম দাস, ৰত্ন দাস, শিমুল দা, নৃপেন দা, ৰাজা দা, ৰাহুল দা, জয়ন্ত দা, মনোজ দা, পঙ্কজ দ অনিমেষ দা, তৰিৎ দাদা সকলৰ লগতে বন্ধু-বান্ধৱী আৰু মোৰ সহকৰ্মী সকললৈ আৰু ছাত্ৰী নিবাসৰ সমূহ আবাসী মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত সকলো প্ৰকাৰৰ ভুল ত্ৰুটীৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰি তথ মহাবিদ্যালয়খনিৰ উজ্জ্বল ভৱিষ্যৎ আৰু সৰ্বাঙ্গীন উন্নতি কামনা কৰি মই মোৰ বছৰেকীয়া প্ৰতিবেদনৰ ইয়াতে সামৰ মাৰিলোঁ।

"জয় আই অসম"

সৌৰভ কুমাৰ নাথ
সাধাৰণ সম্পাদক
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা





## উৎসৱ সম্পাদকৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতিবেদনৰ পাতনিতে মই মোৰ দেশৰ সেই মহান বীৰ শ্বহীদ সকলোলৈ যাচিছোঁ শত শত প্ৰণাম আৰু শ্ৰদ্ধা যি সকলে দেশমাতৃ আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিলে।

গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ, যি সকলে মোক উৎসৱ বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়খনক সেৱা-আগবঢ়াবলৈ সুযোগ দিলে, তেওঁলোকলৈ মই মোৰ কৃতজ্ঞতা আৰু আন্তৰিক মৰম জ্ঞাপন কৰিলোঁ।

আমাৰ গোৱালপাৰা মহাবিদ্যালয়ত মুঠ তিনিটা উৎসৱ পালন কৰা হয়। সেই তিনিটা উৎসৱ ক্ৰমে– সৰস্বতী পূজা, পবিত্ৰ বিশ্বনৱী দিৱস আৰু মহাপুৰুষ শ্ৰী শ্ৰীমন্ত শংকৰদেৱৰ তিথি। এই তিনিটা উৎসৱতে মহাবিদ্যালয়ত বিপুল ছাত্ৰ-ছাত্ৰীৰ সমাগম হয়। এই উৎসৱ তিনিটা মই সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছিলোঁ। তথাপিতো মোৰ অজানিতে কৰবাত কিবা দোষ ৰৈ গ'লে তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থী। মই 'পবিত্ৰ বিশ্বনৱী দিৱস' উপলক্ষে গজল, কেৰায়েত, কুইজ আৰু 'শ্ৰী শ্ৰীমন্ত শংকৰদেৱ'ৰ তিথি উপলক্ষে উচ্চতৰ মাধ্যমিক আৰু স্নাতক বৰ্ষৰ বাবে পৃথককৈ ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো, কিন্তু এখন মহাবিদ্যালয় হিচাপে ইয়াত প্ৰতিযোগীৰ সংখ্যা পুতৌজনক আছিল।

মোৰ কাৰ্য্যকালছোৱাত সহায়-সহযোগিতাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী বিশেষকৈ ছাত্ৰ-নিবাস, ছাত্ৰী নিবাসৰ আবাসীক সকল, ৰাহুল, দিপাঙ্কৰ, নীলাম্বৰ, তৰিৎ, দিবাকৰ আৰু ভৃগুৰ উপৰিও ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ আৰু গোৱালপাৰা আঞ্চলিক ছাত্ৰসন্থাৰ সদস্যবৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

'জয় আই অসম'

অৰুনাভ চক্ৰৱৰ্ত্তী
সম্পাদক,উৎসৱ বিভাগ
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।



## তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে দেশমাতৃ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ বিসৰ্জন দিয়া বীৰ-বীৰাঙ্গনা সকললৈ মোৰ শ্ৰদ্ধাৰ অঞ্জলি আগবঢ়াইছোঁ।

যি সকল বন্ধু-বান্ধৱীয়ে নিজৰ বিবেচনাৰে মোক তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক হিচাপে যোগ্য বুলি নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মই মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতে "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত আকস্মিক বক্তৃতা, বাতৰি পঢ়া, কবিতা আবৃত্তি, চিত্ৰাংকন আদি প্ৰতিযোগিতা পতা হয়। ইয়াত আশাৰ বিপৰীতে কেৱল অলপ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰে স্নাতক ২য় বৰ্ষৰ কলা শাখাৰ ছাত্ৰী মিচ্ নয়নমনি দত্ত ই শ্ৰেষ্ঠা তাৰ্কিকৰ সন্মান লাভ কৰে।

মোৰ কাৰ্য্যকালত অবিভক্ত গোৱালপাৰা জিলাৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিলাসীপাৰাত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাখনিত মোৰ তত্বাৱধানত মহাবিদ্যালয়ৰ পৰা চাৰিজন ছাত্ৰ-ছাত্ৰীক লৈ গৈছিলোঁ। প্ৰতিযোগিতাখনিত মহাবিদ্যালয়ৰ ছাত্ৰী মিচ্ মেঘনা চৌধুৰী আৰু মিচ্ গায়ত্ৰী নাথে ক্ৰমে ১ম আৰু তৃ পুৰস্কাৰ লাভ কৰে।

শেষত প্ৰতিযোগিতাৰ সকলো অনুষ্ঠানত সু-পৰামৰ্শ দিয়া মাননীয় তত্বাবধায়ক অধ্যাপক মন্টু দাস ছাৰ, অধ্যাপক সুভাষ বৰ্মন ছাৰ, অধ্যাপক অখিল ৰঞ্জন দত্ত ছাৰলৈ মোৰ কৃতজ্ঞতা আগবঢ়ালোঁ। ইয়াৰ উপৰিও মোক সকলো সময়তে সহায় কৰা নীলাম্বৰ, ৰাহুল দা, দীপাঙ্কৰ দাস দা, দীপাংকৰ বৰ্মন দা, মনোজ দা, তৰিৎ দা, পংকজ দা, কমল, সঞ্জয়, চন্দন, ভৃগু, নবেন্দু, দিবাকৰ, সৌৰভ, পৰিমিতা, বাপী, ধীৰু, ৰুমা, চফলা, পিংকি, ৰীণা আদিৰ লগতে ছাত্ৰ নিবাস আৰু ছাত্ৰী নিবাসৰ সমূহ সদস্য তথা মোৰ বন্ধুবৰ্গলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত সকলো ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি গোৱালপাৰা মহাবিদ্যালয়ৰ ভৱিষ্যৎ সৰ্বাঙ্গীন উন্নতি কামনা কৰি চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"
"জয় আই অসম"

বেনুধৰ নাথ
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।





## সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে অসমী আইৰ হকে প্ৰাণ আহুতি দিয়া শ্বহীদসকললৈ মোৰ শত শত প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছোঁ। লগতে যিসকল ব্যক্তিৰ কষ্ট আৰু ত্যাগৰ ফলত আমাৰ এই গোৱালপাৰা মহাবিদ্যালয়ৰ জন্ম হয় সেই মহান ব্যক্তিসকললৈ এই প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০০০-০১ বৰ্ষৰ মহাবিদ্যালয় নিৰ্বাচনত সমাজ সেৱা সম্পাদক পদলৈ নিৰ্বাচিত কৰি এই পবিত্ৰ শিক্ষানুষ্ঠানৰ সেৱা আগবঢ়াবলৈ যি সুযোগ দিলে, তাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মই মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই সমাজ সেৱা সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই "মহাবিদ্যালয় সপ্তাহ"ৰ সন্মুখীন হওঁ। অইন অইন বছৰৰ দৰে মোৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহত চাফাই কাম আৰু গছ পুলি ৰোৱা প্ৰতিযোগিতা পতা হয়। মহাবিদ্যালয় সপ্তাহতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা মহাবিদ্যালয় ছাত্ৰী-নিবাসত গছপুলি ৰোৱা হয় আৰু মহাবিদ্যালয় চাফাই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয়, তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে মিচ্ কৰবী শৰ্মাই। বাকী অংশগ্ৰহণ কাৰী প্ৰতিযোগীসকলকো উদগনি মূলক পুৰস্কাৰ প্ৰদান কৰা হয়। মোৰ কাৰ্য্যকালত যিমান প্ৰতিযোগীয়ে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলে ইয়াতকৈয়ো যেন বহু বেছি ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে পাতিবলগীয়া প্ৰতিযোগিতা সমূহত ভাগ লয় সেই আশা ৰাখিছোঁ। "মহাবিদ্যালয় সপ্তাহ"ৰ প্ৰতিযোগিতাৰ বাহিৰেও বহু কেইবাৰ তত্বাৱধায়ক মহোদয়ৰ তত্বাৱধানত মহাবিদ্যালয় চৌহদ আৰু বিজ্ঞান লেব'ৰেটৰী চাফা কৰা হয় আৰু মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস উপলক্ষে মহাবিদ্যালয় চৌহদ চাফা কৰা হয় আৰু মহাবিদ্যালয়ৰ বিজ্ঞান লেব'ৰেটৰীৰ সন্মুখত মহাবিদ্যালয়ৰ অধ্যাপক -অধ্যাপিকা, বিভাগীয় সম্পাদক সকলৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা গছ পুলি ৰোৱা হয় ।

মোৰ প্ৰতিবেদনৰ সামৰণিত আকৌ এবাৰ সেই সকল ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যি সকলে মোৰ কাৰ্য্যকালত সহায়-সহযোগ আগবঢ়ালে । ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ ডঃ সুৰেন্দ্ৰনাথ শৰ্মাদেব,শ্ৰী যুত এ, এছ. আৰ আহমেদ ছাৰ , ৰতন ভট্টাচাৰ্য্য ছাৰ ,তত্বাৱধায়ক অধ্যাপক সুভাষ বৰ্মন ছাৰ , সমূহ অধ্যাপক-অধ্যাপিকা , মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সদস্য বৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । তদুপৰি অনিমেষ দা ,পংকজ দা , জয়ন্ত দা , ৰাহুল দা , দিপাংকৰ দা , জয়ন্ত দা , পিংকু , ভৱেশ , মৃণাল , চুতু , ত্ৰিপেচ , মনোজ , পৰিমল , অৰূপ , দুলুদা , দিপমালা বাইদেউ , স্মিতা , লতিফা বাইদেউ , অঞ্জনা আৰু বান্ধৱী অৰ্চনা ,অৰ্পনা , চিত্ৰা , নৱনীতা , পিংকী , সফলা , ৰীণা , কল্পনা , ৰুমা , মেঘনা , গায়ত্ৰী প্ৰমুখ্যে বন্ধু - বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ ।

মহাবিদ্যালয়ৰ ভৱিষ্যৎ উন্নতি কামনাৰে -----
"জয়তু গোৱালপাৰা মহাবিদ্যালয় "

দিবাকৰ মেধি
সম্পাদক সমাজ সেৱা
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।



## ক্রিকেট বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে গোৱালপাৰা মহাবিদ্যালয়খন স্থাপন কৰাত যি সকল মহান ব্যক্তিয়ে বিভিন্ন ধৰণৰে অৱদান আগবঢ়াই গ'ল সেই মহান ব্যক্তিসকললৈ মোৰ শত-সহস্ৰ প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। ইয়াৰোপৰি আজি আমাৰ মাজৰপৰা চিৰদিনৰ বাবে আতৰি যোৱা চিৰ শ্ৰদ্ধেয় শিক্ষা গুৰু সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

যি সকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বিবেচনাৰে মোক ক্রিকেট বিভাগৰ সম্পাদক হিচাপে যোগ্য বুলি বিবেচনা কৰি নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মোৰ অকৃত্ৰিম আন্তৰিকতা যাচিলোঁ।

মই ক্রিকেট বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই "মহাবিদ্যালয় সপ্তাহ"ৰ সন্মুখীন হওঁ। মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা আৰু শিক্ষক সংস্থাৰ মাজত এখনি প্ৰদৰ্শনীমূলক সীমিত অ'ভাৰৰ খেল অনুষ্ঠিত কৰোঁ। তীব্ৰ প্ৰতিদ্বন্দিতাপূৰ্ণ হৈ উঠা উক্ত খেলত গোৱালপাৰা মহাবিদ্যালয় শিক্ষক সংস্থাই জয়লাভ কৰে। এই প্ৰদৰ্শনীমূলক খেলত অধ্যাপক শ্ৰীযুত নিচাৰ আহমেদ বৰুৱাই শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বঁটা লাভ কৰে।

ইয়াৰ উপৰিও গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত ক্রিকেট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিলোঁ। কিন্তু আমাৰ মহাবিদ্যালয়ৰ ভাল খেলুৱৈবোৰ আমাৰ মহাবিদ্যালয়ৰ হৈ নেখেলি বিভিন্ন ক্লাবৰ হৈ খেলিছিল ফলত আমাৰ ক্রিকেট দলটোৰ মেৰুদণ্ড ভাঙি যোৱাৰ নিচিনা হৈ পৰিছিল। তথাপিতো আমাৰ ক্রিকেট দলটো প্ৰাৰম্ভিক ৰাউণ্ডৰ বাৰ্ণাৰ্ছ আপ স্তৰলৈ যাবলৈ সক্ষম হয়। ভৱিষ্যতে মহাবিদ্যালয়ৰ ভাল খেলুৱৈ সকল আমাৰ হকে খেলি আমাৰ মহাবিদ্যালয়ৰ সুনাম অক্ষুন্ন ৰখাত অৰিহনা যোগাব বুলি আশা কৰিলোঁ।

শেষত মোৰ প্ৰতিটো কাৰ্য্যক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায় কৰা তত্বাবধায়ক শিক্ষাগুৰু ডঃ মুছৱাফউদ্দিন আহমেদ ছাৰ আৰু লগতে বাইদেউলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ স্বকীয়তা আৰু পবিত্ৰতা বজাই ৰাখিবলৈ ছাত্ৰ-ছাত্ৰীৰ লগত প্ৰতিজন সচেতন নাগৰিককে ঐক্যবদ্ধ প্ৰচেষ্টাৰে আগবাঢ়ি আহিবলৈ আৰু শিক্ষানুষ্ঠানটিক চিৰ উজ্জ্বল কৰি ৰাখিবলৈ অনুৰোধ জনালোঁ।

পুনৰ মোৰ সমূহ বন্ধু-বান্ধৱীলৈ ধন্যবাদ জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"

জিতু দাস
ক্রিকেট সম্পাদক,
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।





## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰাৰম্ভিকতে, গোৱালপাৰা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে নিঃ স্বাৰ্থ ত্যাগেৰে অৱদান আগবঢ়াই নামনি অসমৰ ধ্ৰুৱতৰা স্বৰূপ বিদ্যাৰ প্ৰতিষ্ঠান হিচাপে গঢ়ি তুলি আমাৰ পৰা চিৰ বিদায় লোৱা, জীয়াই থকা সমূহ ব্যক্তিক মোৰ হৃদয়ত ঠাঁহ খাই থকা শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

দ্বিতীয়তে ২০০০-০১ বৰ্ষৰ বাবে গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ দায়িত্ব মূৰপাতি লবলৈ সুযোগ দিয়াৰ বাবে সমূহ বন্ধু- বান্ধৱলৈ আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ গোটৰ সদস্য সকলোকে ধন্যবাদ জনালোঁ।

মই সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ কাৰ্যভাৰ গ্ৰহণৰ কেইদিনমানৰ পিছতেই 'মহাবিদ্যালয় সপ্তাহ'ৰ সন্মুখীন হওঁ। উক্ত অনুষ্ঠানত প্ৰদৰ্শনী বিভাগৰ দায়িত্ব যুটীয়াকৈ (ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ লগত) পৰিছিল। প্ৰদৰ্শনীখন দৰ্শকৰ আকৰ্ষণীয়াকৈ গঢ়ি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাইছিলোঁ, আৰু সেই হিচাপে দৰ্শকৰ পৰা যথেষ্ট সমাদৰ পাবলৈ সক্ষম হওঁ। উক্ত প্ৰদৰ্শনীত শ্ৰেষ্ঠ প্ৰৰ্দশক হিচাপে বঁটা লাভ কৰে মুবীন ৰাভাই। মুবীন ৰাভালৈ মোৰ অভিনন্দন থাকিল। ইয়াৰ উপৰিও ছাত্ৰী জিৰণী কোঠাৰ বাবে প্ৰয়োজনীয় দায়িত্ব সমূহ সুচাৰুৰূপে পালন কৰোঁ। তাৰ ভিতৰত নিয়ম-নীতি ছাত্ৰী সকলৰ মাজত বজাই ৰখা, প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰা, পৰিস্কাৰ পৰিচ্ছন্নতা বজাই ৰখা আদি উল্লেখযোগ্য। মোৰ কাৰ্য্যকালছোৱাত যোগান ধৰা সামগ্ৰীৰ ভিতৰত ঘড়ী, চিলিং ফেন এখন, পৰ্দা কাপোৰ, আয়না, বাল্টি, পানীখোৱা গিলাচ্, ডবা, লুডু, কেৰম আদি উল্লেখযোগ্য। সময়ে সময়ে মই নিজেই কোঠাটো পৰিস্কাৰ কৰিছিলো সেইটো ছাত্ৰীসকলে নিজেই দেখিছে। মোৰ বিশ্বাস এজনী সম্পাদিকাই ইয়াতকৈ বেছি কৰাটো সম্ভৱ নহয়। যি কি নহওঁক কাৰ্যকালছোৱাত বহুত কৰিম বুলি ভাবিছিলোঁ যদিও সময়ৰ নাটনিত কৰিব নোৱাৰিলো। অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

সকলোৰে নাম নসুৰঁৰি নোৱাৰিলোঁ।

সদৌ শেষত মোক প্ৰত্যক্ষ ভাৱে সহায় কৰি যোৱা ব্যক্তি সকলোৰ নাম নসুৰঁৰি নোৱাৰিলোঁ। মোক বিভিন্ন সু-উপদেশ আৰু কাৰ্যত সহায় আগবঢ়োৱা মোৰ শিক্ষাগুৰু তথা তত্বাবধায়ক নমিতা নাথ, এ, এচ, আৰ, আহমেদ, সুভাষ বৰ্মন চাৰ আৰু দয়াল দা লৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বন্ধু/বান্ধৱী - ৰুমা, পিংকী, ৰিণা, সফলা, কল্পনা, হিমালিকা, জানকি, কমলকৃষ্ণ, নবীন দা, আলম, মনোজ দা, পংকজ দা, সিন্টু দা, ৰত্ন দা, উজ্জ্বল, ইন্দ্ৰমোহন দা, উজ্জ্বল দা, দিলিপ দা আৰু সমূহ বন্ধু-বান্ধৱীলৈ মোৰ হৃদয় সাগৰৰ অপাৰ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদন খনৰ সামৰণি মাৰিলোঁ ।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"

পৰিমিতা মল্লিক
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।



## ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন ঃ

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভনিতে যি সকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত গোৱালপাৰাৰ বুকুত আমাৰ অতি মৰমৰ আৰু অতি চেনেহৰ গোৱালপাৰা মহাবিদ্যালয়খনিয়ে জন্ম লাভ কৰিলে তেখেতসকললৈ মোৰ অজস্ৰ প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক ২০০০-০১ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

মই সম্পাদক হিচাপে কাৰ্য্যভাৰ লোৱাৰ কেইদিনমানৰ পিছতে "মহাবিদ্যালয় সপ্তাহ"ৰ সন্মুখীন হওঁ। মহাবিদ্যালয় সপ্তাহ উপলক্ষে মোৰ আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্বত যুটীয়া ভাৱে বিভিন্ন বিষয় বস্তুৰে এখনি প্ৰদৰ্শনী প্ৰতিযোগিতা অনুস্থিত কৰা হয়। প্ৰদৰ্শনীখনিত বহুতো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহন কৰে। উক্ত প্ৰদৰ্শনীত মুবীন ৰাভাই শ্ৰেষ্ঠ প্ৰদৰ্শক হিচাপে বঁটা লাভ কৰে। মুবীন ৰাভালৈ মোৰ অভিনন্দন থাকিল। তাৰোপৰি মোৰ দায়িত্বত "ছদ্মবেশ" প্ৰতিযোগিতা অনুস্থিত কৰিছিলোঁ। তাতো বহুতো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাত আজিনুৰ ইছলামে প্ৰথম পুৰস্কাৰ লাভ কৰে। আজিনুৰ ইছলামলৈ মোৰ অভিনন্দন থাকিল।

মোৰ কাৰ্য্যকালত মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে কিমান সফল হ'ব পৰিছোঁ তাক মই ক'ব নোৱাৰো, অৱশ্যে মই চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। মোৰ কাৰ্য্যকালত ছাত্ৰ-জিৰণি কোঠাত থাকিব লগা ডেক্স-ব্ৰেঞ্চ, পানীৰ সু-ব্যৱস্থা কৰাৰ চেষ্টা কৰিছিলোঁ। কোঠাটোৰ খিৰীকি দুৱাৰত য'ত পৰ্দা নাছিল তাত পৰ্দা লগাও, দুখন মেজ, এটা দেৱাল ঘড়ী আৰু খেলৰ সামগ্ৰী যেনে- কেৰম দুখন, দবা, লুডু আদিৰ ব্যৱস্থা কৰি দিওঁ। তথাপিতো মহাবিদ্যালয়ৰ ছাত্ৰ অনুপাতে খেলৰ সামগ্ৰী, থাকিবলৈ কোঠালি আৰু বহা ব্ৰেঞ্চ যথেষ্ট নহয়। ছাত্ৰ জিৰণি কোঠাত থাকিবলগীয়া সা-সামগ্ৰীৰ অভাৱৰ প্ৰতি পৰৱৰ্তী সম্পাদকে চকু দিয়ে তাৰ ব্যৱে আশা থাকিল।

গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ সমাজলৈ মোৰ একান্ত অনুৰোধ যাতে ছাত্ৰ জিৰণি কোঠাত আহি খেলৰ সামগ্ৰী সমূহ নিজৰ জ্ঞান কৰি যত্ন কৰি ৰাখে।

শেষত মোৰ কাৰ্য্যকালত সহায় সহযোগিতা আৰু সু-পৰামৰ্শ আগবঢ়োৱা মাননীয় তত্বাবধায়ক অধ্যাপক ধৰ্মেন্দ্ৰ নাথ ছাৰ, অধ্যাপক মন্টু দাস ছাৰ, অধ্যাপক এ, এছ, আৰ আহমেদ ছাৰ, অধ্যাপিকা ভানু বেজবৰা বাইদেউ, অধ্যাপিকা নমিতা নাথ বাইদেউ সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তদুপৰি প্ৰঞ্জল দা, অনিমেষ দা, পংকজ দা, দিপাংকৰ দা, জয়ন্ত দা, ৰাহুল দা, উজ্জ্বল দা, অমিয় দা, বাবুল দা, ৰঘুনাথ দা, নয়ন দা, দিবাকৰ, নিত্যানন্দ, ছন্দিকা আৰু বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়খনিৰ উজ্জ্বল ভৱিষ্যৎ কামনা
কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

ইন্দ্ৰমোহন ৰাভা
সম্পাদিক, ছাত্ৰ জিৰণী কোঠা
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।






## আন্তঃ দ্বাৰ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে গোৱালপাৰা মহাবিদ্যালয়খন স্থাপন কৰাত যি সকল মহান ব্যক্তিয়ে বিভিন্ন ধৰণৰে অৱদান আগবঢ়াই গ'ল সেই মহান ব্যক্তিসকললৈ মোৰ শত-সহস্ৰ প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক ২০০০-০১ বৰ্ষৰ মহাবিদ্যালয়ৰ আন্তঃদ্বাৰ ক্ৰীড়া সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

মই আন্তঃ দ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই "মহাবিদ্যালয় সপ্তাহ"ৰ সন্মুখীন হওঁ। মই প্ৰথমে কিছু অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল যদিও সেই সকলোবিলাক বাধা অতিক্ৰম কৰি মোৰ কাৰ্য্যভাৰ চলাই যাব পাৰিছিলোঁ। মই "মহাবিদ্যালয় সপ্তাহ"ত কেৰম, বেডমিন্টন আৰু দবা খেল পাতিছিলোঁ। মই আশা কৰামতে বহুতো ছাত্ৰ-ছাত্ৰীয়ে উক্ত খেল সমূহত অংশ গ্ৰহণ কৰিছিল। এই খেলবিলাক পৰিচালনা কৰাত সহায় কৰা তত্বাৱধায়ক শিক্ষাগুৰু সমেশ্বৰ ৰাও ছাৰ আৰু বন্ধু-বান্ধৱী সকললৈ এই সুযোগতে শ্ৰদ্ধা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

"মহাবিদ্যালয় সপ্তাহ" ত শ্ৰেষ্ঠ কেৰম খেলুৱৈ হিচাপে মোস্তাফিজুৰ ৰহমানে বঁটা লাভ কৰে। এই খেলুৱৈ গৰাকীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে সহায় কৰা আৰু মোৰ কাৰ্য্যভাৰ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰা মোৰ বন্ধু-বান্ধৱী ক্ৰমে- মোস্তাফিজুৰ ৰহমান, ছাইফুল, জয়ন্ত, ৰাহুল, অৰূপ, সুমন, উজ্জ্বল, ডিপু, ফুলোৰা, নুৰ ফতিমা, মিলি, জুলি, ফজলুৰ, শ্বৰীফ আৰু ছাত্ৰ একতা সভাৰ সদস্য সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা সকলো ভুল-ভ্ৰান্তি আৰু দোষৰ বাবে আটাইৰে ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ আৰু মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতি কামনা কৰিলোঁ।

"জয় আই অসম"

আলতাফ হুছেইন
সম্পাদক, আন্তঃ দ্বাৰ ক্ৰীড়া বিভাগ
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।

## বহিঃ দ্বাৰ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন ঃ

গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বহিঃ দ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে প্ৰতিবেদন লিখাৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদলৈ মোৰ শত শত প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে সুস্থ মানসিকতাৰে মোক নিৰ্বাচিত কৰিলে, তেওঁলোকলৈ মই মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ। মই সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত বহিঃ দ্বাৰ বিভাগৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যাই মোক বাৰুকৈয়ে উৎসাহিত কৰিছিল। বহিঃ দ্বাৰ ক্ৰীড়া বিভাগৰ ল'ৰাৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ গৌৰৱ অৰ্জন কৰে স্নাতক ৩ য় বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ মোকছেদুৰ ৰহমান আৰু ছোৱালীৰ শাখাত শ্ৰেষ্ঠা খেলুৱৈৰ খিতাপ অৰ্জন কৰে উঃ মাঃ ২য় বৰ্ষৰ ছাত্ৰী ছেলিমা খাতুনে।

প্ৰতিবেদনৰ সামৰণিত বিদ্যালয়ৰ যোৱা কাৰ্য্যকালছোৱাত সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক যি সহায়-সহযোগিতা আগবঢ়ালে তাৰবাবে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰিও মোৰ শিক্ষা গুৰু এ, এছ, আৰ, আহমেদ ছাৰ আৰু তত্ত্বধায়ক ভক্তি মেধি ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালো। তদুপৰি মোক সকলো সময়তে সহায় কৰা ৰান্না দা, মহিবুৰ দা, ছেলিমূল, বাবুল দা, তথা মোৰ অন্যান্য বন্ধুবৰ্গলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

"জয় আই অসম"
গোৱালপাৰা মহাবিদ্যালয় জিন্দাবাদ।

শ্বৰিফ চেলিম ইউছুফ
সম্পাদক, বহিঃ দ্বাৰ ক্ৰীড়া বিভাগ
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।

## ফুটবল আৰু ভলীবল সম্পাদকৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ মোৰ প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মই ফুটবল আৰু ভলীবল বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই "মহাবিদ্যালয় সপ্তাহ"ৰ সন্মুখীন হওঁ। মহাবিদ্যালয় সপ্তাহত এখনি ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰোঁ। উক্ত প্ৰতিযোগিতাত ৯ টা দলে অংশ গ্ৰহণ কৰিছিল। আয়নাল হ'কৰ দল আৰু মহাবিদ্যালয়ৰ ছাত্ৰবাসৰ জ্যোতি শংকৰ নাথৰ দলৰ মাজত ফাইনেল খেলখন হৈছিল আৰু আয়নাল হকৰ দলটোৱে চুড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছিল। ছফিওৰ ৰহমান প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হৈছিল।

গোৱালপাৰা মহাবিদ্যালয়ত যদিও ফুটবল খেল বিভাগৰ এজন সম্পাদক থাকে, মহাবিদ্যালয়ৰ খেল পথাৰত প্ৰতিযোগিতা মূলক ফুটবল খেল অনুষ্ঠিত নহয়। মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ পৰা এটা ফুটবল দল উলিয়াই আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাত যোগদানৰ বাবে প্ৰস্তুতি চলাইছিলোঁ যদিও মূৰকত সেইটো হৈ নুঠিল। তথাপিও গোৱালপাৰা মহবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ দিনা প্ৰদৰ্শনীমূলক ফুটবল খেল মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ একাদশৰ মাজত অনুষ্ঠিত কৰিবলৈ যো-জা কৰিছিলোঁ। মহাবিদ্যালয় খেলপথাৰখন ফুটবল খেলৰ বাবে উপযোগী হৈ নুঠা হেতুকে খেলখন অনুষ্ঠিত কৰিব পৰা নগ'ল।

শেষত মোৰ প্ৰতিটো কাৰ্য্যতে সহায়-সহযোগিতা আগবঢ়োৱা বাবে তত্বাবধায়ক অধ্যাপক শ্ৰীযুত নিলেন্দু সাহা ছাৰ আৰু অধ্যাপক ভক্তি মেধি ছাৰ আৰু মানৱ, হেমন্ত, উজ্জ্বল, জয়ন্ত দা, ৰাহুল দা, দ্বিপজ্যোতি, ধ্ৰুৱ, নিৰেন, অনুপ, অৰূপ, পুষ্প, পিংকু, ৰঞ্জিত আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰি তথা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইয়াতে সামৰিছোঁ।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"
"জয় আই অসম"

বিশ্বজিৎ ৰায়
সম্পাদক, ফুটবল আৰু ভলীবল
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।



## আদিৰ পৰা বৰ্তমানলৈ গোৱালপাৰা মহাবিদ্যালয়ৰ আলোচনী সম্পাদকসকল ঃ

মহেন্দ্ৰ দাস .... (১৯৫৭-৫৮)
শ্যামাচৰণ দাস .... (১৯৫৮-৬০)
সুৰেশ ৰাভা আৰু ....
নিৰ্মাল্য কুমাৰ দাস .... (১৯৬০-৬১)
ৰোহিনী কুমাৰ চৌধুৰী .... (১৯৬১-৬২)
মণি ৰাভা .... (১৯৬২-৬৩)
দ্বিপেন চন্দ্ৰ দাস .... (১৯৬৩-৬৪)
বিনয় কুমাৰ শৰ্মা .... (১৯৬৬-৬৭)
মোক্চাদ্ আলী আৰু
নৰেশ দাস কলিতা .... (১৯৬৮-৬৯) (অস্থায়ী)

নৰেশ দাস কলিতা .... (১৯৬৯-৭০)
ত্ৰিদীপ নাথ চক্ৰৱৰ্ত্তী .... (১৯৭০-৭১)
সুলোচন ৰাভা .... (১৯৭১-৭২)
অজন্তা দাস .... (১৯৭২-৭৩)
চাজেৰ ৰহমান .... (১৯৭৩-৭৪)
আনোৱাৰ হুছেইন .... (১৯৭৫-৭৬)
আজিজৰ ৰহমান .... (১৯৭৬-৭৭)
ভৰত চন্দ্ৰ দত্ত .... (১৯৭৭-৭৮)
আহিদু জামান .... (১৯৭৮-৮০)
ইৰছাদ আলী .... (১৯৮১-৮২)
গৌতম সোম .... (১৯৮৩-৮৪)
জয়ন্ত মেধী .... (১৯৮৫-৮৬)
প্ৰশান্ত নাথ .... (১৯৮৬-৮৭)
চুলতান গিয়াচুদ্দিন আহমেদ .... (১৯৮৭-৮৮)
নিলাঞ্জন দাস .... (১৯৮৮-৮৯)
জৈব্যেন্দু জ্যোতি পাটগিৰী .... (১৯৮৯-৯০)
ইন্দ্ৰানী বৈশ্য .... (১৯৯০-৯১)
দিগন্ত বৰুৱা .... (১৯৯১-৯২)
বকুল গুৰুং .... (১৯৯২-৯৩)
প্ৰদ্যুম্ন নাথ .... (১৯৯৩-৯৪)
বিজু কলিতা .... (১৯৯৪-৯৫)
ত্ৰিদীপ কুমাৰ ৰয় .... (১৯৯৫-৯৬)
অমূল্য কুমাৰ নাথ .... (১৯৯৬-৯৭)
এছ ইউ আহমেদ .... (১৯৯৭-৯৮)
অচ্যুত বৰণ মোদক .... (১৯৯৮-৯৯)
হৰিদাস ৰাভা .... (১৯৯৯-০০)
মুবীন ৰাভা .... (২০০০-০১)



স্মৃতিৰ দাপোণত......



মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰেন্দ্ৰ নাথ শৰ্মা
এক ব্যস্ত মুহূৰ্ত্তত



মহাবিদ্যালয়ৰ উপাধ্যক্ষ নন্দ দুলাল অধিকাৰী
শ্বহীদ বেদীত মাল্য অৰ্পণ কৰা মুহূৰ্ত্তত

# গোৱালপাৰা মহাবিদ্যালয় ঃ আলোচনী

## ২০০০-২০০১ শিক্ষাবৰ্ষ

## সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰাঃ

থানেশ্বৰ শৰ্মা, নন্দ দুলাল অধিকাৰী (উপাধ্যক্ষ), ড° সুৰেন্দ্ৰ নাথ শৰ্মা (অধ্যক্ষ), ৰতন ভট্টাচাৰ্য ( তত্ত্বাৱধায়ক)

থিয়হৈ বাওঁফালৰ পৰাঃ

মুবীন ৰাভা (সম্পাদক), শৈলেনজিৎ শৰ্মা, মন্টু দাস

অনুপস্থিতঃ

লনি বৰুৱা, ড° আব্দুল বাতেন আহমেদ



২০০০-২০০১ চনৰ

গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য সকল

থিয়হৈ বাওঁফালৰ পৰাঃ

